# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1971

Budget Session

The 3rd May, 1971

Volume I

No 27

Contents : Pages :


1. Starred Questions And Answers 1—19
2. Unstarred Questions And Answers 20
3. Ruling by the Chair-Obstruction at the introduction stage of the Assam Agricultural Produce Marketing Bill, 1970 21—23
4. Voting on Demand for Grants— 24—63
5. Calling Attention To A Matter of Urgent Public Importance-Demarcation of Assam Nagaland border by the Central Survey Team... 64—65
6. Adjournment 66

( NOT FOR ISSUE )
REFERENCE LIBRARY

Debates of the Assam Legislative Assembly, Monday, May 3, 1971

The House met at 10 A.M. in the Assembly Chamber, Shillong with Hon'ble Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

( To which oral replies were given )

ম'হৰ দ্বাৰা খেতি নষ্ট

এ, এন আক্ৰাম হুছেইনে সুধিছে :

*২০৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) লটৰীয়া আৰু দাতি-কাষৰীয়া পি, জি, আৰ'ৰ গোৱালসকলৰ খুটিৰ ম'হবিলাকে পূব চমৰীয়া আৰু পশ্চিম চমৰীয়া মৌজাৰ ( কামৰূপ জিলা ) খেতিয়ক সকলৰ পথাৰত থকা শস্য ধ্বংস কৰি সেই অঞ্চলত বিভীষিকাৰ সৃষ্টি কৰা সঁচা নে ?

(খ) এই বিষয়ে উক্ত মৌজাদ্বয়ৰ দুখীয়া খেতিয়ক ৰাইজে জোৰশিমলু পুলিচ চকী, ছয়গাওঁ থানা আৰু কামৰূপ জিলাৰ উপায়ুক্তলৈ আবেদন-নিবেদন কৰা সঁচা নে ?

(গ) ছয়গাওঁ চাৰ্কোলৰ পূব চমৰীয়া মৌজাত কিমান খেতিয়ক উক্ত খুটিৰ ম'হৰ আক্ৰমণত আহত আৰু নিহত হৈছে ?

(ঘ) প্ৰশ্নৰ বিষয়ে জোৰশিমলু পুলিচ চকীত এজাহাৰ দিয়া হৈছিল নে আৰু যদি এজাহাৰ দিয়া হৈছিল পুলিচে কি ব্যৱস্থা লৈছে ?

(ঙ) দুখীয়া খেতিয়কৰ খেতি আৰু প্ৰাণ পি, জি, আৰ'ত ম'হৰ পৰা ৰক্ষা কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লব নে ?

মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে উত্তৰ দিছে :

২০৬। (ক)—লটৰীয়া চৰণীয়া পথাৰৰ ম'হবোৰে মাজে সময়ে ৰিজাৰ্ভৰ দাতি কাষৰীয়া আৰু পশ্চিম চমৰীয়া মৌজাৰ খেতিয়ক সকলৰ খেতি নষ্ট কৰা কথাটো সঁচা।

(খ)—হয়। যোৱা ১৮।৮।৭০ তাৰিখে চৰালপাৰ চৰ আৰু পূব চমৰীয়াৰ ৰাইজে ছয়গাওঁ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ ওচৰত ম'হে তেওঁলোকৰ খেতি নষ্ট কৰা বুলি নিবেদন কৰে আৰু নিবেদনৰ প্ৰতিলিপি কামৰূপ জিলাৰ উপায়ুক্তলৈ দিয়ে।

(গ)—পূব চমৰীয়া মৌজাৰ উক্ত খুটিৰ ম'হৰ আক্ৰমণত কোনো মানুহ আহত বা নিহত হোৱা নাই।

(ঘ)— এই সংক্ৰান্তত কোনো এজাহাৰ জোৰশিমলু পুলিচ চকীত দিয়া নাই।

(ঙ)—হয়। উক্ত ঠাইৰ খেতিৰ নিৰাপত্তাৰ কাৰণে সময়ে সময়ে সশস্ত্ৰ পুলিচ বাহিনীৰ পহৰাৰ ব্যৱস্থা ছয়গাওঁ থানা আৰু জোৰশিমলু চকীৰ ভাৰপ্ৰাপ্ত বিষয়াদ্বয়ে হাতত লৈছে।

শ্ৰী এ. এন. আক্ৰাম হুছেইন :

মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে ছয়গাওঁ circle ত পূব চমৰীয়া মৌজাৰ

ম'হৰ আক্ৰমণত কিছুমান মানুহ আহত হৈছে আমি যি বাতৰি পাইছো মধ্য চৌধুৰী পাম গাওঁৰ ওচৰৰ কছাৰী পাম বোলা ক্লোনা এখন গাৱৰ Abdul Helim ৰ ঘৈনীয়েকক ম'হে গুৰুতৰ ভাবে আহত কৰিছে এই সম্পৰ্কে এজাহাৰো দিয়া হৈছে। হাহচৰা নামৰ গাওঁৰ ১৫ বছৰীয়া লৰা এটাকো ম'হে আক্ৰমণ কৰি নিহত কৰিছে গতিকে ম'হে আক্ৰমণ কৰি আহত কৰা কথাটো সঁচানে—মই মুখ্যমন্ত্ৰীৰ পৰা জানিব বিচাৰিছো।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—মোৰ খবৰ মতে ম'হৰ আক্ৰমণ হৈছে কিন্তু মৰা নাই। মাননীয় সদস্যই যিটো খবৰ দিছে সেইটো তদন্ত কৰি চাম।

শ্ৰী এ. এন. আক্ৰাম হুছেইন—উত্তৰত মুখ্যমন্ত্ৰী মহোদয়ে কৈছে—দুখীয়া ৰাইজৰ খেতি ৰক্ষা কৰিবৰ কাৰণে সশস্ত্ৰ পুলিচ বাহিনী দিয়া হয়, কিন্তু সশস্ত্ৰ পুলিচ বাহিনীক খেতি বাতি ৰক্ষা কৰিবলৈ দিয়া হয়নে দুখীয়া ৰাইজৰ ওপৰত জুলুম কৰিবলৈ দিয়া হয়?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—সেই বিষয়ে কব লগীয়া নাই।

শ্ৰী এ. এন. আক্ৰাম হুছেইন—এই সশস্ত্ৰ বাহিনীয়ে কিমান ম'হ খেদিছে জনাবনে?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—সাধাৰনতে সশস্ত্ৰ বাহিনীৰ কাম ম'হ খেদা নহয়; কিন্তু Reserveৰ ওচৰে পাজৰে ম'হ আহি ৰাইজক অনালয় কৰিলে সশস্ত্ৰ বাহিনী ব্যৱহাৰ কৰা হয়।

শ্ৰী এ. এন. আক্ৰাম হুছেইন—দুখীয়া খেতিয়কৰ খেতি বাতি ৰক্ষা কৰিব বুলি মুখ্য মন্ত্ৰীয়ে আশ্বাস দিবনে?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—আমাৰ যি P. G. R আছে তাত বহুত ম'হ গৰু আছে সেই বিলাকে Reserveৰ খেতি বাতি ম'হে নষ্ট কৰে সেইটো আমি মানিছো। যদি কোনো Grazierয়ে গৰু ম'হ মানুহৰ খেতিত জপাই দিয়ে আৰু তাৰ বাবে মোকৰ্দ্দমা হলে সেই বিষয়ে চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা লব পাৰি। কিন্তু এনেয়ে Stray cattle আহি উৎপাত কৰিলে, চৰকাৰে কোনো ব্যৱস্থা লব নোৱাৰে।

শ্ৰীগিয়াচুদ্দিন আহমেদ—মই জানিব বিচাৰিছো এই Reserveত কিমান বিঘা মাটি আছে আৰু ম'হৰ সংখ্যা কিমান?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—সেইটো খবৰ মোৰ হাতত নাই, পিছত জনাব পাৰিম।

শ্ৰীজালালুদ্দিন আহমেদ— মুখ্যমন্ত্ৰী মহোদয়ে জনাবনে কিমান পৰিমানৰ শস্য বনৰীয়া গৰু মহে নষ্ট কৰিছে?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী—বিশেষ ভাবে নষ্ট নহয় কিন্তু মাজে মাজে সামান্য নষ্ট কৰে।

## Re: Strike Notice

Shri DULAL CHANDRA BARUA asked:

*207. Will the Minister-in-charge of Power, Electricity,

etc., be pleased to state—

(a) Whether the Government is aware of the fresh strike notice served by the Assam State Electricity Board Workers' Union in protest against the indifferent attitude of the Board authority towards the fulfilment of the agreements arrived at after the general strike resorted to by the members of the Union in the later part of the month of June 1970 last?

(b) If so, what are the reasons for whrich the authority of the Board has failed to honour the agreements?

Shri BISWADEV SARMA (Minister, Electricity) replied:

207. (a)—The Assam State Electric Supply Workers' Union has submitted an Ultimatum to the Board threatening Direct Action which may go up to continuous strike after 31st March, 1971 if the demands put forward by the Union in the Ultimatum are not fulfilled within that time.

(b)—As there were no agreements with this Union either by the Board or by the Government after the general strike in June 1970 the question of failure to honour any agreement does not arise.

Shri Dulal Chandra Barua — It was reported in the newspapers and it was also our information that the strike which took place in the month of June 1970 was called off on the basis of some agreement. May I know on what basis the workers called off the strike?

Shri Biswadev Sarma — There was no agreement with the Union with regard to their various demands. All these demands were forwarded to the Industrial Tribunal for adjudication and, therefore, the question of agreement does not arise at all. They called off the strike out of their own accord.

Shri Dulal Chandra Barua —Then are we to take it that there was no discussion of any sort between the workers and the Board in respect of their demands?

Shri Biswadev Sarma—There was discussion but there was no agreement They also came to me and we had discussed the matter. But since there was no agreement the entire matter was referred to the Industrial Tribunal

for adjudication.

Shri Dulal Chandra Barua— When was it referred to the Industrial Tribunal and what is the present position ?

Shri Biswadev Sarma : Nine of their demands out of the 37 point Charter of Demands remain to be fulfilled. I have not got the exact date, but the reference to the Industrial Tribunal for adjudication was made in June 1970. It is still before the Tribunal as the Union has been taking time for submission of their written statement in this connection.

Shri Dulal Chandra Barua : May I know whether the Board considered their 37 point demands to be genuine ?

Shri Biswadev Sarma : No, Sir. In a bilateral discussion some of the points were agreed to although there was no ieal agreement with the Union, on their charter of demands. The Electricity Board considered the implications of those demands and referred the entire matter to the Industrial Tribunal for adjudication in June 1970. Now, the Union have not submitted their written statement and they are taking time. This is the present position.

Shri Dulal Chandra Barua : Has the entire charter of demands been forwarded to the Industrial Tribunal ?

Shri Biswadev Sarma : Yes, Sir.

Shri Dulal Chandra Barua : When the entire demand have been forwarded to the tribunal are we to understand that all 37 demands are genuine ?

Shri Biswadev Sarma : Because the Board could not agree to the demands and therefore these were forwarded to the tribunal

Shri Dulal Chandra Barua : Whether it is a fact that demands were placed before the Board and the Board did not consider these to be genuine ? If so, under what circumstances and points they could come to the conclusion ?

Shri Biswadev Sarma : When there is a dispute between the Management and the worker naturally we forward the matter for adjudication.

Shri Dulal Chandra Barua : In respect of forwarding the demands to the Industrial Tribunal for decision certain comments are to be furnished. Whether the comments were

forwarded against all the items of demands ?

Shri Biswadev Sarma : That is I think rest with the Union itself. They did not submit any written statement on this and therefore comments could not be given.

Shri Giasuddin Ahmed : What are the demands and what are the points of difference between the Union and the Authority for which it had to be referred to the Tribunal ?

Shri Biswadev Sarma : Sir, the list of demands are not with me now. About 37 demands were raised but all those things are not with me now. As far as I remember, take for instance, the issue of Bonus as alleged, the Industrial Tribunal opined that the workers are not entitled. The Board as a good gesture concurred 4% Bonus to the workers. Even that was not agreed to by the Union and then we referred it back to the Industrial Tribunal.

### Re : Liquor Shop, Motanga

শ্ৰীমনেশ্বৰ বড়োই সুধিছে :

*২০৮। মাননীয় আবকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) ৰঙ্গিয়া-দৰঙ্গা পি, ডব্লিও, ডি, ৰাস্তাৰ মটঙা নদীৰ দলঙৰ গাইড বান্ধৰ ওপৰত ভুটানৰ মদৰ দোকানৰ লেচীজনে "Liquor Shop, Motanga" বুলি চাইন বোৰ্ডত লিখি খুটী এটাত আঁৰি থোৱা চাইন বোৰ্ডখন চৰকাৰৰ দৃষ্টিগোচৰ হৈছে নে ?

(খ) যদি হৈছে, এই চাইন বোৰ্ডখন অসমৰ ভিতৰত তেনেকৈ লিখি আঁৰি থবলৈ ভুটানৰ মহলদাৰজনক কোনে অনুমতি দিছে ?

(গ) যদি দিয়া নাই, তেওঁৰ ওপৰত চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

আবকাৰী বিভাগৰ মন্ত্ৰী শ্ৰীৰমেশ চন্দ্ৰ বৰুৱাই উত্তৰ দিছে :

২০৮। (ক) হৈছে।

(খ) কোনেও অনুমতি দিয়া নাই, তেওঁ নিজ ইচ্ছাতেই নজনাৰ কাৰণে আঁৰি দিছিল।

(গ) অসমৰ ভিতৰত তেনেকৈ লিখি আঁৰি থোৱা উচিত নোহোৱাৰ কাৰণে গড়কাপ্তানী বিভাগৰ বিষয়াৰ লগত আলোচনা কৰি আৰু মহলদাৰজনৰ লগত যোগাযোগ কৰি উক্ত চাইন বোৰ্ডখন উঠাই দিয়া হৈছে।

শ্ৰীমনেশ্বৰ বড়ো : চাৰ, এনেকুৱা Signboard ৰ পৰা অসমৰ ভবিষ্যত ক্ষতিসাধন হব বুলি নাভাবেনে ? আৰু এই Signboard খন কেতিয়া আঁৰি দিয়া হৈছিল আৰু কেতিয়া উঠাই দিয়া হ'ল ?

শ্ৰীৰমেশ চন্দ্ৰ বৰুৱা : কোন তাৰিখে উঠাই দিয়া হ'ল কব নোৱাৰো, কিন্তু যেতিয়াই নজৰত পৰিছিল তেতিয়াই উঠাই দিয়া হৈছিল।

শ্ৰীমনেশ্বৰ বড়ো : কুমাৰীকাটাৰ পৰা অহাযোৱা কৰোতে Signboard খন দেখা নাছিল নেকি ?

শ্ৰীৰমেশ চন্দ্ৰ বৰুৱা : নজৰত পৰা মাত্ৰেই উঠাই দিয়া হৈছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী : হাতীচৰেদি অনেক ASK. লিখা টেক্সীয়ে দৈনিক মদ আনি থকা কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীৰমেশ চন্দ্ৰ বৰুৱা : সেইটো বেলেগ প্ৰশ্ন।

শ্ৰীমনেশ্বৰ বড়ো : এই Signboard আঁৰি দিয়া সন্দৰ্ভত Excise Inspector থকা বুলি নাভাবেনে আৰু যদি ভাবে তেন্তে Indian Territory ত Signboard আঁৰি দিয়া আৰু এনেকুৱা ঘটনা হোৱা কথাত চৰকাৰে কি ভাবে ?

শ্ৰীৰমেশ চন্দ্ৰ বৰুৱা : গড়কাপ্তানী বিভাগৰ চকুত পৰাত উঠাই দিয়া হৈছে।

শ্ৰীমনেশ্বৰ বড়ো : Excise Inspector জনৰ Posting হোৱাৰ চাৰি মাহৰ পিচতে চাৰি হাজাৰ টকাৰ মটৰ চাইকেল কিনা কথাটো চৰকাৰে জানেনে ?

শ্ৰীৰমেশ চন্দ্ৰ বৰুৱা : সেইটো খবৰ কৰিম।

শ্ৰীগিয়াচুদ্দিন আহমেদ : মদ নিবাৰণী চৰকাৰে নীতি হিচাবে লৈছে, কিন্তু তেনে অৱস্থাত Dry Area তো BeehiveBrandy ৰ Advertisement দেখা পাওঁ। তেওঁলোকক Advertise কৰিবলৈ অনুমতি দিয়া হৈছে নেকি ?

শ্ৰীৰমেশ চন্দ্ৰ বৰুৱা : মাননীয় সদস্যই ভালকৈ চালে এতিয়া দেখিব যে Dry Area ত তেনে Advertisement নাই।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী : শ্বিলং-গুৱাহাটী ৰাস্তাত Signboard বিলাকত Alcohol spirits away to misery সেই বিলাক ভাঙি থোৱা আৰু Alcohol spirits away to France এই বিলাক আঁৰি থোৱা কথাটো চৰকাৰে জানে নে নাজানে ?

শ্ৰীৰমেশ চন্দ্ৰ বৰুৱা : হয় জানো।

শ্ৰীৰথীন্দ্ৰ নাথ সেন : মদ খাবলৈ উৎসাহ দি ফ্ৰান্স, জাপান চাবলৈ উৎসাহ দিয়া হৈছে নেকি।

শ্ৰীৰমেশ চন্দ্ৰ বৰুৱা : আইনমতে wet Area ত বন্ধ কৰিব নোৱাৰো।

শ্ৰীকবীৰ চন্দ্ৰ ৰয় প্ৰধানী : মাননীয় মন্ত্ৰী মহোদয়ে Dry Area ত Signboard আৰু Advertisement নাই বুলি কৈছে ; কিন্তু মদ খোৱা মানুহ আছেনে নাই ?

শ্ৰীৰমেশ চন্দ্ৰ বৰুৱা : সেইটো নাই বুলিয়েই ভাবো।

Re : Bridge over River Kachikata

Shri PREMADHOR BORA asked :

* 209. Will the Minister-in-charge of Public Works Department ( Roads and Buildings ) be pleased to state—

(a) Whether there is a long standing public demand for construction of a bridge over the river Kachikata on remaining length of Dikrong-Badati Public Works Department Road in North Lakhimpur Division ?

(b) Whether it is also a fact that the proposal has been spilled over from the Third Five Year Plan ?

(c) Whether it is also a fact that although the proposal has been spilled over to Third Plan no active step has yet been taken for its early construction ?

(d) What are the reasons for this inordinate delay in execution and how long it will take for early completion ?

Shri ALTAF HOSSAIN MAZUMDER [ Minister, Public Works Department ( Roads and Buildings )] replied :

209. (a) Yes.

(b) Yes.

(c) Possible steps have been taken to construct the bridge over Kachikata.

(d) Delay is due to nonavailability of bridge conctractors. Steps hava been taken to complete it by 1971-72.

Shri Premadhar Bora : Sir, when the proposal has been spilled over from the Third Five Year Plan as the work could not be completed, may I know what are the concrete steps, positive and effective for the early completion of the project ?

Shri Altaf Hossain Mazumder, Minister, P.W.D. (R&B): This was taken up formerly from E & D during middle of 1970. The Department called for tenders several times and extensions allowed. First it was entrusted to one contractor, but he rufused to do the work. Again for the second time the work was allotted to one local Sramik Bahini, which could not succeed. Again it was offered to another contractor, but he also regretted the offer. Now we have given to another contractor with 5 per cent above the scheduled rates.

Shri Dulal Chandra Barua : Sir, are we to understand from the reply given by the Minister that the delay was due to non-availability of contractors or it was due to negligence of the Department to take up the work ?

Shri Altaf Hossain Mazumder : Sir, from the information which has been furnished to me, it appears that the delay was due to non-availability of contractors.

Re : District T. B. Control Centre at Gauhati

Shri ABALA KANTA GOSWAMI asked :

* 210. Will the Minister-in-charge of Health be pleased to state—

(a) Whether it is a fact that the Government began the construction of a District T. B. Control Centre at Gauhati ?

(b) If so, what amount was sanctioned and the year when the construction work started ?

(c) Whether it is a fact that in answer to a question in 1966, the assurance was given by the Minister that it would be completed within a year ?

(d) Whether the work has been completed and if not, the reason thereof ?

Shri CHATRASING TERON ( Minister, Health ) replied :

(a) Yes.

(b) Rupees 1·61 lakhs was sanctioned. The work was started in 1966.

(c) No such assurance appears to have been given in 1966.

(d) A substantial portion of the work has already been completed. The reason for slow progress was due to non-settlement of the earth filled portions and some technical difficulties.

Shri Abala Kanta Goswami : Sir, may I know whether there was any over-payment to the contractor and so he is unwilling to complete work ?

Shri Chatrasing Teron - Sir, I do not know whether any over-payment has been made, but as far as I understand from P.W.D. the contractor was little slow at the initial stage in his work and several notices had to be issued. Now the work is progressing well.

Shri Pitsing Konwar : Who is the contractor ?

Shri Chatrasing Teron : Sir, I have already pointed out the difficulties. The land on which the building was to be constructed was a low laying land where about 10 ft. of earth filling had to be done and then it had to be allowed to settle to bear the weight of the foundation. This itself had taken about two years time.

Shri Giasuddin Ahmed : Will it be wrong if I say that

whatever the reasons this undue delay proves nothing but inefficiency of the department ?

Shri Chatrasing Teron : When the site itself was such as I have stated earlier naturally sometime had to be allowed.

M. Samsul Huda : The Minister has stated that earth filling had to be done for which construction was delayed. As far as I know according to the engineers when constructions are to be made the foundation is constructed from orginal earth and not on filled up earth. May I know why in this particular case that procedure was not followed ?

Shri Chatrasing Teron : I am not very much conversant with the technical aspect of this matter. The trouble was that the site was a low lying area and there was sufficient depth of water and therefore it had to be filled up.

Shri Giasuddin Ahmed : Sir, my question has not been answered. My questi on was whether the Gauhati T. B. Clinic is meant for Kamrup district alone, and, if so, whether there are proposals to establish such clinics in other districts also ?

Shri Chatrasing Teron : There are porposals for other districts also.

চৰকাৰে কিনা নতুন গাড়ী

শ্ৰীএ, এন আক্ৰাম হুচেইনে সুধিছে ঃ

*২১১। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) শ্বিলঙৰ পৰা প্ৰকাশিত "নব ভাৰত" বাতৰি-কাকতত 'একি কথা শুনি আজ' শীৰ্ষক বাতৰিটোত প্ৰকাশিত পুৰণা গাড়ী অসম চৰকাৰে নতুন বুলি লোৱাটো সঁচা নে ?

(খ) কলিকতাৰ পৰা নতুন মটৰগাড়ী আনিবলৈ পঠোৱা পৰিবহন বিভাগৰ কৰ্ম্মচাৰীসকলৰ নাম আৰু পদবী কি আৰু তেওঁলোকে ক্ৰয় কৰি অনা গাড়ীৰ সংখ্যা আৰু মূল্য কিমান ?

(গ) উক্ত গাড়ীকেইখন বৰ্ত্তমান কত আছে আৰু সেইবিলাকৰ স্থানীয় ৰেজিষ্টাৰ্ড নম্বৰ কিমান আৰু গাড়ীবিলাকৰ নিৰ্ম্মাতা কোন ?

(ঘ) প্ৰকাশিত পুৰণা গাড়ী কেইখনৰ ৰং শ্বিলঙত নে অসমৰ বাহিৰত কৰা হৈছিল ?

(ঙ) উক্ত বাতৰিত প্ৰকাশিত যিমান গাড়ী অনা বুলি খাতা-পত্ৰত দেখুৱা হৈছিল তাৰে কম হোৱা গাড়ীখনৰ মূল্য কিমান ?

(চ) উক্ত অভিযোগসমূহ তদন্ত কৰাৰ বাবে চৰকাৰে উচ্চ ক্ষমতাসম্পন্ন কমিটি কৰি দিব নে ?

পৰিবহন মন্ত্ৰী শ্ৰীপ্ৰবীন কুমাৰ চৌধুৰীয়ে উত্তৰ দিছে:

২১১। (ক)— সঁচা নহয়।

(খ)—শ্ৰীৰত্নেশ্বৰ গগৈ, সহকাৰী ইঞ্জিনীয়াৰ, অসম ৰাজ্যিক পথপৰিবহন বিভাগ আৰু শ্ৰীৰফিকুল ৰহিম, পৰিবহন বিষয়া (পুল) । তেওঁলোকে অনা মটৰগাড়ীৰ সংখ্যা ৮ খন আৰু তাৰ মুঠ মূল্য হ'ল ১, ৪৩, ৯৬৪ .৬ পইচা।

(গ)—গাড়ীকেইখন বৰ্ত্তমান পৰিবহন বিভাগৰ পুলত আছে। এই গাড়ীকেইখনৰ নম্বৰ হ'ল—ASA-7990, ASA-7992, ASA-7996, ASA-8000, ASA 8002, ASA-8004, ASA 8005 আৰু ASA-8006।

(ঘ)—যিহেতু গাড়ীবোৰ পুৰণি নাছিল, খিলঙত বা অইন ঠাইত নতুনকৈ ৰং কৰা প্ৰশ্নটো নুঠে।

(ঙ)—মুঠতে আঠখন গাড়ীৰ অৰ্ডাৰ দিয়া হৈছিল আৰু আটাইকেইখন পোৱা হৈছে।

(চ)—ওপৰত উল্লেখ কৰা মতে কথাটো যিহেতু "সঁচা নহয়," উচ্চ ক্ষমতাসম্পন্ন কমিটিৰ দ্বাৰা তদন্ত কৰা প্ৰশ্নটো নুঠে।

শ্ৰীএ, এন, আক্ৰামি হুচেইন (ক)ৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে কৈছে সঁচা নহয়। যদি সচা নহয় তাৰ কাৰণে কোনো প্ৰতিবাদ হোৱা নাই কিয়? গতিকে এই কথা জানিব পাৰোনে এই গাড়ী কেইখন কোন কোন মন্ত্ৰী বা কোন কোন বিষয়াক দিয়া হৈছিল আৰু মন্ত্ৰী বা বিষয়া সকলে কি কি কাৰণত সেই বিলাক গাড়ী ঘুৰাই দিছে?

শ্ৰীপ্ৰবীণ কুমাৰ চৌধুৰী কোনো মন্ত্ৰী বা বিষয়াক দিয়া হোৱা নাই। গাড়ী কেইখন পুলত আছে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (ক)ৰ উত্তৰৰ মন্ত্ৰী মহোদয়ে কৈছে সচা নহয়, গতিকে আমি কবলৈ বাধ্য যে মন্ত্ৰী মহোদয়ৰ উত্তৰো সচা নহয় কাৰণ সিদিনা আমি এচেম্বলিৰ পৰা delegation এটা কৰিমগঞ্জলৈ যাওঁতে, আপোনাৰ কাষত বহা মন্ত্ৰী মহোদয়ো গৈছিল। আলু গুদামৰ ওচৰ পাওঁতেই ২ খন গাড়ী বেয়া হ'ল। কোনো ৰকম থেলি মেলি কৰিমগঞ্জ গৈ পালো। এই গাড়ী বিলাকৰ যন্ত্ৰপাতি বদলাই পুৰণা যন্ত্ৰপাতি ভৰোৱা বুলি দুৰ্যোৰ সন্দেহ আছে। গতিকে মই মন্ত্ৰী মহোদয় আৰু মুখ্যমন্ত্ৰীক কওঁ যে যদি তেখেতসকলৰ সত্যৰ প্ৰতি আস্থা আছে ইয়াৰ এটা ব্যৱস্থা লব লাগে। আমাৰ বিৰোধী পক্ষৰ ফালৰ বুলিয়ে নহয় বাকী সকলৰ মাজতো প্ৰচাৰ হৈছে এই গাড়ী বিলাক বেয়া বুলি। গাড়ী বিলাকৰ যিটো original part সেই part বিলাক বদলাই তাত ৰং কৰি দিছে। গতিকে এই গাড়ী কেইখনৰ deal সম্পৰ্কে যথেষ্ট সন্দেহ আছে। এই সম্পৰ্কত উচ্চ পৰ্য্যায়ৰ এটা তদন্ত কৰিব লাগে যাতে ৰাইজৰ টকা অপচয় নহয়।

কলিকতাত পুৰণা গাড়ী বিলাক নিলামত লৈ ৰংচং কৰি পুৰণা গাড়ীকেই নতুন বুলি বিক্ৰী কৰে? এই কথা চৰকাৰে অনুসন্ধান কৰিবনে?

Mr. Speaker—The Minister has already said that he will enquire about it.

শ্ৰীএন আক্ৰাম হুচেইন—মোৰ প্ৰশ্নটো আছিল "কোন কোন মন্ত্ৰী আৰু

বিষয়াক এই গাড়ী বিলাক দিয়া হৈছে" কিন্তু পৰিবহন মন্ত্ৰী ডাঙৰীয়াই কৈছে যে এই গাড়ী বিলাক কোনো মন্ত্ৰীকে দিয়া হোৱা নাই। কিন্তু অতুল গোস্বামী ডাঙৰীয়াই কৈছে যে ৰাজহ মন্ত্ৰীক দিছে। আমি জনাত পৰিবহন বিভাগৰ মন্ত্ৰীয়েও এনেকুৱা এখন গাড়ী ব্যৱহাৰ কৰিছে আৰু সেই গাড়ীখনো ভাঙিছে Fishery মন্ত্ৰী ডাঙৰীয়াৰ গাড়ীৰো এক্সেইল ভাঙিছে। মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই আগতে এই সম্পৰ্কত তদন্ত কৰা হব বুলি কৈছিল আৰু তেখেতে কৈছিল যে পৰিবহন মন্ত্ৰীয়ে তেখেতক জনাইছিল যে এই গাড়ী বিলাক অচল হোৱাৰ কাৰণ Manufacturing Defect গতিকে এই গাড়ী বিলাক যি কোম্পানীৰ পৰা অনা হৈছিল সেই কোম্পানীক গাড়ী বিলাক ঘূৰাই দি চৰকাৰে টকা খিনি আদায় কৰিবনে আৰু পৰিবহন মন্ত্ৰীয়ে যিবিলাক কৰ্ম্মচাৰীক এই গাড়ী পৰীক্ষা কৰিবলৈ পঠাইছিল তেওঁলোকক এই তদন্তৰ কাল-ছোৱাত suspend কৰি ৰাখিবনে ?

Mr. Speaker : The Chief Minister has assured an enquiry.

শ্ৰীএ,এন,আক্ৰাম হুচেইন : They will saboatge the en quiry. This is why we demand that all the officers should be suspended. নহলে সেই মানুহ বিলাকে সাক্ষী বেয়া কৰিব। সেই কৰ্ম্মচাৰী সকলক suspnd কৰিব লাগে। আৰু মুখ্য মন্ত্ৰীয়ে এইটো নিজৰ হাতলৈ নিব লাগে।

শ্ৰীপ্ৰবীণ কুমাৰ চৌধুৰী : এই গাড়ী বিলাক পুৰণা গাড়ী নহয়। মুখ্যমন্ত্ৰীয়ে সেইটো অটমোবাইল ইঞ্জিনিয়াৰৰ দ্বাৰা তদন্ত কৰোৱা হব বুলি কৈছে।

### ৰাজগড়ত পশু-চিকিৎসালয়ৰ বাবে আবেদন

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে :

*২১২। মাননীয় পশু-চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে জনাব নে—

(ক) টিংখাং ৰাজগড়ত এটা পূৰ্ণাঙ্গ পশু-চিকিৎসালয় বিচাৰি ৰাইজে কৰা আবেদন পাইছে নে ?

(খ) এই চিকিৎসালয়খনৰ বাবে চৰকাৰে কিমান মাটি অধিগ্ৰহণ কৰিছে ?

(গ) এই বছৰৰ ভিতৰত চিকিৎসালয়খন হৈ উঠিব নেকি ?

পশু-চিকিৎসা বিভাগৰ মন্ত্ৰী শ্ৰীপ্ৰবীন কুমাৰ চৌধুৰীয়ে উত্তৰ দিছে :

(ক)—হয়।

(খ)—১৫ বিঘা মাটি লোৱা হৈছে।

(গ)—এই বছৰত পশু-চিকিৎসালয় হোৱাৰ সম্ভাৱনা নাই। কিন্তু পশু-চিকিৎসা কেন্দ্ৰ ইতিমধ্যে সম্পূৰ্ণ হৈছে।

### ৰংজুলিত ষ্টেট্ ট্ৰেন্সপোৰ্ট মটৰ ষ্টেশ্যনৰ বাবে মাটি অধিগ্ৰহণ

শ্ৰীশৰৎ চন্দ্ৰ ৰাভাই সুধিছে :

*২১৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) দুধনৈ ৰেভিনিউ চাৰ্কোলৰ দুধনৈবাসী শ্ৰীঅনিল চন্দ্ৰ নাথৰ ৰংজুলীত ষ্টেট্ ট্ৰেন্সপোৰ্ট মটৰ ষ্টেশ্যান কৰাৰ কাৰণে মাটি অধিগ্ৰহণ কৰা হৈছিল নে ?

(খ) যদি হৈছিল, কিমান তাৰিখত ?

(গ) এইটো কথাও সঁচা নে যে উক্ত মাটি অধিগ্ৰহণৰ ফলত ক্ষতিপূৰণৰ ক্ষেত্ৰত

গোৱালপাৰা মুনচিফ কোৰ্টত মোকৰ্দমা হৈছিল ?
(ঘ) উক্ত মুনচিফ কোৰ্টে এই মোকৰ্দমাৰ ৰায় কি দিলে ?
(ঙ) মুনচিফ কোৰ্টৰ ৰায় মতে উক্ত নাথক ক্ষতিপুৰণৰ টকা দিয়া হল নে ?
(চ) যদি দিয়া হোৱা নাই তেনেহলে দিবলগীয়া টকাৰ সুদ ক্ৰমে বাঢ়ি যোৱাৰ কথা চৰকাৰে জানে নে ?
(ছ) কিমান তাৰিখৰ ভিতৰত আদায় দিয়া হব ?

ৰাজহ বিভাগৰ মন্ত্ৰী শ্ৰীবিশ্বদেৱ শৰ্মাই উত্তৰ দিছে :

২১৩। (ক) হয়।
(খ)—২২।১।৫৮ তাৰিখত।
(গ)—হয়।
(ঘ) উক্ত মুনচিফ কোৰ্টে ক্ষতিপুৰণ চৰকাৰে দিয়া ১০০ টকাৰ ঠাইত ১,৬৫০ টকাত নিৰ্দ্ধাৰণ কৰে আৰু লগতে শতকৰা ৬ টকা সুদ ভূমি অধিগ্ৰহণ কৰা তাৰিখৰ পৰা দিবলৈ ৰায় দিয়ে।
(ঙ)—নাই হোৱা।
(চ)—হয়, জানে।
(ছ)—অতি সোনকালে আদায় দিয়াৰ ব্যৱস্থা কৰা হৈছে।

শৰৎ চন্দ্ৰ ৰাভাঃ এই বিলাকৰ সুত দিয়া হবনে নহয় ?

শ্ৰীবিশ্বদেৱ শৰ্মাঃ হব। এতিয়া position টো এনেকুৱা হৈছে যে S. D. O. ৰ ওচৰত টকা জমা আছে। মানুহে গৈ টকা আনিলেই হব। তেওঁলোকে সুত সহ টকা পাব,

শ্ৰীশৰৎ চন্দ্ৰ ৰাভাঃ এইটো জানিব পাৰিছো যে টকা দিছে কিন্তু সুত দিয়া নাই।

শ্ৰীবিশ্বদেৱ শৰ্ম্মাঃ সেইটো খবৰ মই নাজানো।

শ্ৰীশৰৎ চন্দ্ৰ ৰাভাঃ খবৰ কৰি জনাবনে ?

শ্ৰীবিশ্ব দেৱ শৰ্ম্মা খবৰ কৰি জনাম।

Re: Semen Bank

Shri KANDARPA NARAYAN BANIKYA asked :

*214. Will the Minister-in-charge of Veterinary be pleased to state—

(a) Whether it is a fact that there was a Semen Bank at Abhayapuri Veterinary Dispensary under Goalpara Subdivision ?
(b) If so, whether it is functioning now ?
(c) If not, the reasons for its discontinuance ?
(d) Whether Government propose to start the same again ?
(e) If not, why ?

Shri ATAUR RAHMAN (Minister, Livestock) replied :

214. (a)—There is no Semen Bank at Abhayapuri. There is an Urban Key Village Block at Abhayapuri which main-

tains two bulls.

(b)—It is functioning as a Key Village Block and not as Semen Bank.

(c)—Does not arise.

(d)—Does not arise.

(e)—Does not arise.

বিদেশী পৰ্য্যটকসকলৰ বাবে সা-সুবিধা

শ্ৰীমহীধৰ পেগুয়ে সুধিছে ঃ

*২১৫। মাননীয় পৰ্য্যটক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে

(ক) কাজিৰঙা অভয়াৰণ্য পৰিদৰ্শন কৰিবলৈ অহা অচিনাকি দেশী-বিদেশী পৰ্য্যটকসকলক আৱশ্যকীয় অভ্যৰ্থনা আৰু তেওঁলোকৰ বিশ্ৰামৰ বাবে টুৰিষ্ট বাংলা কিম্বা টুৰিষ্ট লজ আদিলৈ নিবলৈ আৰু অন্যান্য সহায়-সাৰথিৰ বাবে যথাস্থানত অভ্যৰ্থনাকাৰী আনকি চকিদাৰ এটা নথকাৰ ফলত সেই লোকসকলে অকথনীয় দুৰ্দশাৰ সন্মুখীন হৈ থকা কথাৰ প্ৰতি চৰকাৰ সজাগ নে ?

(খ) যদি সেয়ে হয় তেন্তে এনে অবাঞ্ছিত অৱস্থাৰ প্ৰতিবিধানকল্পে চৰকাৰে কি ব্যৱস্থা হাতত লব খোজে ?

পৰ্য্যটক বিভাগৰ মন্ত্ৰী শ্ৰীপ্ৰবীন কুমাৰ চৌধুৰীয়ে উত্তৰ দিছে ঃ

২১৫। (ক)—চৰকাৰে এনে কোনো অভিযোগ পোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

শ্ৰীমহীধৰ পেগুঃ এই সদনৰ বাহিৰে বহুতো নেতৃস্থানীয় লোকৰ প্ৰমাণ আছে যে বিদেশী পৰ্য্যটকৰ বাহিৰেও অসমৰ ভিতৰৰ বহুতো মানুহে কাজিৰঙাৰ কথা নাজানে। আৰু এটা Transport বাছৰ stoppage নাই। আৰু সেই কাৰণেই বিদেশী পৰ্য্যটক সকলৰ Tourist Lodge পাবলৈ বহুতো অসুবিধা হয়। গতিকে তাত এটা স্থায়ী Stoppage আৰু দেখুৱাই দিয়া মানুহ ৰখাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীপ্ৰবীণ কুমাৰ চৌধুৰীঃ মাননীয় সদস্যৰ পৰামৰ্শ মই মানি লৈছো। সেই হিচাপে তাত এটা Stoppage আৰ এজন চকীদাৰ ৰখাৰ ব্যৱস্থা কৰা হব।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱাঃ অকল Stoppage আৰু এটা চকীদাৰ দিলেই এই ব্যৱস্থা ঠিক নহব। মই নিজেই দুজনমান foreign dignitaryক সেই ঠাইত Tourist Lodge দেখুৱাই দিব লগীয়াত পৰিছিল। গতিকে এই কাৰ্য্যৰ বাবে শিক্ষিত যুবকক Recetionist কৰি ৰাখিবনে ?

শ্ৰীপ্ৰবীণ কুমাৰ চৌধুৰীঃ ইয়াত এজন Information অফিচাৰ দিয়া হব।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱাঃ তেখেত বাছ Stoppage ত থাকিব লাগিব।

শ্ৰীপ্ৰবীণ কুমাৰ চৌধুৰীঃ সেইটো কৰা হব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী : বিদেশী পৰ্য্যটক সকলে কাজিৰঙা সম্বন্ধে একোৱেই নাজানে ? আৰু এই সম্পৰ্কীয় কোনো Booklet ও নাই। কাজিৰঙাৰ ওচৰতে হাটীখুলি নামৰ এখন চাহ বাগিচা আছে। এবাৰ এখন Booklet ত এই হাটীখুলি বাগানত হাতীৰ খলী আছে বুলি লিখা আছে। আৰু বিদেশী

পৰ্যটক সকলে আহিলে সোধে—Where is that Hati Khali ? এই বিলাক সংশোধন কৰি ভালকৈ প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীপ্ৰবীণ কুমাৰ চৌধুৰীঃ সেইটো চোৱা হব।

শ্ৰীমহীধৰ পেগুঃ এই সম্পৰ্কত বিদেশী পৰ্য্যটক সকলে কলিকতাত খবৰ আদি সংগ্ৰহ কৰি চিলঙলৈ আহে। আৰু তাৰ পাচত কাজিৰঙালৈ গৈ বাছ Stop ৰ ঠাইত Information Officer নথকাৰ কাৰণে নিজেই Tourist Lodge, হাতী আদিৰ ব্যৱস্থা নিজেই কৰিব লাগে। তেওঁলোকৰ যাতে কোনো ক্ষেত্ৰতে অসুবিধা নহয় তাৰ কাৰণে কৰ্মচাৰীৰ ভাল ব্যৱস্থা কৰাটো চৰকাৰে আৱশ্যক বুলি নাভাবেনে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱাঃ গুৱাহাটীৰ বিমান কোঠত যিটো Information centre আছে সেইটোৰ অৱস্থা বৰ শোকলগা। বিদেশী পৰ্য্যটকৰ সুবিধাৰ কাৰণে কোনো ৰকমে লেখত লবলগীয়া Information তাত পোৱা নাযায় আৰু তাত থকা মানুহজনেও কোনো কথা কব নোৱাৰে। গতিকে সেই কেন্দ্ৰটো Re-organiseৰ কৰি অভিজ্ঞতা আৰু জ্ঞান থকা উচ্চ পৰ্য্যায়ৰ এজন কৰ্মচাৰী নিযুক্ত কৰিবনে ?

শ্ৰীপ্ৰবীণ কুমাৰ চৌধুৰীঃ মই এই বিভাগলৈ অলপতে আহিছোঁ। গতিকে কেনেকৈ কি কৰিলে ভাল কৰিব পাৰি সেইটো কৰিম।

শ্ৰীঅতুল গোস্বামীঃ Tourist Lodge ত সঘনে পানী আৰু আলোক বিজুতি ঘটে। এই বিজুতি দূৰ কৰিবলৈ আৰু ঘৰটো ডাঙৰ কৰিবলৈ চৰকাৰে ব্যৱস্থা কৰিবনে ?

শ্ৰীপ্ৰবীণ কুমাৰ চৌধুৰীঃ মই নিজেই এই বিলাক খবৰ কৰি অসুবিধা দূৰ কৰিবলৈ চেষ্টা কৰিম।

মিঃ স্পীকাৰঃ এই প্ৰশ্নটো স্থগিত থাকিল।

## Re : Police Out-post at Lawngtlai

Shri LALCHUNGA CHINZAH asked :

*216. Will the Chief Minister be pleased to state—

(a) Whether in view of the general insecurity of Government servants in Lawnstlai in Mizo District, there was a demand for opening of a Police Out-post at Lawngtlai ?

(b) If so, why the said out-post has not been established as yet ?

(c) Who are guarding the huge Government supply godowns and other properties ?

(d) In absence of Police for duty, how the safety of Civil Officers is guaranteed in view of the fact that more than one murders have been committed at the place by the M. N. F. ?

Shri MAHENDRA MOHAN CHOUDHURY ( Chief Minister ) replied :

216. (a)—It is not a fact that there is sense of insecurity among the Government servants at Lawngtlai. However, a demand for opening a Police Out-post there has been received.

(b)—The proposal is under examination.

(c)—At present Security Forces stationed at Lawngtlai are guarding the Godowns and other installations.

(d) —The Security Forces stationed at Lawngtlai are looking after the security of the people living there.

Re : Payment of maintenance charges for Water Works by the Karimganj Municipality

Shri ROTHINDRA NATH SEN asked :

*217. Will the Minister-in-charge of Municipal Administration be pleased to state—

(a) Whether it is a fact that persistent default on the part of the Karimganj Municipality in the matter of payment of monthly maintenance charges to Public Health Engineering Department it has become extremely difficult to run the Water Works at Karimganj and at times the Public Health Department, Karimganj had to stop supply of water causing great sufferings for the rate payers ?

(b) What steps the Government propose to take to save the public from such sufferings in future ?

(c) When the second phase of Water Works installation in Banamali, Subhas Nagar, Silchar Road and Bazar area of Karimganj Municipality is expected to be completed and supply of water to that part of the Municipality commenced ?

Shri RAMESH CHANDRA BAROOAH ( Minister, Municipal Administration ) replied :

217. (a)—It is a fact that due to paucity of funds it has not been possible on the part of this Municipality to make regular payment of the monthly maintenance cost of Water Supply since May 1969. But supply of water had never been stopped except once for two hours only in the morning of 23rd June 1970 which also was due to misunderstanding. Otherwise, payment has been made by local arr-

angement between the Municipality and the Public Health Engineeriug Department, and the rate-payers have never suffered for want of non-supply of water.

(b)—Does not arise in view of reply at (a).

(c)—Seventy five per cent of laying of pipe lines are expected to be completed by end of 1971-72 and the rest by 1972-73 immediately after which water supply to the areas (Banamali, Subash Nagar, Silchar Road and Bazar area) shall be commenced.

Re : Audit of the accounts of the Kharupatia Government Aided High School

Md. MATLEBUDDIN asked :

*218. Will the Minister-in-charge of Education be pleased to state—

(a) When the accounts of the Kharupatia Government Aided High School have been audited by the Auditor of the Local Accounts and on what occasions ?

Period of audit
1957-59
1959-61
1965-66
1966-67
1967-69
1969-70

(b) Whether the audit reports have so far been received by the School and the Department concerned ?

(c) If not, what are the reasons for delay ?

(d) Whether the Government will expedite sending of the audit reports to the School concerned ?

Shri SARAT CHANDRA GOSWAMI (Minister of State for Education) replied :

218. (a)—The accounts of the School have been audited for the periods and dates as shown below—

| Date of completion | Date of issue of audit report |
|---|---|
| Ist June 1960... | 6th February 1962. |
| 3rd March 1962 | 22nd December 1962. |

| | | |
|---|---|---|
| 1961-65 | ...4th January 1966. | 11th July 1967. |
| 1965-66 | ...15th October 1966. | 6th April 1971. |
| 1966-57 | ...8th May 1968 | 6th April 1971. |
| 1967-69 | ...27th June 1969 | 6th April 1971. |
| 1969-70 | ...7th August 1970. | The report is yet to be issued. |

(b)—All the audit reports have been issued and sent to the School concerned except the audit report for 1969-70

(c)—The delay is reported to be due to accumulation of arrears in the office of the Examiner of Local Accounts, Assam.

(d)—Yes, the Examiner, Local Accounts is making every effort to liquidate the the arrears.

**Re: English medium Classes in Abhayeswari H. S.**

Shri KANDARPA NARAYAN BANIKYA asked:

*219. Will the Minister-in. charge of Education be pleased to state—

(a) Whether Government is going to start English medium Classes in Abhayeswari H. S. and M. E. School in the district of Goalpara ?

(b) If so, when the classes will start ?

(c) Whether new teachers that will be required for the purpose will be recruited locally ?

(d) If not, why ?

Shri SARAT CHANDRA GOSWAMI (Minister of State for Education ) replied :

219. (a) –There is no such immediate proposal.

(b), (c) & (d)—Do not arise.

পঞ্চৰত্ন-যোগীঘোপা পাৰঘাট

শ্ৰীবিনয় কৃষ্ণ ঘোষে সুধিছে :

*২২০। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) পঞ্চৰত্ন-যোগীঘোপা পাৰঘাট এটা গুৰুত্বপূৰ্ণ পাৰঘাট আৰু বহুতো যাত্ৰী এই পাৰঘাটটোৰে অহাযোৱা কৰে, এই বিষয়ে চৰকাৰে অৱগত আছেনে ?

(খ) যোগীঘোপা আৰু পঞ্চৰত্নত কোনো জিৰণীঘৰ নথকাত যাত্ৰীসকল বৰষুণত

তিতিব লগা হয় আৰু ব'দত কষ্ট পায়, এই বিষয়ে চৰকাৰে অৱগত নে ?
(গ) যদি অবগত হয় তেন্তে চৰকাৰে অতি সোনকালে পঞ্চৰত্ন আৰু যোগীঘোপাৰ যাত্ৰীৰ বাবে ছুটা জিৰণীঘৰ সাজিবৰ ব্যৱস্থা হাতত লব নে ?

পৰিবহন বিভাগৰ মন্ত্ৰী শ্ৰীপ্ৰবীন কুমাৰ চৌধুৰীয়ে উত্তৰ দিছে ঃ

২২০। (ক)—হয়।
(খ)—হয়।
(গ)—ধনৰ অভাব নহলে ১৯৭১-৭২ চনৰ ভিতৰত ঘাটৰ দুয়োপাৰে ছুটা জিৰণীঘৰ সজাবৰ ব্যৱস্থা হাতত লোৱা হব।

চৰকাৰী চাকৰিয়ালৰ মাননী গ্ৰহণ

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে ঃ

*২২১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—
(ক) যোৱা ১৯৭০ চনৰ ২০ জুলাই 'জনমভূমি' কাকতৰ দহ পৃষ্ঠাত প্ৰকাশিত "সঁচা নে" শীৰ্ষক বাতৰিটো সত্য নেকি ?
(খ) যদি সত্য হয়, প্ৰকাশিত বাতৰিটোৰ সন্দৰ্ভত আচলতে লিডুৰ শিক্ষানুষ্ঠানটোৰ নাম কি ?
(গ) স্কুলখনে আচলতে মঞ্জুৰী পাইছিল আৰু কোন চনত কিমান পাইছিল ?
(ঘ) তিনিচুকীয়াৰ সংশ্লিষ্ট বিভাগৰ কাৰ্য্যালয়টোৰ মাননী গ্ৰহণ কৰা বিষয়াজন কোন ?
(ঙ) এনেদৰে মাননী লোৱাৰ পৰা ৰক্ষা পোৱাৰ উপায় কি ?
(চ) এনেকুৱা মাননী অসমৰ আৰু কিমান কাৰ্য্যালয়ে লৈছে বুলি চৰকাৰে খবৰ পায় ?

ৰাজিক শিক্ষামন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ গোস্বামীয়ে উত্তৰ দিছে ঃ

২২১। (ক)—সত্য নহয়।
(খ)—প্ৰশ্ন নুঠে।
(গ)—প্ৰশ্ন নুঠে।
(ঘ)—প্ৰশ্ন নুঠে।
(ঙ)—প্ৰশ্ন নুঠে।
(চ)—এনে ঘটনাৰ কথা চৰকাৰে নাজানে।

**Rc : Possession of lands in Refugee Colonies No 1 and 2 of Goalpara Town**

Shri BENOY KRISHNA GHOSE asked :

*222. Will the Minister-in-charge of Relief and Rehabilitation be pleased to state—
(a) When the possession of lands in Refugee Colonies Nos. 1 and 2 of Goalpara Town were delivered to the refugees ?
(b) Whether it is a fact that the said colonies are situated in the low lying area of the town ?

(c) Whether the Government has ever constructed roads in the colony ?

(d) If not, why ?

(e) Whether the Minister has recently visited the said colonies and the refugees had demanded immediate construction of two roads ?

(f) Whether it is a fact that the Goalpara Municipality has pleaded its inability to construct roads in the Refugee Colony because the roads have not yet been handed over to the said Municipal authority and it has no funds at its disposal at present ?

Shri ABDUL MATLIB MAZUMDAR (Minister, Relief and Rehabilitation ) replied :

222. (a)—In 1962.

(b)—Yes.

(c) & (d)—Although there are already approach roads in the colonies, no 'pucca' roads could be constructed as the area is low lying and remains under water for more than 4 months in a year. As such, before any 'pucca' approach roads could be made, intensive earth filling work has to be done and sufficient drainage provided.

(e)—Yes.

(f)—Yes.

Re : Master Plan for Jorhat

Shri DULAL CHANDRA BARUA asked :

*223. Will the Minister-in charge of Town and Country Planning be pleased to state--

(a) Whether the Government has finished the Master Plan for the Jorhat Town ?

(b) If so, when the Master Plan project will be implemented ?

Shri KAMAKHYA PRASAD TRIPATHY ( Minister, Town and Country Planning ) replied :

223. (a) & (b)—The final Master Plan for Jorhat is almost finalised. The Town Planner will submit the same to Goverment on or before 15th May 1971. On receipt, the final Master Plan will be placed before the Assam Town and Country Planning Advisory Council for approval and decision to set-up a Developm nt authority for Jorhat to implement the Master Plan.

## UNSTARRED QUESTIONS AND ANSWERS

(To which replies were laid on the table).

Re : P.W.D Road from Deohati to the end of Abhayapuri Town

Shri KANDARPA NARAYAN BANIKYA asked :

31. Will the Minister, P.W.D. (R, & B.) be pleased to state—

(a) Whether the Public Works Department Road from the National Highway at Deohati upto the end of the Ward No. 1 Abhayapuri town is being widened ?

(b) When the work will be completed ?

Shri ALTAF HOSSAIN MAZUMDER [Minister, P.W.D. ( R. & B. ) ] replied :

31. (a)—Presumably the Honourable Member means either North Salmara-Abhayapuri Road or Dharmapur-Borghola road. If the presumption is correct, then only the Ist one K.M. of D.B. road within town portion is being widened.

(b)—This work is expected to be completed by 31st December, 1971.

Re : Circle Office at Baitamari

Shri MATHURA MOHAN SINHA asked :

32. Will the Minister, Revenue be pleased to state—

(a) Whether Government is aware that the Circle Office of Baitamari has been running still in the rented houses at Mali-gaon ?

(b) If so, since when it has been functioning in the rented houses ?

(c) Whether the rents of these houses have been fixed ?

(d) If so, whether the rents have been paid to the owners ?

(e) If not, why ?

Shri BISWADEV SARMA (Minister, Revenue) replied :

32. (a)—Yes.

(b)—Since 15th May 1968.

(c)—Yes.

(d)—No

(e)—Due to delay in completion of certain formalities.

**Ruling by the Chair—Obstruction at the introduction stage of the Assam Agricultural Produce Marketing Bill 1970**

Mr. Speaker : Hon' member Shri Govinda Kalita gave notice of a Bill, namely the Assam Agricultural Produce Marketing Bill, 1970 on 14th September, 1970. After necessary scrutiny in the office of the Assembly Secretariat, it was found that the Bill required the previous sanction of the President under the proviso of Clause (b) of Article 304 of the constitution for the introducution of the Bill in the House. The Bill was therefore sent to the Government of India for obtaining the sanction of the President on 16th November, 1970. No sanction having been received, several reminders including some telegraphic reminders were sent to the Government of India. Thereafter the Government of India forwarded some views of some of the Ministries of the Govt. of India on different provisions of the Bill with a request to send the comments of the State Government on the same, and the same were received on 10 th February, 1971. The Government of India's request was communicated to the State Government on 11th February, 1971 but uptil now no comments have been forwarded to Govt. of India by the State Government.

On these facts Shri Kalita gave notice of a privilege motion under rule 158 of the Rules of Procedures and Conduct of Business in Assam Legislative Assembly against the Minister-in-charge of Agriculture on 27th April, 1971. In moving the motion Shri Kalita submitted among others that the Assam Government, by not sending their comments to the Government of India has delayed the grant of sanction to his Bill by the Government of India with a view to obstruct Shri Kalita from exercising his right to introduce his Bill in the House. In the meantime the Government have prepared a Bill on the same subject with the intention of debarring Shri Kalita from introducing his Bill. So he submitted that the Govt. have commited a gross breach of privilege of a member of the House.

Hon'ble members Shri Sailen Medhi, Shri Atul Chandra Goswami, Shri Dulal Chandra Borua participated in the

discussion in support of the other motion. Hon'ble Shri Ataur Rahman, Minister, Agriculture, expressed regret for the delay in making the comments available to the Assembly Secretariat and assured that these will be sent very shortly.

There is no doubt that to move for leave to introduce a Bill is a very valuable right given to a private Member under rule 65 of the rules of the House. The time taken for sending the comments by the State Government as desired by the Central Government has been inordinately long. I must say that such delay is very much regret able. In fact the Minister for Agriculture himself has expressed regret for the delay and has assured that the comments would be sent very shortly. I must emphasise that the comments should be sent without any further delay and that more importance and quicker attention should be given to such matters relating to exercise of the rights by Private Members.

The next question is whether delay in sending the comments can be construed to have constituted a breach of any privilege of a member. Aaticle 194 of the constitution has defined the powers, privileges and immunities of the Legislature and its members. The right of a member to move for leave to introduce a Bill is a right given under the Constitution and the rules. It is not a privilege as envisaged under Article 194. So its breach does not constitute a breach of privilege. I may be permitted to quote Kaul and Shakdher at page 218 of their book "Practice and Procedure in Parliament" where it has been stated that "breaches of rules, conventions and practices, etc., are not regarded as breaches of privilege. If breahes, etc. take place they may invite the displeasure of the Speaker or censure of the House on a proper motion. I have not come across any decision or precedent where such lapses on the part of the Government have been treated as a breach of privilege. I, therefore, hold that there has been no breach of privilege as alleged and hold the motion to be out of order.

Shri Lakhyadhar Choudhury : Sir, we bow down to your ruling but there is one point which needs some clarification. There are two issues involved in this. One is the delay in bring-

ing Shri Govinda Kalita's Bill in the House. Secondly, The Government has a contemplation to bring in a Bill of the same kind as that of Shri Kalita's Bill. So, we want your protection there. Whether we will wait for Shri Kalita's Bill to come up or the Government Bill will come up?

Mr. Speaker : That is not the issue before me. The issue before me was whether there was any breach or privilege by the Government for delaying the comments to the Government of India. That question whether that Bill will be taken or not, all these things will not come up now.

Shri Dulal Chandra Barua : Sir, with due regard to your rulng, I may be permitted to seek a clarification. The issue amounted to breach of privilege because two aspects were involved there. No. 1, the Government failed to inform the House or inform the member who sponsored the Bill about the fate of the Bill—whether the comments had been obtained or not. No. 2, while Bill was pending from one Hon' Member before the House, another Bill was proposed to be introduced from the Government side. By doing so, the Government is trying to obstruct one of the hon' Members in discharging his duties. as a representative of the people in this House. That point is not clear to us.

Mr. Speaker : The main issue was whether there was any breach of privilege. All these things will come later on and then decision will be given.

Voting On Demands For Grants

Demand Nos. 46, 46A, 19, 24, 25, 44, 45, 47, 72 and 98

Shri Kamakhya Prasad Tripathi Minister, Finance : Sir I move Grant No. 46.

Mr. Speaker : I put the question. The question that grant No. 46 * be passed.

( The motion was adopted )

Shri Kamakhya Prasad Tripathi : I move grant No.46A

Mr. Speaker : There is no cut motion. I put the question. The question is that grant No. 46A * be passed.

( The motion was adopted )

Shri Mahendra MohanChaudhary: I begto move grant No.19.

---

*Speech not corrected

Mr. Speaker : There is no cut motion. I put the question. The question is that grant No. 19* be passed.

( The motion was adopted )

Shri Mahendra Mohan Chaudhury : I beg to move grant Nos. 24, 25, 44, 45, 47, 72, and 98.

Shri Dulal Chandra Barua : We move all the cut motions.

Shri Atul Chandra Goswami : I move my cut motion.

* মঞ্জুৰী নং ৪৬

[ হিচাবৰ শিতান—"৩৯—বিবিধ সামাজিক আৰু উন্নয়ন মূলক সংগঠন—অন্যান্য বিবিধ সংস্থাসমূহ—III—যোজনা সংস্থা সমূহ (ৰাজ্যিক)"]

শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপঠীয়ে উত্থাপন কৰিবলগীয়া :

মহোদয়,

অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজোঁ যে ১৯৭২ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত "৩৯—বিবিধ সামাজিক আৰু উন্নয়নমূলক সংগঠন—অন্যান্য বিবিধ সংস্থাসমূহ—III—যোজনা সংস্থা সমূহ (ৰাজ্যিক)" শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত ব্যয় বহন কৰিবলৈ প্ৰয়োজনীয় ৪,৫৩,০০০ টকাৰ কাৰণে ভাৰপ্ৰাপ্ত মন্ত্ৰীক ৩,২৪,৮০০ টকা মঞ্জুৰ কৰা হওক।

কৰ্ত্তন প্ৰস্তাৱ

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা
শ্ৰীপ্ৰেমধৰ বৰা
শ্ৰীঅতুল চন্দ্ৰ গোস্বামী
শ্ৰীসোনেশ্বৰ বৰা

} উত্থাপন কৰিছে :

বাজেটৰ দাবীৰ ৪৫৩ পৃষ্ঠাত "৩৯- বিবিধ সামাজিক আৰু উন্নয়ন মূলক সংগঠন—অন্যান্য বিবিধ সংস্থাসমূহ—III—যোজনা সংস্থা সমূহ (ৰাজ্যিক) শিতানৰ, ৪৬ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৪.৩৩,০০০ টকা এটকালৈ হ্ৰাস কৰা হওক অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ৪,৩৩,০০০ টকা এটকালৈ হ্ৰাস কৰা হওক।

(এই বিভাগৰ কাৰ্যকৰি আঁচনি যুগুত কৰাত ব্যৰ্থতাৰ আলোচনা কৰাৰ বাবে)

মঞ্জুৰী নং ৪৬ 'ক'

[হিচাবৰ শিতান—"৩৯—বিবিধ সামাজিক আৰু উন্নয়ন মূলক সংগটন--অন্যান্য বিবিধ সংস্থা সমূহ--III--যোজনা সমূহ (পাৰ্ব্বত্য)"]

শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠীয়ে উত্থাপন কৰিবলগীয়া :

মহোদয়,

অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজোঁ যে ১৯৭২ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত "৩৯--বিবিধ সামাজিক আৰু উন্নয়ন মূলক সংগঠন--অন্যান্য বিবিধ সংস্থাসমূহ -III--যোজনা সংস্থাসমূহ (পাৰ্ব্বত্য)"

শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত ব্যয়বহন কৰিবলৈ প্ৰয়োজনীয় ২,৫০,০০ টকাৰ কাৰণে ভাৰপ্ৰাপ্ত মন্ত্ৰীক ১,৮৭,৫০০ টকা মঞ্জুৰ কৰা হওক।

কৰ্তন প্ৰস্তাৱ ঃ

নাই।

মঞ্জুৰী নং ১৯

[ হিচাবৰ শিতান "২৬-বিবিধ বিষয়ৰ বিভাগ -(II)- বাণিজ্য আয়ুক্ত ] শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী, মুখ্যমন্ত্ৰীয়ে উপস্থাপন কৰিছে ; মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজোঁ যে ১৯৭২ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত "২৬ বিবিধ বিষয়ৰ বিভাগ-II- বাণিজ্য আয়ুক্ত শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত ব্যয়বহুল কৰিবলৈ প্ৰয়োজনীয় ২,৩৮,৭০০ টকাৰ কাৰণে ভাৰপ্ৰাপ্ত মন্ত্ৰীক ১,৭৯,০০০ টকাৰ মঞ্জুৰ কৰা হওক।

শ্ৰীঅতুল গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি শিক্ষাৰ শিতানত যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ ওপৰত মই দুষাৰমান কথা কব খুজিছোঁ। শিক্ষা আমাৰ গণতান্ত্ৰিক দেশৰ এটা অতি প্ৰয়োজনীয় বিভাগ। শিক্ষাৰ উদ্দেশ্য, নীতি যদি ভাল নহয় তেন্তে গণতান্ত্ৰিক সমাজ ব্যৱস্থাত যথেষ্ট আঘাত আনিব। আমাৰ স্বাধীনতাৰ ২৫ বছৰৰ কালছোৱাত শিক্ষাৰ এটা স্থায়ী পদ্ধতি গ্ৰহণ কৰিব পৰা নাই। গতিকে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে যি সাংবিধানিক দায়িত্ব পালন কৰিবলগীয়া আছিল তাক পালন কৰিব পৰা নাই। আজি ২৫ বছৰৰ পাছতো গাৱঁলীয়া অঞ্চলত প্ৰাথমিক স্কুলৰ অৱস্থা দেখিলে দুখলগা। ল'ৰা-ছোৱালীবিলাকে ফটা বস্তা, ভঙা চিলেট ইত্যাদি লৈ স্কুল কৰিব লগা অৱস্থা হৈছে। স্কুল ঘৰ মেৰামতিৰ বাবে কোনো অঞ্চলত ৯ হাজাৰ, ১২ হাজাৰ বা ২০ হাজাৰ টকা দিয়ে। এটা সমষ্টিত যিমান স্কুল আছে তাত এই টকা ভগাই দিলে তেওঁলোকৰ চালবেৰ বাতিবলৈকো নাটে।

ইয়াৰ উপৰিও এই L. P. স্কুল বিলাকৰ এনেকুৱা অৱস্থা হৈছে যে কোনো কোনো L. P. স্কুলৰ ২০০, ২৫০ জনৰ মাজত মাত্ৰ ১ জন শিক্ষকহে আছে। ইয়াৰ দ্বাৰা শিক্ষাৰ কি উন্নতি হব পাৰে। চৰকাৰে কয় চাৰিও ফালে নতুন নতুন স্কুল কাঠফুলাৰ দৰে' গাজিছে কিন্তু প্ৰাইমাৰী স্তৰতে যদি ল'ৰা-ছোৱালীক ভাল শিক্ষা দিব পৰা নাযায় তেতিয়া হলে ওপৰত কেতিয়াও ভাল শিক্ষা হব নোৱাৰে। যদি শিক্ষকে ২০০/২৫০ ল'ৰা পঢ়ুৱাব লাগে তেতিয়াহলে কেতিয়াও প্ৰাইমাৰী শিক্ষা ভাল হব নোৱাৰে। সেই কাৰণে প্ৰাইমাৰী স্কুলত অন্তত পক্ষে ৩০/৪০ জনৰ মাজত এজনকৈ শিক্ষক দিয়াৰ ব্যৱস্থা হব লাগে আৰু তাকেই যদি কৰিব নোৱাৰে তেতিয়া হলে প্ৰাইমাৰী স্কুল বিলাক বন্ধ কৰি দিয়ক। High School আৰু M. E. School বিলাকৰ Managing Committee অন্তত ৩ বছৰৰ মূৰে মূৰে বহে কিন্তু L. P. স্কুলৰ ক্ষেত্ৰত ১২/১৫ বছৰেও Managing Committee নবহে। সেই কাৰণে এই স্কুল বিলাকৰ কোনো হিচাব পত্ৰ নাই। সেই স্কুলবিলাকত আনকি Board নাই Map নাই Globe নাই আৰু সেই বিলাক প্ৰয়োজন হলেও D. I. য়ে দিব নোৱাৰে কাৰণ সেইবিলাক

State Purchase Board য়ে কিনিব পাৰে। আৰু কিছুমান অনুগ্ৰহ পোৱা Firm ৰ পৰা বস্তু বিলাক কিনা হয় কাৰণে স্কুলত দিয়া Board বিলাক ৩ মাহো ব্যৱহাৰ কৰিব নোৱাৰি আৰু সেইবিলাক অতি সোনকালে ফাটি যায়। সেই কাৰণে L. P. স্কুলবিলাকতো অন্ততঃ ৩ বছৰৰ মূৰে মূৰে Managing Committee বহাৰ ব্যৱস্থা হব লাগে আৰু Audit ৰ দ্বাৰা স্কুলৰ হিচাব-পত্ৰ বিলাক ভালদৰে হব লাগে।

উদাহৰণ স্বৰূপে কওঁ Nowgong ৰ ভোৰবন্ধাৰ বীণাপাণি L. P. স্কুলৰ Head Master য়ে তেওঁৰ নিজৰ Pass Book ৰ নামত স্কুলৰ ৫০০ টকা জমা থলে আৰু সেই টকা এতিয়ালৈকে স্কুলে পোৱা নাই আৰু ইতিমধ্যে সেই মাষ্টৰজনক বদলি কৰি দিয়া হ'ল।

M. E. আৰু M. V. স্কুল কিছুমানত হিন্দী মাষ্টৰ আছে আৰু কিছুমানত নাই ফলত হিন্দী মাষ্টৰ নথকা কেবাশ ল'ৰাই হিন্দীৰ কাৰণেই ১/২ নম্বৰৰ বাবে বৃত্তি পোৱাৰ পৰা বঞ্চিত হব লগীয়া হয়। সেই কাৰণে হিন্দী মাষ্টৰ সকলো স্কুলতে দিয়াৰ ব্যৱস্থা হব লাগে। হাইস্কুলৰ ক্ষেত্ৰতো কিছুমান Deficit আছে আৰু কিছুমান Non-deficit স্কুলো আছে। যিবিলাক স্কুলে ২/৩ বছৰে ভাল Result কৰিব নোৱাৰে সেই বিলাক স্কুলৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী সকলো ভুগিব লগীয়া হয় কাৰণ সেই বিলাক স্কুলে Grant নোপোৱা হয়। কিন্তু Result বেয়া হোৱাৰ বিষয়টো পৰীক্ষা কৰি চাবলৈকো কোনো ব্যৱস্থা নাই—শিক্ষক সকলেই ইয়াৰ বাবে একমাত্ৰ জগৰীয়া নহয়। এনেকুৱা Grant নোপোৱা স্কুল গ.ৱে-ভূঞে বহুত আছে কিন্তু আমাৰ Nowong ৰ Town ৰ Dawson স্কুলখনেও আজি বহুত দিনে Grant পোৱা নাই আৰু Inspection হোৱা নাই। Inpecttor সকলে শ্বিলঙত Proforma দিয়া কামতেই ব্যস্ত থাকিব লগীয়া হোৱাত তেওঁলোকে Inspection কৰিবলৈ সময় নাপায়।

Ad-Hoc স্কুলবিলাকৰ Grant বঢ়োৱা বুলি চৰকাৰে কৈ থাকে কিন্তু আজিলৈকে কোনো স্কুলৰে Grant বঢ়োৱা হোৱা নাই। তদুপৰি Maintenance Grant বোলা এটা Grant দিয়াৰ ব্যৱস্থা আছে কিন্তু এইটো কি ভিত্তিত দিয়া হয় সেইটো আমি বুজি নাপাও মুখ্য মন্ত্ৰী ডাঙৰীয়াই যেন এই বিষয়ে ভালদৰে বুজাই দিয়ে।

High School বিলাকত N. C. C. Training দিয়াৰ ব্যৱস্থা আছে আৰু তাত ল'ৰা-ছোৱালী বিলাকক চাহ ইত্যাদি খাবলৈ দিয়া হয় কিন্তু আজি ২/৩ বছৰে N. C. C. ৰ কাৰণে পইচা নিদিয়াত N.C.C. ৰ Teacher জনে ৰাস্তাতো চাহ আদি দিয়া মানুহৰ পৰা গালি খাব লগা হৈছে যদি পইচা দিব নোৱাৰে তেনেহলে N. C. C. বন্ধ কৰি দিয়ক।

আন এটা কথা কব খুজিছো যে অসম উপত্যকাত অসমীয়া ভাষা বিশ্ববিদ্যালয়ৰ ভাষা হিচাবে গণ্য কৰিবলৈ সিদ্ধান্ত হৈ গৈছে কিন্তু B. A মহলালৈ I. A. ত অসমীয়া ভাষাতে পঢ়ি অহা ছাত্ৰ-ছাত্ৰীসকলে পঢ়িবৰ বাবে উপযুক্ত পাঠ্য-পুথিৰ ব্যৱস্থা হোৱা নাই। তদুপৰি হাইস্কুলত Non-Assamese speaking ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া পঢ়িবলৈ যি ব্যৱস্থা লব লাগিছিল সেইটো যথাযথ ভাৱে হোৱা নাই।

আজি অসম উপত্যকাত যিমানবোৰ স্কুল হৈছে আমি দেখিছো প্ৰত্যেক খন স্কুলৰেই এনেকুৱা নাম দিছে, বঙালী বিদ্যালয়, নেপালী বিদ্যালয় আদি এই হিচাবে নাম নিদি যদি তেওঁলোকৰেই কোনো ডাঙৰ নেতা ৰবীন্দ্ৰ বিদ্যালয় আদি নাম দিয়ে তেতিয়া হলে আমি বেয়া নাপাও। এনেকৈ বেলেগ বেলেগ জাতিৰ নামত, ভাষাৰ নামত যদি স্কুল বিলাক প্ৰতিষ্ঠা কৰে তেতিয়া হলে কণ কণ ল'ৰা-ছোৱালীৰ মনত জাতীয়তা বোধ নাথাকে। গতিকে এই বিলাক নামাকৰণ বাদ দি যদি কোনো ডাঙৰ ডাঙৰ নেতাৰ নামত হয় তেতিয়া হলে আমাৰ কোনো আপত্তি নাই। কাছাৰত মাতৃভাষা বঙালী হব আৰু অসম উপত্যকাত অসমীয়া মাতৃভাষা হব। ভাষিক সংখ্যালঘু ছাত্ৰ-ছাত্ৰীসকল বা তেওঁলোকৰ বয়সৰ শিক্ষাত বাধা আৰোপ কৰিব নোৱাৰে। কিন্তু ৰাজ্যিক ভাষাক কলেজীয়া পৰ্য্যায়ত চলাবলৈ হ'ল তলৰে পৰা জোৰ দি যাব লাগিব।

পাঠ্যপুথিৰ ক্ষেত্ৰত দেখিছো অৱসৰ প্ৰাপ্ত DPI আৰু বৰ্তমানৰ DPI জনৰ কিতাপ ২০ বছৰ ধৰি অসম উপত্যকাত চলিছে কিন্তু অন্য কোনো কিতাপ ২০ বছৰ চলা নাই। আকৌ নেওঁতাৰ ক্ষেত্ৰত দেখা যায় যে একে নেওঁতাকেই উজু নেওঁতা, কণমাণিৰ ধাৰাপাত আকৌ আদি-পাঠ, বাণী-পাঠ, হস্তলিপি ইত্যাদি বিলাক কৰি ছুখীয়া মানুহক হাৰাশাস্তি কৰিছে। DPI ৰ কিতাপ কাৰণে কিতাপ বদলোৱা নাই কিয়নো Bill আদি payment ৰ ক্ষেত্ৰত দিগদাৰী হব পাৰে। আকৌ Inspector অফিচৰ পৰা library grant দিয়া হৈছে। তেনে ক্ষেত্ৰত library কিতাপ হেডমাষ্টৰ আৰু librarian এ-চিলেক্ট নকৰি নিৰ্দেশ মতেহে নিৰ্দ্দিষ্ট কিতাপ কিনিব লাগে। আকৌ science grantৰ ক্ষেত্ৰত কিবা বস্তু কিনা হৈছে নে নাই খবৰ পোৱা নাই। এইবোৰ বিচ্যুতি গুচাব লাগে। কিয়নো শিক্ষা বিভাগত ছুৰ্নীতি থাকিলে জাতীয় জীৱন ছুৰ্নীতি গ্ৰস্ত হৈ পাৰে। সেই গতিকে কব খুজিছো যে শিক্ষা বিষয়ত যদি নিকা প্ৰশাসন ব্যৱস্থা নহয় তেতিয়া হলে জাতীয় জীৱনো নিকা হোৱা আশা কৰিব নোৱাৰি। আমি কিছুদিন আগতে বাতৰি কাকতত দেখিছো শিৱসাগৰৰ circuitৰ houseৰ পৰা শিক্ষা বিভাগৰ উচ্চ বিষয়া এজনৰ মটৰ গাড়ী অপহৰণ হৈছে। এইটো কেনেকৈ হ'ল। তাৰ যিবোৰ কাহিনী সেই বিলাক বিধান সভাত কব নোখোজো। মাননীয় মুখ্যমন্ত্ৰী মহোদয় শিৱসাগৰলৈ গৈ থকে গতিকে তেখেতে অলপ বহি সত্যাসত্য বিচাৰ কৰিব। শিক্ষা বিভাগৰ বিষয়াই চুৰীয়া কোচাই কিমান দ-পানীলৈ নামিছে সেইটো ভাবিলে ছুখ লগা কথা। গতিকে প্ৰথমতে DPI Office টো শুদ্ধ কৰিব লাগে। তেতিয়াহে তলৰ office বিলাক শুদ্ধ হব। কিয়নো উত্তমান্দ নিকা নহলে কাম নহয়।

Adhoc কলেজ বোৰ কেৱল maintenance grant ৰে চলিব নোৱাৰে। ৰাজনৈতিক হেচাৰ বাবে তেনেকুৱা স্কুল বা কলেজৰ ফিটা কাটিবলৈ মন্ত্ৰী সকল গলেও কোনো কাম হোৱা দেখা নেযায়।

অথচ মন্ত্ৰী সকলৰ ইঙ্গিততে এনেবিলাক স্কুল আৰম্ভ কৰা হয়। আৰু ৰাইজে শেষত বিপদত পৰে। এইফালে থকাত স্কুল লবলৈ কয় অথচ সেই ফালে গলে স্কুল লবলৈ টকা নাই বুলি কয়। ঢেৰ স্কুল খোলা বুলি কয়। দৃষ্টিকোণ বদলি যায়।

মন্ত্ৰীৰ কথাত সেই দিনা বিত্তমন্ত্ৰীয়ে কৈছিল যে grant কাকো দিয়া নাই। কিন্তু confidentially খবৰ পাইছো যে ২৫ খন স্কুললৈ হিন্দী grant গৈছে। Memo no EG/HE/1/66/261 dated 2547/ ইয়াৰ বিচাৰ কৰি ত্ৰিপাঠী ডাঙৰীয়াই Judgement দিব লাগে।

সাধাৰণ শিক্ষাৰ ওপৰত শিক্ষক সকলৰ আচৰণ পদ্ধতি আদিৰ বিষয়ে Executive Rule আছে কিন্তু শিক্ষক সকলৰ বাবে আজি এই বিধান সভাত একো চিন্তা কৰা নাই। মই ভাবো শিক্ষক সকলক গণতান্ত্ৰিক অধিকাৰ দিয়াৰ কাৰণে চৰকাৰে এখন আইন কৰিব লাগে। আৰু তাত শিক্ষক সকলৰ কি কি দায়িত্ব, কি কি কৰ্ত্তব্য আৰু কি কি ক্ষমতা থাকিব আৰু কি কি নাথাকিব সেইটো তাত থাকিব লাগে। অৱশ্যে Executive Rule হোৱাৰ ফলত শিক্ষক সকলৰ বহুতো অসুবিধা হৈছে। গণতান্ত্ৰিক Right তেওঁলোকৰ নাইকীয়া হৈছে। আমাৰ Deficit grant পোৱা স্কুলত যি সকলে কাম কৰে তেওঁলোক তাৰ পৰা আহোতে কামৰ ইস্তফা দি আহিব লাগে। গতিকে এইটো অন্যায় কৰা হৈছে।

Moulana Abdul Jalil Choudhury : আমাৰ সেই স্কুল Deficit grant পোৱা স্কুল নহয় তাত fees collection ও নহয়। মাত্ৰ এটা "লাম্পচাম" গ্ৰাণ্টহে পাইছো।

Sri Atul Chandra Goswami :— সেই কাৰণে বিশ্ববিদ্যালয়ৰ শিক্ষক সকলৰ Statutory Body আছে। গতিকে সকলো শিক্ষকক যাতে, সমানে দৃষ্টি দিয়ে বা একে আইনৰ তলত হয় তাৰ বাবে চকু ৰাখিব লাগে। সেইকাৰণে মই শিক্ষা মন্ত্ৰীক অনুৰোধ কৰিছো যে, যাতে তেওঁলোকে নিজৰ Right পায়।

কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত আমাৰ কিছুমান Trade স্কুল লাগে। পুৰণা যিবোৰ Trade আছে তাৰ এটা পৰিবৰ্ত্তন কৰিব লাগে। এই কাৰণেই স্কুল বিলাক ধ্বংস হৈ গৈছে। মই আশা কৰিছো যে, শিক্ষা মন্ত্ৰীয়ে এই বিষয়টোৰ প্ৰতি দৃষ্টি ৰাখিব। আজিকালি আমাৰ দেশত যথেষ্ট বৃত্তি দিয়া হয়। ল'ৰা ছোৱালীৰ যথেষ্ট সা-সুবিধা হৈছে। কিন্তু বৃত্তি সময়মতে নাপায় আৰু যদি তেওঁলোক আহি পৰিচিত এম, এল, এৰ লগত ইয়াত ফুৰা মেলা কৰে তেন্তে বৃত্তি পাব পাৰে আৰু ইয়াকে যদি নকৰে তেন্তে হাজাৰ হাজাৰ টকা ইয়াতে থাকি যায়। ল'ৰা ছোৱালীবিলাকে বৃত্তি নাপায়। আনকি যিবোৰ ল'ৰা ছোৱালীয়ে যেৰিটি Scholarship পায় সেইবিলাকো সময় মতে নাপায় Lapse হৈ যায়। গতিকে হাজাৰ হাজাৰ ল'ৰা ছোৱালীয়ে এই পইচা নাপায় আৰু সেই টকা ইয়াতে পৰি থাকে। যি বিলাক অভিভাৱকে চিলঙলৈ আহি M. L. A. ক লৈ গৈ অফিচ খুচৰিব পাৰে তেওঁলোকে টকা পায় আৰু আনবিলাকে নাপায়। এইটো অন্ততঃ ভালকৈ পৰীক্ষা কৰিব লাগে আৰু Merit, O. B. C আৰু Scheduled Caste, Tribal সকলোৱে যাতে সময় মতে বৃত্তি পায় তাৰ বাবে চকু দিব লাগে আৰু দুখীয়া ৰাইজে যাতে অযথা খৰচ কৰি শ্বিলঙলৈ আহিব নালাগে তাৰ ব্যৱস্থা কৰে। এই খিনি কৈ মই শিক্ষাৰ শিতানত আহা কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো।

Shri Kehoram Hazarika :—উপাধ্যক্ষ মহোদয়, শিক্ষাৰ শিতানত অহা কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই দু-আষাৰমান কথা কব খুজিছো। শিক্ষা বিভাগটো হৈছে আমাৰ দেশৰ সকলোতকৈ গুৰুত্বপূৰ্ণ বিভাগ। এই বিভাগটোৰ ওপৰত আমাৰ দেশৰ সকলো প্ৰকাৰৰ উন্নতি নিৰ্ভৰ কৰিছে। এই বিভাগটোৱে দেশৰ উন্নতি, জাতি গঠনত সহায় কৰিব। এতিয়া এই শিক্ষা বিভাগটো যেনেকৈ চলিছে, নীতি বিহীন হিচাবে তেনেভাৱে থাকিলে দেশৰ উন্নতি আৰু কল্যাণ সাধন হব নোৱাৰে। আজি প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা বাধ্যতামূলক কৰিছে বুলি ঘোষণা কৰিছে, স্কুল পাতি দিছে, মাষ্টৰ নিয়োগ কৰিছে আৰু ল'ৰা ছোৱালী স্কুলত পঢ়িব লাগে বুলি বাধ্য কৰিছে অথচ এই স্কুল গ্ৰাণ্ট পাবৰ কাৰণে D. I ৰ ওচৰলৈ অহা যোৱা কৰি থাকে কিন্তু গ্ৰাণ্ট নাপায়। বহু দিনৰ পাছত মুখ্যমন্ত্ৰীয়ে ১২ শ এল, পি, স্কুল লব বুলি সিদিনা ঘোষণা কৰিছে। কিন্তু যি ধৰণে প্ৰাইমাৰী স্কুলৰ বা শিক্ষাৰ ওপৰত গুৰুত্ব দিব লাগে তেনে ধৰণে দিব পৰা নাই। গতিকে বাধ্যতামূলক কৰা প্ৰাথমিক স্কুলৰ শিক্ষা ব্যৱস্থা যাতে উন্নত হয় আৰু তাৰ দ্বাৰা যাতে উঠি অহা কণ কণ ল'ৰাছোৱালীক গঢ় দিব পাৰি তাৰ কাৰণে চকু দিব লাগে।

নগাওঁ Sub-divisionৰ পৰা প্ৰায় ১৪ লাখ মানুহৰ পৰা, স্কুল সমূহৰ পৰা আজি ১৫ বছৰৰ পৰা নানা প্ৰস্তাৱ পঠোৱা হৈছে আৰু প্ৰতিনিধি সকলে মন্ত্ৰীৰ ওচৰলৈ আহি কৈছে যে একোখন L.P. School ত যদি এজনকৈ শিক্ষকক পঢ়াবলৈ দিয়া হয়, তেন্তে শিক্ষকজনে স্কুললৈ গৈ ল'ৰাছোৱালী বিলাকক ৰখাৰ বাহিৰে আন কাম নহয়। গতিকে যদি শিক্ষাৰ মূল ভেটি প্ৰাথমিক শিক্ষাত গুৰুত্ব দিয়া নহয়, তেন্তে আমাৰ শিক্ষাৰ উন্নতি হব নোৱাৰে। মই আগতেওঁ কৈছিলো যে একোখন স্কুলত কমেও দুজন শিক্ষক যদি নাথাকে তেন্তে সেই স্কুলৰ লৰা ছোৱালীৰ প্ৰতি অন্যায় কৰা হয়। আজি ৪।৫ বছৰৰ ভিতৰত Additional শিক্ষক মাত্ৰ ৫টা স্কুলত দিছে। মোৰ ঘৰৰ ওচৰত এখন স্কুল আছে তাত ১৮০ জন ছাত্ৰ-ছাত্ৰী আছে আৰু এজন শিক্ষক দিছে। এজন শিক্ষকে ১৮০ জন ছাত্ৰ-ছাত্ৰীক কেনেকৈ পঢ়াব পাৰে। গতিকে আজি যদি শিক্ষাৰ ভেটি দুৰ্ব্বল হয় তেন্তে, দেশৰ ভৱিষ্যতটো শক্তিশালী কৰাত, ভৱিষ্যতটো উন্নত কৰাত আমি যিমানেই বক্তৃতা নিদিও এই বিলাক অসাৰ্থক হব। সেই কাৰণে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰো যে শিক্ষাৰ মূল ভেটি প্ৰাথমিক শিক্ষাৰ ওপৰত যাতে গুৰুত্ব দিয়ে আৰু এই স্কুলসমূহত সুস্থিৰ ভাৱে পঢ়াবৰ কাৰণে যথেষ্ট পৰিমানৰ শিক্ষক নিয়োগ হয় তাৰ এটা ব্যৱস্থা কৰে। আমি দেখিছো এই প্ৰাথমিক স্কুল বিলাকৰ প্ৰতি চৰকাৰে অতি অৱহেলা কৰে। আপুনি জানে M.E. পাচ কৰা এজন ছাত্ৰই Class vii ত নাম লগাব পাৰে আৰু M.V. পাচ কৰা এজন ছাত্ৰইও Class vii ত নাম লগাব পাৰে। কিন্তু M.E. আৰু M.V. ৰ পাঠ্য তালিকা সম্পূৰ্ণ বেলেগ। M.V. স্কুলত হিন্দী শিক্ষক দিয়া নহয়; এই ছাত্ৰ সকলে Class VII, VIIIত হিন্দী বাধ্যতামূলক বিষয় হিচাবে পঢ়িব লাগে। অৱশ্যে M.E. School ত হিন্দী শিক্ষক নিয়োগ কৰিছে। M.V. পাচ কৰি যোৱাৰ পিচত ল'ৰাবিলাকৰ

হিন্দীৰ বিষয়ে সাধাৰণ জ্ঞানো নাথাকে। আনফালে M.V. School ত এজন ইংৰাজী শিক্ষক নিয়োগ কৰিছে, সেই একেজনেই সাহিত্য, ব্যাকৰণ সকলো পঢ়াব লাগে। গতিকে M.E. আৰু M.V. School ৰ লৰা ছোৱালী বিলাকৰ ইংৰাজীৰ জ্ঞান সমান নহয়। আজি দুবছৰৰ পৰা এই দুয়োখন স্কুল সম পৰ্য্যায়লৈ আনিবৰ কাৰণে কৈ আহিছো; কিন্তু আজিলৈকে কৰা নাই। সেই কাৰণে M.V. আৰু M.E. School বিলাকত হিন্দী আৰু ইংৰাজী শিক্ষক প্ৰয়োজন অনুসাৰে নিয়োগ কৰি একেধৰণৰ পাঠ্যপুথিৰ ব্যৱস্থা কৰিব লাগে।

তাৰ পিচত আমাৰ কেইবাবিধৰো হাইস্কুল হৈছে। Government High School. Deficit grant পোৱা High School তদৰ্থ মঞ্জুৰী পোৱা হাইস্কুল আৰু মাত্ৰ Permision পোৱা হাইস্কুল। Deficit grant পোৱা হাইস্কুল বোৰত চৰকাৰৰ নিয়ম মতে অতিৰিক্ত Section খোলা হৈছে। তাত যিবিলাক অতিৰিক্ত শিক্ষক নিয়োগ কৰা হৈছে; তেওঁলোকে মাত্ৰ ৮০। ৯০ টকা দৰমহাত লৰা-ছোৱালী বিলাকক পঢ়াব লগা হৈছে। পেটত ভাত নোহোৱাকৈ ৮০। ৯০ টকাত এই অতিৰিক্ত শিক্ষক সকলে কেনেকৈ পঢ়াব পাৰে? যোৱা বছৰ কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰাত আমাক স্কুলত Additional শিক্ষক দিয়া হব বুলি কলে কিন্তু D.P.I. ৰ Order যোৱাৰ পিচত সকলোবিলাক বন্ধ হৈ গ'ল। আজিলৈকে সেইটো বন্ধ হৈ থাকিল। তদৰ্থ মঞ্জুৰী পোৱা স্কুল বিলাকৰ লৰা-ছোৱালীৰ পঢ়া শুনাত কি ধৰণৰ ব্যাঘাত হৈছে, সেই সম্পৰ্কে মাননীয় সদস্য-সকলে কৈ গৈছে আৰু চৰকাৰেও জানিও নজনাৰ ভাও জুৰিছে। একেখন স্কুলে ২৫০ টকা তদৰ্থ মঞ্জুৰী পায় এই টকাৰে হাইস্কুল এখন কেনেকৈ পৰিচালিত হব। গতিকে মই চৰকাৰৰ ওচৰত অনুৰোধ কৰো যাতে তদৰ্থ মঞ্জুৰী পোৱা ঘাটি মঞ্জুৰি পোৱা Government হাইস্কুল আৰু Permission পোৱা স্কুল বিলাকক সমান সা-সুবিধা দিয়ে। এই স্কুল বিলাকত যি ধৰণৰ বেমেজালি চলি আছে, তাৰ ফলত শিক্ষাৰ অৱনতি ঘটিছে। এই সম্পৰ্কত যদি চৰকাৰে এটা সুস্থিৰ নীতি গ্ৰহণ নকৰে তেন্তে লৰা-ছোৱালীবিলাকৰ ক্ষতি হব। ৰাইজে যিবিলাক আগতে স্কুল খুলিছে তাত বক্তৃতা দিয়াৰ বাহিৰে শিক্ষাৰ উন্নতিৰ কাৰণে বাস্তৱ কোনো ব্যৱস্থা লোৱা হোৱা নাই। প্ৰকৃততে আমাৰ শিক্ষাৰ মানদণ্ড উন্নত কৰিবৰ কাৰণে এটা সুস্থিৰ নীতি গ্ৰহণ কৰিব লাগিব। তাৰ পিচত মই কব খুজিছো যে এই শিক্ষা বিভাগত নিকা প্ৰশাসন চলা নাই। আপুনি শুনিলে আচৰিত হব Inspector অফিচত, D.I. অফিচত দুৰ্নীতি চলি আছে। প্ৰকৃততে এখন Regional Education Board পাতি দিছে, এইখন এখন সৰু সুৰা Assemblyৰ নিচিনা হৈছে। Board বহিলে সম্পূৰ্ণভাৱে কোনো কথা আলোচনা কৰিব নোৱাৰি। সিদিনা ৫জন M.L.A.ই Telegram কৰিলো যে কালিলৈ বাজেট সদনত দাখিল হব, গতিকে মিটিং এতিয়া পাতিব নালাগে।

এই বৰ্ডৰ agendaত আছিল যে যিবিলাক শিক্ষক মৰিছে বা retired হৈছে তাত নতুনকৈ ১৫জন শিক্ষক নিয়োগ কৰিব। আমাৰ মতলব আছিল যে বৰ্ডৰ মিটিং পাতি নীতি-নিৰ্দ্ধাৰণ কৰি appointment দিয়া হয় যাতে কাকো খোচামতি কৰি দিব নেলাগে। চৰকাৰে নীতি-নিৰ্দ্ধাৰণ কৰিব telegra

কৰি জনোৱাৰ পিছতো সেই বৰ্ডখন পাতি পেলালে আৰু তাৰ আগতে যিবিলাক আলোচনা হৈছিল, কাক কাক দিয়া হব—ইত্যাদি সকলো বিলাক তল পৰিল। এই মতেই চৈধ্য আৰু ৫জনক দিব। কিন্তু ৫জনক ক'ত দিব কোৱা নাই কিন্তু ১৪জনক ক'ত দিব সেইটো থিক কৰিলে। Basic training পাছ কৰি থকা সকলে চাকৰি নেপালে আৰু ১৯৭০ চনত নৰ্মাল ফেইল কৰা কিজনেহে চাকৰি পালে। এইখিনিতে কৈ থোৱা ভাল হব যে—নৰ্মাল ফেইল কৰা সকলে যি বিলাকে L.P. Schoolত চাকৰি নেপাই বা; M. E. বা M. V. Schoolত নাপায় ১৯৭০ চনতে ফেইল কৰি থকা সকলেহে চাকৰি পালে। অথচ ১৯৬৫ চনতে তুবছৰীয়া Basic training পাছ কৰা বা mission training পাছ কৰা সকলে পোৱা নাই। আনকি মিকিৰ পাহাৰত থাকি কাম কৰাইও আহি নগাঁৱত চাকৰি পোৱাৰ পিছত তাত এৰি দিছে। এনেকুৱা প্ৰাৰ্থীৰ ভিতৰত এগৰাকী শিক্ষয়িত্ৰীও আছে। এই শিক্ষয়িত্ৰীগৰাকীয়ে ১৯৬৩ চনত T. T. পাছ বুলি পাইছে। অথচ ১৯৬৩ চনত যিসকল লোকে এই পৰীক্ষা দিছিল তাত তেওঁৰ নাম নাই। কিন্তু ১৯৬৪ চনৰ listত হলে তেওঁৰ নাম আছে। উল্লেখযোগ্য যে ১৯৬৪ চনৰ পৰীক্ষাত কোনো বাহিৰা শিক্ষক পৰীক্ষাৰ্থীয়ে এই পৰীক্ষা দিয়াৰ সুযোগে নোপোৱা সত্বেও এই বাহিৰা মানুহ গৰাকীক কেনেকৈ সোমোৱালে? গতিকে মই শিক্ষা মন্ত্ৰী আৰু মূখ্য মন্ত্ৰী দুয়োজনকে অনুৰোধ কৰো যাতে এনেকুৱা ধৰণৰ দুৰ্নীতিৰ ভাল তদন্ত হয়।

(সময়ৰ সংকেত)

আৰু দুই মিনিট মান সময় কম।

উপাধ্যক্ষ মহোদয়, এতিয়া নগাঁৱৰ Inspector office ৰ বিষয়ে দুআষাৰমান কওঁ। উপাধ্যক্ষ মহোদয় আপুনিও ভালকৈ জানে যে M. E. School বিলাকৰ পৰীক্ষা বিলাক Inspcetorএ Conduct কৰে। Inspcetorএ প্ৰত্যেক ছাত্ৰৰ পৰা প্ৰত্যেক Paper তে ১.৩০ পইচাকৈ লয় আৰু শিক্ষক সকলে লয় ৭০ পয়চাকৈ। অথচ ৭০ পয়চীয়া কমিটিয়ে কেইবা হাজাৰো টকা ৰাহি কৰিব পাৰে কিন্তু ১৩০ পয়চীয়া কমিটিৰ হলে কোনো ৰাহি টকা নেথাকে। তেন্তে এই পইচা বিলাক কেনেকৈ মাৰি আছে? General Supervisionত Inspector এ যোৱাবাৰ ললে-৬০০ টকা পৰীক্ষাৰ fees বুলি। Proof reader এ ২০০ টকা, Petrol আদি যাৱতীয় খৰচৰ কাৰণে ১০০ টকা। তাৰ পিছত Asstt Inspector এ মুঠতে ললে ৬০০ টকা। দুখীয়া লৰা-ছোৱালীৰ পৰা feesলৈ এই ধৰণে বিতৰণ কৰিছে। চৰকাৰৰ T. A. ও লৈছে নেকি মই নেজানো। তাৰ পিছত শিক্ষা বৰ্ডৰ ফালৰ পৰা তেওঁলোকৰ fund ৰে দুটা গডৰেজ-আলমাৰী কিনাৰ হিচাব আছে। আৰু Inspector officeৰ ফালৰ পৰা দুটা। কিন্তু হিচাবত মুঠ ২ টা হৈয়ে ৰ'ল।

Managing Committee পাতি সমূহ বিভাগীয় স্কুল supervise কৰিবৰ কাৰণে এজন Sub-Inspectorক Secretary পাতে যাতে Inspectorৰ কথা মতে চলিব পাৰে। এইদৰে B. D. O. ক সভাপতি আৰু M. L. A. ক member পাতে। কিন্তু মই জানো ৪ বছৰৰ ভিতৰত এচৰতে থকা Dawson

Higher Secondary School খন এবাৰো পৰিদৰ্শন নকৰিলে যি বিলাক দায়িত্ব সেই বিলাক নকৰি কাক কত appointment দিব, কাক কত বদলি কৰিব লাগে ইত্যাদি কামতেই ব্যস্ত থাকে। তাৰোপৰি L. P. Schoolক আদি কৰি সৰু সৰু স্কুল বিলাকত এটা Agricultural scheme আছে। কিন্তু এই Scheme টোৱে হ'লে কি কৰিছে একো বুজা নেজায়। এইটো মূলতঃ টকাবাজি দিবৰ কাৰণেহে খোলা যেন লাগে। গতিকে শিক্ষামন্ত্ৰী আৰু মুখ্যমন্ত্ৰী দুয়োজনকে আজি অনুৰোধ জনাইছো তেখেত সকলে যেন এই কথা বিলাকৰ প্ৰতি দৃষ্টি দিয়ে। ইয়াকে কৈ মই প্ৰস্তাৱটো সমৰ্থন কৰি বহিলো।

Shri Nakul Ch. Das :- উপাধ্যক্ষ মহোদয়, সাধাৰণতে আমাৰ দেশত বিশ্ববিদ্যালয় মহলত শিক্ষাৰ সম্প্ৰসাৰণ হোৱাটো সঁচা কথা। কিন্তু শিক্ষাৰ প্ৰকৃত পৰ্য্যায়লৈ আমি তুলিব বা আগবঢ়াব পাৰিছোনে নাই সেইটো ভালদৰে বিবেচনা কৰি চোৱা উচিত। বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থাটোক যাতে Nationalised কৰিব পৰা যায় সেই বিষয়ে মনোনিবেশ কৰা উচিত হব। অসমৰ বিশ্ববিদ্যালয়ত লক্ষ লক্ষ টকা খৰচ কৰা হৈছে। কিন্তু শিক্ষাৰ পৰিবেশ কিদৰে গঢ়ি উঠিছে সেইটো চৰকাৰে মন কৰা নাই। আমি দেখাত বিশ্ববিদ্যালয় মহলত শিক্ষাৰ পৰিবেশ সুষ্ঠু নহয়। আনকি ইয়াৰ অনুসন্ধানৰ কাৰণে চৰকাৰে এটা অনুসন্ধান আয়োগ পৰ্য্যন্তও গঠন কৰিব লগা অৱস্থা এটা হৈছেহি। এহাতে লাখ লাখ টকা খৰচ কৰি আনহাতে তাৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কাৰণে বিবেচনা নকৰাটো উচিত হোৱা নাই। সেই কাৰণেই মই চৰকাৰক অনুৰোধ কৰিছো যে যিবিলাক কাৰণত এই আদৰ্শবাদী অনুষ্ঠান বিলাক আদৰ্শভ্ৰষ্ট হবলৈ উপক্ৰম হৈছে তাৰ কেৰোণবোৰ বাহিৰ কৰি কেনে ধৰণৰ ব্যৱস্থা ললে এটা সুষ্ঠু শিক্ষা পৰিবেশ বিশ্ববিদ্যালয় মহলত, গঢ়ি উঠিব পাৰে তাৰ কাৰণে বিবেচনা কৰা নিতান্তই উচিত হব।

দ্বিতীয়তে, আজি অসমৰ বহু জেগাত কলেজ স্থাপন কৰা হৈছে যদিও এই বিলাক স্থাপনত ঠাইৰ সামঞ্জস্য ৰক্ষা কৰিব পৰা নাই। এক ঠাইতেই ইখনৰ পিছত সিখনকৈ কলেজ গঢ়ি উঠিছে যদিও পিছত কিছুমান অঞ্চলত শিক্ষাৰ তেনেধৰণৰ সুবিধা জনসাধাৰণক দিব পৰা নাই। অসমৰ ডাঙৰ ডাঙৰ চহৰ বোৰত এনেকুৱা বহুতো Deficit College যত মাহে ৪২ হেজাৰ পৰ্য্যন্ত টকা আহে অথচ পিছপৰা এনেকুৱা কিছুমান College আছে যত মাহে ১ হাজাৰ টকাও Grant দিব নোৱাৰে। এনেকুৱা বিসঙ্গতি অচিৰেই আতৰ কৰিব লাগে।

মঙ্গলদৈ মহকুমাৰ লোকসংখ্যা অনুপাতে কলেজখনে যিমান Grant পাব লাগিছিল এনে অৱস্থাত মঙ্গলদৈ কলেজখনে আজিলৈকে Deficit grant মাত্ৰ অলপহে পাইছে। Scienceৰ ক্ষেত্ৰত পোৱা নাই। Arts ৰ ক্ষেত্ৰত পাইছে যদিও Honours আদি খুলিবৰ কাৰণে পোৱা নাই। আজি তিনিবছৰ পাৰ হৈ গ'ল। Science ৰ Deficit grant দিব লাগে। এইটোক নেপালে Science ৰ যি কেইটা শাখা খুলিছে সিও অৰ্থ সাহায্যৰ অভাৱত ব্যৰ্থ হৈ যাব। দুখৰ বিষয় যে ৮ লাখ ৩৫ হেজাৰ জনসংখ্যাৰ এটা অঞ্চলৰ কলেজ এখনত এটা Science ৰ grant নাই। ইয়াৰদ্বাৰা মই ভাবো যে ঘোৰ অন্যায়কৰা হৈছে। গতিকে মই শিক্ষামন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰো অনতি পলমে ইয়াৰ

আৰু এটা কথা হৈছে স্কুল বিলাক মঞ্জুৰী দিয়াৰ ক্ষেত্ৰত। যি বিলাক স্কুলত ছাত্ৰৰ সংখ্যা বেছি তাত বেছি grant দিয়া হৈছে আৰু অন্যহাতেদি পিছপৰা অঞ্চলৰ স্কুল সমূহত কম ছাত্ৰ আছে বুলিয়েই মঞ্জুৰীও সেই অনুপাতে কমাই দিয়া হৈছে। এইটো এটা বিসঙ্গতিপূৰ্ণ কাম হৈছে। গতিকে চৰকাৰে স্কুল সমূহৰ মঞ্জুৰীৰ এই বিসঙ্গতি অনতিপলমেই আতৰ কৰিব লাগিব।

তাৰ পিছত গাওঁ অঞ্চলত মাধ্যমিক স্কুলবিলাক কি ধৰণে গঢ়ি উঠিছে, এই সম্পৰ্কে চৰকাৰে অনতিপলমে তদন্ত কমিটি গঠন কৰা উচিত। আজি শিক্ষাৰ ক্ষেত্ৰত পিচপৰা অঞ্চল পিচ পৰিয়েই আছে। আমাৰ পিচপৰা অঞ্চলৰ ৰাইজে বহু কষ্ট কৰি স্কুল পাতিছে; কিন্তু চৰকাৰৰ তৰফৰপৰা যি সাহায্য পাব লাগিছিল, সেই সাহায্য পোৱা নাই। যিখন স্কুলত লৰাৰ সংখ্যা বেছি তাত মঞ্জুৰী বেছি দিয়া হৈছে। আনহাতে কম লৰা-ছোৱালী থকা স্কুলত কম সাহায্য দিয়া হৈছে। এইটোৱে এটা বিসঙ্গতিৰ সৃষ্টি কৰিছে। গতিকে শিক্ষাৰ মানদণ্ড উন্নত কৰিবলৈ হলে এই বিসঙ্গতি দূৰ কৰা উচিত। আমাৰ যিবিলাক Deficit grant পোৱা স্কুল আছে আৰু তাত যিবিলাক Addl. Section আছে তাত বেছি টকা দিয়াটো গ্ৰহণযোগ্য হব। তাৰ পিচত ঘাটি মঞ্জুৰী পোৱা প্ৰায়বিলাক স্কুলেই সা-সুবিধা পাই আছে। গতিকে মঞ্জুৰী দিয়াৰ ক্ষেত্ৰত সকলোকে সমানে সা-সুবিধা দিয়াৰ কথাটো বিবেচনা কৰাটো বাঞ্চনীয় হব বুলি মই ভাবো। ইতিমধ্যে ঘাটি মঞ্জুৰী পোৱা স্কুলৰ যিটো ব্যৱস্থা কৰিছে তেনেকুৱা এখন চৰকাৰে আচনি লব লাগে, যাতে সকলোৱে ঘাটি মঞ্জুৰী লব পাৰে। আমাৰ প্ৰদেশৰ প্ৰত্যেক মহকুমাতে সাহায্য প্ৰাপ্ত ছোৱালী হাইস্কুল আছে; কিন্তু মঙ্গলদৈ গোলাঘাট আদিত এখনো ছোৱালী হাইস্কুল লব নোৱাৰে।

আজি কুৰি শতিকাত মঙ্গলদৈত স্বাধীনতাৰ ২৫ বছৰৰ পাচতো ছোৱালী হাইস্কুল এখনো নিৰ্মান হোৱা নাই। এই বিষয়ে চৰকাৰে অলপ বিবেচনা কৰিলে ভাল হব। বিশ্ববিদ্যালয়ৰ বাবে লাখ লাখ টকা খৰচ কৰিছে আনহাতে আমাৰ প্ৰাথমিক স্কুলৰ উৱলি যোৱা অৱস্থা দেখিলে দুখ লাগে। মাননীয় সদস্য এজনে কৈছে যে ১৮০ জন ছাত্ৰ থকা এখন প্ৰাইমাৰী স্কুল এজন শিক্ষকে চলাবলগা হৈছে। গতিকে এইবিলাক স্কুলত অধিক শিক্ষক নিয়োগ কৰি ঘৰদুৱাৰ আদিৰ অৱস্থা উন্নত কৰিব লাগে। সিদিনা মুখ্যমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছে যে ১২শ প্ৰাইমাৰী স্কুল চৰকাৰে লব। মোৰ বোধেৰে ইয়াতকৈ আৰু বেছি ভেঞ্চাৰ প্ৰাইমাৰী স্কুল আছে, চৰকাৰে কেন্দ্ৰীয় চৰকাৰক জোৰ দি হলেও এইবিলাক লোৱাৰ ব্যৱস্থা কৰিব লাগে। তাৰোপৰি শিক্ষক নিয়োগৰ ক্ষেত্ৰত, কিমান নিৰিখত নিয়োগ হব লাগে তাৰ এটা সুস্পষ্ট নিৰ্দ্দেশ থকা উচিত। তাৰ পিছত দেখিছো ৮।১০ বছৰ Deputation vacancyত কাম কৰি থকা শিক্ষক সকলে মকৰল নাপায়। তাৰ ফলত শিক্ষক সকলৰ মাজত অসন্তুষ্টিয়ে দেখা দিছে। তাৰ পিছত শিক্ষামন্ত্ৰীক কওঁ যে স্কুলৰ মঞ্জুৰী বিলাক ৩১ মাৰ্চলৈ ৰাখিব নালাগে। এই মঞ্জুৰী বিলাক ডিচেম্বৰ বা জানুৱাৰী মাহৰ আগতে যাতে বিতৰণ কৰা হয় তাৰ বাবে তৎপৰ উপায় অৱলম্বন কৰা উচিত।

তাৰ পিচত তেজপুৰৰ পৰা ১৭ মাইল দূৰলৈ আহি inspector এ স্কুল পৰিদৰ্শন কৰিব লগা হয়। গতিকে মঙ্গলদৈত এজন Assistant Inspector দিব লাগে। তাৰোপৰি স্কুলৰ বিল Pass কৰিবলৈ তেজপুৰলৈ যাব লগা হয়। এইটো বৰ কষ্ট সাধ্য ; এই কথা সকলোৱে জানে। সংবিধানৰ ব্যৱস্থা অনুসৰি Scheduled caste, Scheduled tribesৰ লৰা ছোৱালী বিলাকক Post-matric Scholarship দিছে, এইটো ভাল কথা। কিন্তু Deficit grant পোৱা স্কুল বিলাকত মাহে মাহে লৰা ছোৱালী বিলাকৰ পৰা মাচুল লোৱা হয়। অৱশ্যে সেইবিলাক ঘূৰাই দিয়াৰ ব্যৱস্থা আছে। দুখীয়া গাৱলীয়া ৰাইজৰ এনেই খাবলৈ নাই, আকৌ মাহে মাহে মাচুল দিয়াটো ডাঙৰ কথা। গতিকে এই বিলাক বিসঙ্গতি চৰকাৰে আতৰাব লাগে। সেই কাৰণে মই কওঁ ক'ত কিমান টকা দিব তাৰ হিচাব আদি Inspectorৰ ওচৰত ৰাখি দিয়ক আৰু সেইমতে টকা বিতৰণ কৰক। আজি শিক্ষাধিকাৰৰ অফিচত বা D. I. অফিচত কামত যাতে শিথিলতা নহয় তাৰ ব্যৱস্থা কৰা দৰকাৰ। শেষত মই চৰকাৰক অনুৰোধ কৰো যে D. P. I. Inspector of School, Board আদিৰ অৱহেলা আৰু শিথিলতা যাতে দূৰ হয় তাৰ বাবে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

Shri Dulal Chandra Barua:- Mr. Deputy Speaker, Sir, while supporting the cut motion moved from this side of the House I want to make certain observations under this particular head. Many of my hon friends have already dealt with various aspects of education. But my approach will be a little bit different.

Under present system of education whether we are actually educating the people that has got to be observed very carefully. Now in this respect Sir, as there is no definite policy followed by the Government on the basis of our history and on the basis of our social and economic structure I think the education which is being imparted to-day to our children has become enrtirely demoralising on the nation and we will not find perfect educated people in our society.

In this connection, Sir, I want to refer a book "On Thoughts on Education" by Vinoba. Here, it says, "According to Rousseau we receive education from three sources, nature, men and things. The spontaneous development of our organs and faculties constitutes the education of Nature, the use to which we are taught to put this development constitutes that given to us by men, and the acquirement of personal experience from surrounding objects constitutes that of things." In this connection, the nature and social

background has not been able to do it perfectly for which we are not in a position to lead our youngsters in proper directions and more so, in the name of education we are misguiding them. In the same way, in page 4 of the same book it has been said, "The first is that education which is given at the national expense, ought to be of use in practical affairs. A child ought to be so educated that he is competent to come forward and serve the world around him, and return ten-fold whatever he has received." That main object was specially followed by Mahatma Gandhi, the father of the nation but that theory has been disregarded by his followers and for which we are leading the nation to a bankruptcy and are getting demoralised day by day. Again it says. "The second thing which we expect from education is that all the student faculties should develop as a harmonious integrated whole. The rishis and munis have described various powers of the mind. The Lord of the world is infinite, infinite also is the Mind".

Therefore, Sir, we are going against the spirit of Mahatma Gandhi, against the spirit of Rousseau, against the spirit of Vinoba who have been trying for national integration. National integration has been frustrated because of demoralised education which is leading our nation and the society far away from the real theory of education for which we are facing crisis. We are indulging politics in education, we are indulging corruption in education, we are indulging all sorts of 'isms' in the minds of the youngsters for which there is indiscipline, there is lack of peace and harmony and afterwards when indiscipline become evident we put all the blame on the students by saying that students indulge in indiscipline. To my mind, Sir, we are making the students indiseiplined because we are not in a position to give them a correct lead, or cannot give them correct education.

In this connection I would refer to the Indian Year Book of Education, 1964, wherein at page 64 it has been said "The ultimate objective of this new Education is not only a balanced and harmonious individual, but also a balanecd and harmonious society a just social order in which there is no

unatural dividing line between the haves and have-nots and everybody is assured of a living wage and right to freedom" Now, you know Sir, that we are giving certain special facilities to the scheduled castes and scheduled tribes students in the nature of scholarships. We are to see whether they have got any benefit out of these facilities. We are not doing this. There is no planned policy followed by the government in this regard. Now, Sir, we are entering the Fourth plan and I am surprised to hear that though the government at all level, Central or state, trying to follow the policy of Gandhiji they have forgotten the real directives given by the Father of the nation and I do not know why the Government is not trying to reorientate system of education. The Government has not made any attempt to reorient the system of education in national level. Sir, we are not Englishman or European. We have got our own tradition and our history and also we have got our social background. We have been civilised. We have been educated by Rishis and Mahapurushas. When those people were uncivilised but even then we are not in a position to reorientate our education on the basis of our need. Therefore, Sir, I find that the education which is being now imparted in all levels are demoralising in effect and rethinking in this sphere is necessary. And under the leadership of the present Chief Minister, I hope, the education system will be reoriented on the basis of our need.

Now, Sir, coming to the basic need we find from the report of the Government that whatever education we have imparted that has not fulfilled the aspiration of the population living in this region. Only 27% has been educated if we also include Mizo Hills and United Khasi and Jaintia Hills within this — where the percentage of education is the highest in our state, if we leave them out of this, we find the percentage only to be 17. If there is any increase in education it is among the Mizo and Khasi brethren. Therefore, I would say that the education we are imparting these days is no education at all. Politics, nepotism and favouratism have entered everywhere which has vitiated the social structure, weakened the economic structure. We are educating our people

for fulfilment of our own goal. Everywhere politics are indulged in and there is no clear cut policy. There is no uniform policy made out by the Government so that the question of haves and have-nots may arise.

Adjournment

The House then adjourned for lunch till 2 p. m.

Shri Dulal Chandra Barua: Mr. Speaker, Sir, I was dealing with the percentage of literacy and I have said that the increase of percentage in literacy, if we take the overall situation, is not at all satisfactory, and therefore, the Government should adopt a specific policy in this regard. Sir, as I have already said, the educational system itself has created a psychological vacuum in the minds of the young generation. There is also discrimination in respect of imparting education which ought not have been done. In the primary stage we have various categories of schools. For the poorer section of the people there is L. P. school which has no proper facilities and amenities for the children to be educated. Then there are basic schools and public schools. So, if a rational policy is not followed in respect of imparting education to the young people right from the lower level then there is bound to be discrimination. In the matter of education there should be equal opportunity for all. The various types of school are to be abolished forthwith and the Government should adopt a definite policy in this regard. There is discrimination in the higher secondary level also because we are having only a few Government High schools and the majority of the schools are aided schools. The existing conditions of the aided schools in comparison with the Government schools are most unsatisfactory because there is no clear cut policy in respect of giving grants and other facilities to these schools. In this category also there are various types of schools like Higher Secondary Schools upto class XI, High schools upto Class X and the Government High Schools. There are aided High schools under deficit grant system and there are schools having adhoc grants. Therefore, the amenities that are to be provided to the students should be equal for all. But the Government is following a disc-

riminatory policy as they do not have any specific rules which should govern all the schools at the higher secondary level. Therefore, I suggest that the Government should take over all the schools so that there may be uniformity in the matter of providing amenities. Of course, it may have a heavy financial implications but as it is the basis of development of the society, if Govt. spends more money on education then it will do good to the people. The Government should spend more money on education than wasting money in other departments which cannot give any benefit to the people. In respect of providing amenities we are not only creating a discrimination amongst the students but also amongst the teachers. As I have already said, there are haves and have-nots amongst the students and also amongst the teachers. Since all the schools cannot be taken over by Government at a time because of financial difficulty, I suggest that this can be done in phases. If Government takes over all the schools then a single set of rules can be applied to them. The teachers in the aided schools are so poorly paid that they cannot be expected to give their very best. Half fed and ill clothed teacher cannot teach students well and the teachers have also become very demoralised. Therefore, Sir, I suggest that in the matter of giving grants to the schools the existing system should be reoriented. Many friends have observed that, there is no definite policy in this regard and as such there is regional imbalance. That is why I submit that a uniform policy should be adopted by Government in respect of giving grants to the different educational institutions.

Again Sir, in the matter of imparting education to girls there is much to be desired. At the moment we have in Assam only a few girls' colleges and there is not a single Government Girls College in Assam. I suggest that at least there should be one boys college and one girls college in each sub-division. Similarly, there should be Government boys high schools and girls high schools in each sub- division. In our State we have only one Government boys College, Cotton College. whereas in other States they have one Government College in each district headquarters. Therefore, we should also have at least one boys college and one girls college in each district, if not in each sub-division.

Sir, we have allowed various colleges in our State to open science section but the amenities that required are not there. For instance. in the Cotton College there is no dearth of amenities and in so far as the enrolment is concerned, it is equal to eight colleges. But no other college has so much of facilities as the Cotton College. Therefore, if we can convert other Colleges into Government colleges then the mushroom growth of colleges can be stopped.

Now, say for instance, the North Lakhimpur College is the only college in that area teaching Science subjects. Due to communication difficulties and also financial dfficulties, many students of many areas cannot go there for higher education in science subjects. The science section in that college still remains very porly equipped. Even, now, the teacher shows his finger and says "suppose this is a condenser". So, if this is the standard of equipment, now can you expect that college to impart proper education in science ?

Then, Sir, many of my friends have rightly pointed out that in many ways we are indulging in political 'isms' in the educational institutions. As my hon. friend Mr. Bora has said, the constitution of the Regional Boards for primary education was done with a good purpose, but the way they are functioning they are not imparting education but are instead imparting politics, which is very bad not only for the growth of education but also for the society as a whole. Even the officers have been compelled to indulge in politics. I have got better experience of the Regional Board at Jorhat. Generally, the meetings of the Board are called in our absence. Till to-day I have not been in a position to attend any of the meetings of the Board. This is probably done under instructions from certain quarters. I want to draw the pointed attention of the Chief Minister and also the Minister of State for Education that we are very much dissatisfied with the present Assistant Secretary of Jorhat. I will take up the matter with the Chief Minister. I have already told him that the behaviour of this particular officer is most undemocratic and I must say that he is indulging in corruption in several

respects. If you ask some of my colleagues, including the members belonging to the party in power, they will say in what way he is acting. Even the recommendations made by the State Board and forwarded to him are not implemented. In respect of appointments also, it has been reported that he urges the teachers to go to his residence instead of asking them to go to his office. I have been told that he charges a fixed amount for each appointment. I request the Chief Minister to make an enquiry about it. Sir, we know the background of this man and I don't understand why he was posted there and why in spite of transferring him 4 or 5 times he has been allowed to continue there. He behaved with his predecessor in a manner which is unprecedented. when his predecessor was transferred and he was posted there, this man went to the room of his predecessor and turned him out and he was made to leave Jorhat overnight. He also employed some bad elements to assault him. I reported the matter to the Chief Minister and I don't know why no action has been taken against the man. If such things can happen in the Education Department, you can imagine the future of this State. A thorough investigation should be made into the allegations I have brought and this man should either be suspended or transferred immediately. Otherwise, I am telling you, Sir, that if in the name of education such kind of things are indulged in and allowed to continue, we have also got the strength and power to deal with the matter. I am not concerned with which particular officer is posted, but the manner in which this man behaved with his predecessor is most reprehensible. That poor gentleman had to take protection of the police and the public leaders to go to the transport station with his bags and baggages. If this is the case, how can the education system function effectively.

Then, Sir, you will find that everywhere there is politics; even in the managing committees. I strongly feel that no M.L.A. or any other local leader should be made the president or even a member of these managing committees. The managing committees should be constituted only with

those people who are actual educationists. The cause of education is best served by them. If we introduce political elements into our educational system, the cause of education in our State will be at stake. That is also one of the causes of misappropriations taking place in many educational institutions. In my constituency, misappropriations have taken place in the Deva Kanta Barua High School and many other high schools. The Audit have found that nearly 168 high schools of the State are involved in some kind of misappropriation of public funds, but no effective action has so far been taken by Government. If this is not stopped forthwith the prestige of the teachers in general will be undermined and the students also will go astray. These things have to be nipped in the bud. (The bell rang).

Sir, I have only to refer to another matter. Sir, in other States we find that art, music, dance and drama have been introduced from the lower level upto the university level. But here in our State we have not done anything. Many of our late lamented artists like Kalaguru Bishnu Rabha and Natasurya Phani Sarma pleaded for a Natyasala and an Art Gallery. But no effective action has been taken in that direction. To be a perfect human being softness is necessary. Art, music and drama can bring fineness in the minds of our youngmen. Therefore, I submit that Government should take steps to open an Art Gallery and a Natyasala and Music and Art should be introduced as subjects from the lower level upto the University level. Then, Sir, the Deaf and Dumb institutions are not getting proper attention. These institutions need extension to accommodate more such physically-handicapped boys. Also proper facilities have to be given to them so that they may also become useful members of the society without any feeling of inferiority complex.

Then, Sir, the Government have decided to start a Science College at Jorhat from the next Session. I hope Government will not go back on that decision.

Sir, one more point and I will finish my speech. It is about technical education. Sir, I feel the entire curricula

of our present system of technical education should be changed according to the need of the hour. Uptil now we are following the curricula formulated by the Britishers during post-Indpendence period, but now the concept of education, specially in the technical branches has changed with advancement of science and the need for an industrial and technological development is given the highest priority. So, new industries like petro-chemical complex, paper pulp etc. are coming to importance. To cater for such diversified and modern industries, the present system of education should be changed. I do not understand as to on what principle some of the technical institutions are under the Labour Department and some others are under some other Department. According to the need of the hour, now system should be introduced in the Engineering Celleges, Politechnics and in other technical institutions. In this connection, I would like to say that the Dibrugarh University, construction of which is still going on, should be converted into a Technical University. We have enough technical institutions to feed this University. To develop national system of education we want more industrial and technical institutions. So, in order to produce more technically qualified boys specially in specialised teaching, we are in urgent need of a Technical University. Sir, I feel that our two Universities - the Gauhati and the Dibrugarh Universities - which are supposed to be the temples of learning, are becoming now-a-days the temples of corruption. As hon'ble member Shri Bora has said, something is wrong in the "head" in respect of administration. If the head is wrong everything goes wrong. So, if the University is rotten, other education system in the lower level will also go wrong and true national system of education will not be possible. Sir, I am glad to know that Government has constituted an Enquiry Committee to go into details in this respect. I hope the recommendation of the Committee when given after the enquiry will not be thrown in the waste-paper baskets, but should be implemented by the Government.

Sir, one more point and I will finish my speech. Sir, in the working of the administrative system in the Edu-

ation Department, I find, there is no coordination between the Secretariat and the Directorate levels. For an urgent matter, if we go to the D.P.I. Office they say it was sent to the Secretariat and if we go to Secretariat Office, they will say that it has already been forwarded to the D.P.I. Office. In this way they make the matter delay. Proper coordination for successful implementation of various schemes should be maintained amongst the departments, otherwise the very purpose of education policy will be frustrated. At last, I submit Sir, I would urge upon the Government the recommendations of the Mudaliar and Kothari Commissions should be implemented. We do not know which is followed by the Government. I suggest that the entire examination system from the primary to the University level should be reoriented. In this connection, I submit Sir, that an Expert committee should be constituted to go into details of the matter immiditately and terms and reference should be formulated. These terms and reference should be broad-based. While formulating new examination policy, they should see in what way they are going to be reoriented to cater for the need of the hour. I hope Government should think it very seriously in the matter of decision of imparting proper education to our young people. With this observation, I support the cut motion.

Mr. Speaker : As there are many honble Members who want to take part in this cut motion, I will allow from 5 to 10 minutes maximum to each member.

Shri Phani Bora : Sir, you will apply your discretion to allot time - 5 minutes miuimum and 10 minutes maximum.

Mr. Speaker : Yes.

শ্ৰীকবীৰ চন্দ্ৰ ৰয় প্ৰধানী ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুআষাৰমান কথা কবলৈ আগবাঢ়িছো। আজি দেখা গৈছে দেশত প্ৰয়োজন মতে শিক্ষা হোৱা নাই। মানুহ জীয়াই থাকিবলৈ হলে কাম কৰিবই লাগিব। কি কি কাম কৰিব লাগিব কেনে ধৰণৰ কাম কৰিব লাগিব এই সকলোবোৰ কাম বিবেচনা কৰিবলৈ Planning Commission আছে। আৰু এই কামত নিয়োগ হবৰ বাবেও মানুহে লিখা পঢ়া কৰিব লাগে। কামৰ যোগ্যতা আহৰণ কৰিবলৈ হলে শিক্ষা দিব লাগিব। বৃটিছৰ দিনত কেৰাণী উৎপন্ন কৰা শিক্ষা আজিও চলি আছে। হাইয়াৰ চেকেণ্ডাৰী শিক্ষাৰ কাৰণে

বাক বিতণ্ডা চলি আছে। এতিয়া দেখা গৈছে যে, Higher Secondary কোনো কামত অহা নাই। Three Years Degree Course কোনো কামত অহা নাই। গতিকে ২৫ বছৰৰ পাছতো ভালকৈ শিক্ষা দি যোগ্য কৰি তোলা শিক্ষা লৰা ছোৱালীক দিব নোৱাৰিলে দেশত উশৃঙ্খলতাৰ সৃষ্টি হব। শিক্ষকৰ নামত leader বিলাকৰ নাম হব। শিক্ষা ঠিক ভাৱে দিব পৰা নাই, যাৰ বাবে আজি উশৃঙ্খল হৈছে। সেইকাৰণে মই ভাৱো শিক্ষা সম্পৰ্কে আগতে ভালদৰে পৰিকল্পনা কৰি শিক্ষা দিব লাগে। আমাৰ দেশ কৃষি প্ৰধান। শতকৰা ৮৫ ভাগ মানুহেই কৃষিৰ ওপৰত নিৰ্ভৰ কৰে। আমি চন্দ্ৰলৈ যাও যাও কৰি থাকো কিন্তু কৃষি শিক্ষা লাভ কৰি আমি মাটিৰ ওপৰতে উৎপাদন বৃদ্ধি কৰিব পৰা নাই। আজি দেখা গৈছে যে B. Sc. পাছ কৰা ল'ৰাকো যদি মাটি আৰু মেচিন দিয়া হয় বোধকৰো তেতিয়াও ফচল উৎপাদন কৰিব নোৱাৰে। গতিকে আমি কৃষিৰ ওপৰত ভিত্তি কৰি কেনেকৈ শিক্ষা দিব পাৰো তাৰ বাবে যত্ন কৰিব লাগে। গতিকে কৃষিৰ ওপৰত নিৰ্ভৰ কৰি এনে ভাৱে শিক্ষা দান কৰিব লাগে, যাতে কণ কণ শিশুহঁতে দেশৰ ভৱিষ্যত মঙ্গল সাধন কৰিব পাৰে।

আজি খেতিয়কৰ ল'ৰাই খেতি কৰিব নাজানে। আজি অফিচাৰৰ চাকৰিত খেতিয়কৰ ল'ৰা নাই। গাৱঁত Agriculture Departmentত যি বিলাক মানুহে কাম কৰে তেওঁলোকে খেতিৰ কাম কৰিব নাজানে। গতিকে আমাৰ কৃষিৰ যি বিলাক আচঁনি আছে সেই বিলাক শিক্ষাৰ দোষৰ কাৰণেই সেই বিলাক কৃতকাৰ্য্য হোৱা নাই। আমাৰ ল'ৰাবিলাকক যেনে ধৰণেৰে শিক্ষা দিব লাগে তেনে ধৰণেৰে দিব নোৱাৰাৰ কাৰণে দেশখন ভালৰ ফালে আগ বাঢ়িব পৰা নাই। আৰু এই কাৰণেই আমাৰ আশা বিলাক নিৰাশাত পৰিণত হৈছে। এই নিৰাশাৰ কাৰণেই আজি নক্সালাইতৰ সৃষ্টি হৈছে। এই বিলাক আমাৰ ল'ৰা ছোৱালীৰ মাজতেই দেখিছো কিন্তু সংশোধন কৰিব নোৱাৰাটো দুখৰ কথা।

আমাৰ প্ৰাইমাৰী স্কুলৰ সম্পৰ্কত কব খুজিছো যে এই স্তৰত শিক্ষা দান পদ্ধতি ভাল হোৱা নাই। আমাৰ Inspector, S. I. আদি সকল থকা স্বত্বেও স্কুলৰ পৰিদৰ্শন ঠিক হোৱা নাই। এজনীয়াকৈ শিক্ষকৰ স্কুল বিলাক ৰখাটো ঠিক হোৱা নাই। কমকৈয়ো এখন স্কুলত ৩জন শিক্ষক নহলেও দুজন শিক্ষক থকা উচিত। কাৰণ এজনীয়া স্কুল বিলাকত শিক্ষকে ল'ৰাক স্কুলত বহুৱাই থৈ গুচি যায়। প্ৰত্যেক দিন এই বিলাক কাম Inspectorৰে কৰাটো সম্ভৱপৰ নহয়। গতিকে স্কুলৰ মেনেজিং কমিটি আদি বোৰ্ড আদিয়ে স্কুলৰ সা-সুবিধা অভাৱ অভিযোগ বিলাক চাব লাগে। কিন্তু তেওঁলোকেও সেইবিলাক নাচায়! ইয়াৰ ফলত এই স্কুল বিলাকৰ সৰ্ব্বনাশ হৈছে।

তাৰ পাচত High স্কুল বিলাকত এইটো পৰিলক্ষিত হৈছে, যে এইস্কুল বিলাক Politics ৰ কেন্দ্ৰ হৈ পৰিছে। এইস্কুল বিলাকৰ এড্‌হক কমিটি বিলাক মাহেকত ৩/৪ বাৰো Inspector সকলে ভঙা পতা কৰে। এইটো বৰ আচৰিত কথা। এই বিলাকৰ সংশোধন হব লাগে। কাৰণ Inspector বিলাকৰ এইদৰে এড্‌হক কমিটি ভঙা পতা কৰাৰ ক্ষমতা নাই। অথচ তেওঁলোকে এইদৰে ভঙা পতা কৰিয়েই আছে।

(সময়ৰ সংকেত)

মোৰ সমষ্টিত বেৰভঙী আৰু হালাকুড়া নামৰ দুখন হাইস্কুল আছে। এই দুখনৰ ভিতৰত বিশেষকৈ বেৰভঙী হাইস্কুলখন মোৰ বাবে কেনচাৰৰ দৰে হৈছে।

এই স্কুলখন ভাঙি ডুখন স্কুল হ'ল। এইটো কেনেকৈ হয়, এই বিলাক চাবলৈ আৰু সংশোধন কৰিবলৈ মই মাননীয় মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছিলো। কিন্তু তেখেতৰ চাবলৈ সময়ৰ অভাৱ। কিন্তু ৰাজ্যিক মন্ত্ৰীৰ এইবিলাকৰ দায়িত্ব নাই। সেই কাৰণে এই বেমেজালি বিলাক চলিয়েই আছে, আৰু তাৰ ফলত এই অনুষ্ঠান বিলাক নষ্ট হৈ যাব লাগিছে। ইয়াৰ সংশোধন চৰকাৰে কৰিব লাগে।

Stipend সম্পৰ্কত মই এই কথাই উল্লেখ কৰিব খুজিছো যে চৰকাৰে Stipend ৰ টকা দিছে কিন্তু ল'ৰা-ছোৱালী বিলাকে সেই টকা লব পৰা নাই। কাৰণ সেই ল'ৰা-ছোৱালী বিলাকৰ নামত জাল চহী কৰি স্কুলৰ কেৰাণী বিলাকে খাই আছে। এই ল'ৰা-ছোৱালী বিলাক সাধাৰণতে Backward শ্ৰেণীৰ। তেওঁলোকক চৰকাৰে দিয়া সা-সুবিধা বিলাকৰ পৰা তেওঁলোক এই দৰেই বঞ্চিত হৈছে। এইটো বৰ পৰিতাপৰ কথা।

( সময়ৰ সংকেত )

স্কুল বিলাক এই দৰেই চলি থাকিবলগীয়া হৈছে। এই সম্পৰ্কীয় বেমেজালি সৃষ্টিকাৰী সকল হৈছে সেই বিলাক কৰ্ম্মচাৰী যাৰ শতকৰা ৯০ ভাগেই দুৰ্নীতি পৰায়ণ।

( সময়ৰ সংকেত )

গতিকে এই বেমেজালি বিলাক দূৰ-কৰাৰ কাৰণে বিহিত ব্যৱস্থা চৰকাৰে লব লাগে।

( সময়ৰ সংকেত )

ইয়াকে কৈ সামৰণি মাৰিলো।

মিষ্টাৰ চামচুল হুডা :— অধ্যক্ষ মহোদয়, আজি আমাৰ শিক্ষাৰ ক্ষেত্ৰত যিটো কৰ্ত্তন প্ৰস্তাৱ আহিছে, সেইটো মোৰ নিজৰো আছিল, তথাপি আমাৰ ফালৰ পৰাই কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰাত মই ভাল পাইছো, আৰু এই সন্দৰ্ভত মই চমুকৈ দুষাৰমান কথা কব বিচাৰিছো। শিক্ষাৰ বিষয়ে যদি আমি ভালকৈ পৰ্য্যালোচনা কৰো তেনেহলে দেখা যায় যে যদিও আজি সংবিধানে শিক্ষাৰ ব্যৱস্থা কৰিছে তথাপি এই শিক্ষাৰ এটা আমুল পৰিবৰ্ত্তন অনাটো দৰকাৰ। দ্বিতীয়তে আমাৰ চৰকাৰে সামূহিক ভাবে এই ক্ষেত্ৰত ব্যৰ্থ হৈছে। প্ৰাথমিক শিক্ষাৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়লৈকে সকলো ক্ষেত্ৰতে চৰকাৰে যিমান চেষ্টা কৰিছে সিমানেই ব্যৰ্থ হৈছে।

যোৱা Census ৰ Reportটোত দেখা গৈছে যে আমাৰ অসমৰ শিক্ষা সম্প্ৰসাৰণত এই কেইবছৰৰ ভিতৰত মাত্ৰ শতকৰা ৪ ভাগ হৈছে। এই চাৰিভাগৰ ভিতৰত যদি আমি কেইটামান কথা লক্ষ্য কৰি মিকিৰ পাহাৰ আৰু খাচী-জয়ন্তীয়া পাহাৰক বাদ দিওঁ তেন্তে অসমৰ অংশ নাই বুলিয়েই কব পাৰি। কাৰণ এই দুটা জিলাত Percentage বেছি ; যিহেতুকে ইয়াত Missionaryৰ প্ৰচেষ্টা আছে। সেই কাৰণে এই দুখন জিলাত শিক্ষাৰ Percentage ভৈয়ামৰ জিলা কেইখনতকৈ বেছি। গতিকে অসমৰ জিলা কেইখনত ½ ভাগহে শিক্ষাৰ উন্নতি হৈছে বুলি কব পাৰি, সিও কেবল চহৰ এলেকাতহে।

শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠী : আমাৰ ভৈয়ামত শতকৰা ৯০ ভাগ স্কুল ৰাইজেই চলায় কাৰণে Percentage কম হৈছে।

মিষ্টাৰ চামচুল হুডা :— এইটো শিক্ষা সম্প্ৰসাৰণ নীতিত ভুল থকাৰ কাৰণে হৈছে। প্ৰাথমিক শিক্ষাৰ ফালেও যদি লক্ষ্য কৰা যায় — তেন্তে দেখা যাব যে তাতো চৰকাৰে সম্পূৰ্ণ ব্যৰ্থ হৈছে। এইটোৱে হল আমাৰ Government in constitution. তেওঁলোকে এই Government in constitution. ত যিটো নীতি ললে সেইটো কোনো প্ৰয়োজন নোহোৱাকৈয়ে ললে ; কিন্তু তাতো দেখা যায় শিক্ষাৰ সঙ্কোচন অৱস্থা।

আনফালে দেখা যায় যে শিক্ষাত বাধ্যতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে ; কিন্তু কৰিলে কি হব ? য'ত বাধ্যতামূলক পৰিদৰ্শন হব লাগে তাত কোনো পৰিদৰ্শনেই হোৱা নাই। ফলত শিক্ষাৰ সম্প্ৰসাৰণ অকণো হোৱা নাই আৰু বাধ্যতামূলক পৰিদৰ্শনৰ ব্যৱস্থা নকৰাৰ ফলতেই গোটেই অসমৰ স্কুল বিলাকৰ অৱস্থা অতি শোচনীয় হৈ পৰিছে। আনফালে পৰিদৰ্শন নোহোৱাত শিক্ষক সকলে ইচ্ছামতেই কাম কৰি আছে। কেতিয়াবা ছাত্ৰক কয় কালিলৈ আহিব নালাগে, পৰহিলৈ আহিলেও আহিবা আৰু নাহিলেও নাহিবা ; কিন্তু আজি ঘৰলৈকে গুচি যোৱা। এইদৰে দুই তিনি দিনৰ মূৰতহে যদি ছাত্ৰ সকলক স্কুললৈ আহিবলৈ কয়; তেন্তে অধ্যক্ষ মহোদয় : আপুনি নিজে ভাবি চাওকচোন সেই স্কুলখন কেনেকৈ চলিছে ?

আমাৰ অসমত সাধাৰণতে ২৫ হেজাৰ মান স্কুল আছে ; এই বিলাকত বাধ্যতামূলক পৰিদৰ্শনৰ প্ৰয়োজন। এই ২৫ হেজাৰ খন স্কুলত পৰিদৰ্শনৰ বাবে পৰিদৰ্শক নিযুক্তি কৰাৰ কোনো ব্যৱস্থা কৰা নাই। স্কুলৰ ঘৰ-দুৱাৰবিলাকৰ দূৰবস্থাৰ কথা মাননীয় সদস্য বহুতে কৈ গৈছে। সেই কাৰণে মই কৈছো যে ইয়াত দুটা কথা আছে। প্ৰথম কথা হল যে—যিমানখিনি স্কুলত যিমান পৰিদৰ্শন হব লাগিছিল তাৰ নাম মাত্ৰও পৰিদৰ্শন হোৱা নাই আৰু প্ৰয়োজনীয় অনুসাৰে পৰিৰ্শদক নিয়োগ কৰা নাই। দ্বিতীয়তে সেইবিলাকৰ বিৰুদ্ধে সদায় চৰকাৰে কাম কৰি আছে আৰু যি বিলাক স্কুলত বিশ্বাসী পৰিদৰ্শক দিব লাগে তাত দিয়া নাই যাৰ ফলত আজি এই শিক্ষাৰ অৱনতি ঘটিছে।

আৰু এটা কথা যি বিলাক স্কুল চৰকাৰে চলাইছে সেই বিলাকতো গুণগত ভাৱে কাম হোৱা নাই। আজি আমাৰ ৰাজ্যত বহুতো ভাল ভাল ছাত্ৰ আছে ; সেই বিলাকৰ আমি গুণগত ভাবে প্ৰয়োজনীয় ব্যৱস্থা নকৰাৰ বাবে হেৰুৱাব লগাত পৰিছোঁ। প্ৰাথমিক পৰ্য্যায়তে সেই ছাত্ৰ সকলৰ বাবে যিখিনি ব্যৱস্থা কৰিব লাগিছিল সেইখিনি অলপো কৰা নাই।

অধ্যক্ষ মহোদয়, আপুনি হিচাব কৰিলে পাব যে আমাৰ বহুতো ছাত্ৰই Merit Scholarship পায় ; কিন্তু তাকো চৰকাৰে কৰিছে কি যে কেৱল চহৰৰ খিনিকহে সেই Scholarship দিয়ে, গাৱঁৰ খিনিক দিবলৈ ইচ্ছা প্ৰকাশ নকৰে ফলত গাৱঁত থকা প্ৰাথমিক স্কুল বিলাক যি ধৰণে চলিব লাগিছিল সেইদৰে চলা নাই।

নগাৱঁৰ এখন স্কুলত এজন শিক্ষক আছে, তেওঁ প্ৰায়বিলাক দিনতেই তেজপুৰৰ কোনোবা এটা বজাৰত ছাগলী বেপাৰ কৰিবলৈ যায়। এই বিষয়ে কৰ্তৃপক্ষৰ ওচৰত কেইবাটাও আপত্তি কৰা সত্বেও একো ব্যৱস্থা চৰকাৰে লোৱা নাই। এই সম্পৰ্কত মই নিজে D. I. লৈ লিখিত ভাবে এখন দৰ্খাস্ত দিছিলোঁ — কিন্তু তাৰ দুদিনৰ পাছতে দেখিলো যে আকৌ ছাগলী কিনিবলৈ বজাৰলৈ গৈছে। এইদৰে মোৰ সমষ্টিত কেইবাটাও স্কুল আছে। তাৰ শিক্ষক সকলে কেৱল মাহেকৰ মূৰত দৰ্মহাটো লয়।

তাৰ বাহিৰে স্কুলৰ একো কাম নহয়। এইবিলাক কোনেও বিচাৰ নকৰে। তাৰ কাৰণ হৈছে যে দূর্নীতিৰ বিষয়ত শিক্ষা বিভাগৰ লগত পৰিদর্শক সকল জড়িত আৰু পৰিদর্শকৰ লগত শিক্ষক সকল জড়িত আছে। সেই কাৰণে Report দিলেও তাৰ বিচাৰ বা তদন্ত কোনো দিনেই নহয়। কাৰণ Policy কৰি ঘোচ দিলেই হয়। এনেকুৱা অসৎ ভাবে আমাৰ এল, পি, স্কুল বিলাক চলি আছে। এনেকুৱা কার্য্য বহুতো ঠাইত আমি দেখি আছোঁ।

আৰু এটা কথা প্ৰাথমিক স্কুলৰ পৰিদর্শন একেবাৰে নোহোৱা হৈছে — কেৱল প্ৰাথমিক স্কুলেই নহয় হাইস্কুল বা কলেজতো নোহোৱা হৈছে। এতিয়া হিচাব কৰি চাওক বছৰৰ ভিতৰত Inspector বা Sub-Inspector জনে কেইবাৰ স্কুল পৰিদর্শন কৰে? তেওঁলোকে পৰিদর্শন কেতিয়াবা কৰে, যেতিয়া কাৰোবাক কৰবালৈ বদলি কৰিবলগীয়া হয় আৰু যেতিয়া Building grantৰ টকা আছে; কাৰণ তেতিয়া ঘোচ খাবলৈ সুবিধা পায়। কোনোবাই কয় আমাৰ ফালে অলপ চাব লাগিব আৰু এজনে কয় আপুনি কোৱামতেই আমি কৰি দিছোঁ — আমাকহলে ৫০ টকা দিব লাগিব, আমি সদস্যসকলে Report নিদিওঁ, কিন্তু যিজন শিক্ষকৰ পৰা টকা খায় আৰু তেওঁ যদি Report দিয়ে তেন্তে তেওঁক তৎক্ষণাৎ পাহাৰলৈ নাইবা বহুত দূৰলৈ বদলি কৰি দিব। তাৰ মূল কাৰণ এইটো তেওঁলোকে দূর্নীতিত ইমান পাকৈত যে সেই শিক্ষক সকলৰ প্ৰতি অকণো আন্তৰিকতা নাই। ৯০০, টকা Grant আহিছে কিন্তু দিছে মাত্ৰ ৩০০, টকা, তাৰ পাছত আৰু কয় আপোনালোকৰ M. L. A. বা মন্ত্ৰীয়ে কি টকা Grant দিব? আমি যিটো লিখিম সেইটোহে হব, আমিহে Sub-Inspector, গতিকে আমি লিখামতেহে হব। ইফালে স্কুলখনত কি হৈছে কি নহৈছে তাৰ কোনো বিচাৰ নাই।

আজি হাইস্কুল বিলাক De-Recognised কৰিবলগীয়া হৈছে কিয়? আজি প্ৰাথমিক স্কুলত ১০ বছৰ পর্য্যন্ত পঢ়াই থাকিও এটা ল'ৰাকো বৃত্তি দিয়াব নোৱাৰে! তাৰ বাবে কিবা ব্যৱস্থা চৰকাৰে কৰিছেনে? নাই কৰা। সেই কাৰণে আমাৰ গাওঁবিলাকত থকা বহুতো চোকা মেধাবী ছাত্ৰকো আমি হেৰুৱাব লগাত পৰিছোঁ।

গতিকে আজি চৰকাৰে মঞ্জুৰী দিয়া ক্ষেত্ৰত আৰু দৰ্ম্মহা দিয়াৰ ক্ষেত্ৰত তীক্ষ্ণ চকু ৰখা উচিত। আজি মঞ্জুৰীৰ ক্ষেত্ৰত বৈষম্য দেখা গৈছে। আজি কোনোবাই শ্বিলঙলৈ আহি মন্ত্ৰী তথা এম, এ, এল, ক ধৰিছে আৰু মন্ত্ৰী বা এম, এ, এল,ৰ ধমকিত কিছু মঞ্জুৰী পাইছে। আৰু influence কৰিবলগীয়া হৈছে। চাৰি বছৰৰ আগতে তেওঁলোকে নাজানিছিল কাৰণে influence কৰিব নোৱাৰে। যি সকলে বা এই কৰ্ম্মচাৰী সকলে দেশৰ দূগৰ্দ্ধৰ কথা অলপ জানে সেই সকলে শিৱক যেনেকৈ উমাই ঘন্টা বজাই পূজা কৰে ঠিক তেনেকৈয়ে বিষয়ববীয়া সকলে যদি ঘন্টা বজাব পাৰে তেতিয়াহে তেওঁলোকৰ খাতিৰত কিছু টকা পাব পাৰে বা সুবিধা পাব পাৰে নহলে একোকে নাপায়। এয়ে হ'ল আজি দেশৰ অৱস্থা।

শিৱই ঘন্টা বজালে যেনেকৈ উমা চুপ থাকে সেইদৰেই যিসকল বিষয়ববীয়া হৈ ঘন্টা বজাব পাৰে সেই সকলেই টকা আদায় কৰিব পাৰে। এইবাৰ

এটা নতুন ফিৰকা কৰিছে। কিছুমান স্কুলত শিক্ষক বেছি আৰু কিছুমানত কম আছে। কিন্তু চৰকাৰে কৈ দিয়ে যে চলাই নিয়া। কেনেকৈ চলাই নিয়ে? শ্ৰেণী উঠাই দিব নোৱাৰে। এইবোৰ কথাৰ সমাধান কৰিবলৈ হলে জাতীয়কৰণ কৰিব লাগিব। যেতিয়ালৈকে জাতীয়কৰণ নকৰে তেতিয়ালৈকে এই বোজা দূৰ কৰিব নোৱাৰে। যিবিলাক চৰকাৰী স্কুল সেইবোৰ চৰকাৰী নিয়ন্ত্ৰণত চলে। সেই কাৰণে সেইবোৰ স্কুলৰ ফলাফল ভাল হয়।

অধ্যক্ষ মহোদয়, Grant বিতৰণৰ ক্ষেত্ৰত বহুত বেমেজালি হৈছে। অফিচত খবৰ কৰাত কলে যে মাৰ্চৰ ৩১ তাৰিখত চহী কৰিলে কাৰণে cash কৰিব নোৱাৰিলে আৰু পিচত পাব। কিন্তু পিচত খবৰ পালো যে সেই হিন্দীগ্ৰাণ্টৰ টকা কেতিয়াবাই draw কৰিলে আৰু বিতৰণ হৈ গল। এইদৰে ৰাইজক ভূৱা দিলে, আনকি চৰকাৰে এই সদনত ফাকি দিলে পিচতহে ধৰা পৰি স্বীকাৰ কৰিলে। হাইস্কুলত অতিৰিক্ত শিক্ষক দিয়াৰ কথা সোধাত কলে যে এপ্ৰিলতহে ঠিক কৰা হব। কিন্তু পিচত হয়তো কব যে মাৰ্চ মাহতেই কৰা হৈ গল। Building Grant দিয়াৰ ক্ষেত্ৰতো বানপানী আৰু ধুমুহাৰ কাৰণে যি মঞ্জুৰী দিছে সেইটো সকলোকে সমান দিছে। যত বানপানী হোৱা নাই তাতো দিছে বা যত ধুমুহাই নষ্ট কৰা নাই তাতো দিছে। আনকি বানপানীৰ মঞ্জুৰী ছিলঙতো দিছে। এইদৰে ৩১ মাৰ্চলৈকে পেলাই থোৱাৰ কাৰণেই এই বেমেজালি হৈছে। বাকী সময়ছোৱা চৰকাৰ শুই থাকে নেকি যে এই কামবোৰ ৩১ মাৰ্চলৈকে পৰি থাকে। সময় মতে কৰা হলে এনে বেমেজালি কেতিয়াও নহয়।

এই শিক্ষা বিভাগটো এটা স্থায়ী বিভাগ। কিন্তু এইবিভাগৰ Service Rule নাই। ফলত প্ৰমোচনৰ ক্ষেত্ৰত বৰ অসুবিধা হৈছে। আনকি চৰকাৰে নিজেও বিমোৰত পৰিব লগাত পৰিছে। সেইদৰেই Elementary Education Board কৰিছে কিন্তু তাৰো Service Rule নাই। আৰু এই বৰ্ডখন মাত্ৰ নিৰ্বাচন কেন্দ্ৰ হৈ পৰিছে। নিয়োগৰ ক্ষেত্ৰতো বহুত বেমেজালি হৈছে। প্ৰথমতে কিছুমানক reject কৰিলে। পিচত আকৌ সেই rejected মাল বোৰকে নিয়োগ কৰিলে। আমাৰ বৰ্ডৰ এটা মজাৰ কথা হল যে বৰ্ডৰ বৈঠকত যি সকলে বিৰোধিতা কৰে সেই কেইজনে খবৰ দিলে যে উপস্থিত থাকিব নোৱাৰে। গতিকে পিচুৱাব লাগে। কিন্তু বৈঠক নিপিচুৱালে কাৰণ সময় নাই, পিচে বৰ্ডত প্ৰস্তাৱ পাচ কৰোতে কৰিলে কি যে ৰজাবাৰী স্কুলৰ নিয়োগৰ ভাৰ দিলে Chairman ক আৰু বাকীবোৰকো সেইদৰেই কাম ভগাই দিলে, আমাৰ বন্ধু শ্ৰী কেহোৰাম হাজৰিকাই সকলো জানে, বৰ্ডৰ ১৪ জন সদস্যৰ ভিতৰত ৪ জন আছে বৰা বাকী বিলাকৰ উপাধিৰ কথা মই নেজানো। আৰু এখন বৰ্ড আছে তাত ৫ জনৰ ভিতৰত ২ জন বৰা। এইদৰে বৰাৰ প্ৰভুত্ব বেছি হৈ গৈছে।

আজি দেখা গৈছে কমিটিবিলাকৰ চেক্ৰেটাৰী নিয়োগৰ ক্ষেত্ৰত অৰাজকতা চলিছে। আমাৰ টিং সমষ্টিৰ K. B. High School ত দুখন কাগজৰ, এখন ২০ তাৰিখে Issue হৈছে আৰু আনখন ২১ তাৰিখে হৈছে। Head Master অৱসৰ লোৱাৰ পাছত Inspector য়ে তেখেতক স্কুলৰ চেক্ৰেটাৰী নিয়োগ কৰিলে। তাৰ পাছত ক্ষমতাত থকা দলে গৈ ২৩ তাৰিখে তেখেতক Stay কৰোৱালে কমিটিত নিয়োগ

কংগ্ৰেছৰ মানুহ বেছি হৈছে। কংগ্ৰেছ এম, এল, এ সকলক কমিটিত President কৰে, আমাৰ বিলাকক মেম্বাৰৰ পদ দিয়ে। গতিকে এই বিলাকৰ কাৰণে শিক্ষাৰ অৱনতি হৈছে — আৰু যাতে পৰিকল্পিতভাৱে এই কাম সমাধান কৰি দেশৰ ভবিষ্যত মঙ্গল সাধন কৰিব পাৰে, তাকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Smti Pranita Talukdar: Mr. Speaker Sir, I support the demand for Education. We know Sir, educatiom is the means by which a child learns to adjust to his environment and becomes adopted to it. We also know Sir, that a child is the product of the Society and therefore the system needed for the child should be based on the needs and requirements of the society. After the attainment of independence various programmes have been taken up by the Govtmant for the expansion and improvement of education from elementary to higher education. Our constitution also laid down for free, universal and compulsory education for the children between the age group 6 to 14 years and as a first step of attaining this goal elementary education has been made free and compulsory to the children of age group 6 to 10 years. Various facilities like scholarships equalising educational opportunities have also been provided. We also know that future of a nation mainly depends on the quality of the younger generation and the quality of the younger generation mainly depends on the quality of teachers. Therefore, various effective measures have been taken by the Government for providing good and necessary training to the teachers and attempts have also been made by the Government to improve the salary scales of the teachers as well as to raise their social status. But inspite of these attempts made by the Government, we have heard that there is deterioration of education.

Elementary education is to provide basic information and foundation needed for the life. Secondary education is to develop among pupils the quality of leadership needed for different walks of life and higher education seeks to increase the boundary of knowledge, and therefore, I think secondary education is to link between the two. So secondary education plays a vital role in the programme of education of the community and both quantitative and qualitative improvement in the system of secondary education is helpful,

because quantitatively it provides impetus to our younger generation to the age group of 11 to 17 years and qualitatively it prepares them for different walks of life. Quantitative expansion of education is needed if a democracy is to thrive and qualitative improvement must also be made along with it without which the real purpose of education cannot be achieved. [ Sir, the Secondary Education Commission of 1952-53, headed by Dr. Mudaliar have put forward various valuable recommendations for the improvement of the system of secondary education. One of the main recommendations of this Commission was the addition of one extra year to the secondary schools to make it a complete stage. Another recmmendation was to reconstruct the syllabus with diversified course. Another valuable recommendation of this Commission was to establish multi-purpose schools with co-curricular activities for giving leadership training for young persons. Following these recommendations, our State Government also converted many high schools into higher secondary multi-purpose schools, I do not know the number, but I feel that these higher secondary and multipurpose schools are quite helpful for giving leadership training to the young children. But I, however, think that in these higher secondary and multipurpose schools there is no uniformity in its objective and standard. In fact in some higher secondary schools, the scope for practical training is available, but in some schools there is no such scope. So there is no uniformity in its object and I would suggest that it is better to replace all the high schools or convert all the high schools into higher secondary multipurpose schools or to leave the high schools to remain as they are. Again, Sir, it has been reported by some students of higher secondary schools that there are so many subjects in the higher secondary schools, the children of the age group of 11 to 17 cannot cope with these subjects because those subjects are overlapping and there is no co-relation. Therefore if variety of subjects are introduced in the curriculam of the higher secondary and multipurpose schools, there should be co-relation, so that they may not be a burden to the young persons.

Again, Sir, as education can shape the future generation, it is quite imperative to ensure national uniformity in its main objective and standard which will really help in improving the quality of education. We know that epualisation of educational opportunity is to be given due importance, because it is the essence of democracy and education realising this objective can only help to make democracy a success. I quite agree with the view made by hon. ble member Shri Dulal Chandra Barua that education is incomplete if we do not help to improve the cultural activities of our young persons. So I hope our Government should take measures to encourage the cultural activities of the children, because only art and music with education can train up children in disciplining mind and body.

Again, Sir, I should like to say that girls' education should be given due importance. Particularly in our State we have seen that the buildings of the girls' high schools are in a very miserable condition, and the first step the Government should take is to reconstruct the buildings of these schools properly, because it is the good building which attracts more girls to the schools. We also know that it is only the educated male and female who can jointly contribute towards the development and improvement of the society. With these few words, Sir, I want to conclude my speech and I oppose cut motion.

শ্ৰীমনেশ্বৰ বড়ো :— মাননীয় অধ্যক্ষ মহোদয়, স্বাধীনতাৰ ২৫ বছৰৰ পাছত প্ৰাইমাৰী শিক্ষাৰ বহুল প্ৰচাৰৰ উদ্দেশ্যে অসমৰ গাৱে ভূঞে বহুতো স্কুল স্থাপন কৰা হল। আৰু এই প্ৰাইমাৰী স্কুলত শিক্ষা সমাপ্ত কৰি অহা লৰা-ছোৱালীক শিক্ষা দিবৰ বাবে এম, ই স্কুলৰ প্ৰয়োজন হৈ পৰিল, সেইদৰে M. E. Schoolৰ পৰা ওলাই অহা লৰা-ছোৱালীৰ বাবে হাইস্কুলৰ প্ৰয়োজন হৈ পৰিল। এতিয়া দেখা গৈছে যে হাইস্কুল আৰু এম, ই, স্কুলৰ সংখ্যা যথেষ্ট বৃদ্ধি হ'ল, কিন্তু এই চৰকাৰে সেই স্কুল সমূহক Deficit Grant দিব নোৱাৰে যদিও কিছুমান স্কুলক দিছে, Backward অঞ্চলৰ স্কুল সমূহে পোৱা নাই। ট্ৰাইবেল জনজাতীয় অঞ্চলত বহুতো Ad-hoc Grant পোৱা এম, ই, আৰু হাইস্কুল আছে, ইয়াত অন্যায় কৰা হৈছে। কাৰণ দেখা গৈছে আমাৰ ৰাইজৰ আৰ্থিক অৱস্থা অতিশয় বেয়া হোৱাৰ বাবে উপযুক্ত শিক্ষক ৰাখিব পৰা নাই। শিক্ষকক দৰমহা দিব পৰা নাই। আনহাতে গৱৰ্ণমেণ্টে Recognise কৰি দিছে। যেতিয়া কোনো স্কুল গৱৰ্ণমেণ্টে Recognise কৰে তেতিয়া তাৰ সকলো Condition সম্পূৰ্ণহয় ।

গতিকে Deficit Grant পোৱা স্কুলৰ আৰু Ad-hoc Grant পোৱা স্কুলৰ শিক্ষকৰ দৰমহা সমান হব লাগে। সমান দৰমহা দিয়াৰ প্ৰয়োজন কিয়নো Deficit আৰু Ad-hoc Grant পোৱা উভয় স্কুলৰে শিক্ষকসকল অৰ্হতা সম্পন্ন — গতিকে তাত দৰমহাৰ তাৰতম্য কিয় হয় বুজি নাপাও। Dass Commissionৰ Recommendation আছে গতিকে তেওঁলোকক মৰগীয়া বানচ দিব লাগে। কিন্তু চৰকাৰে এইটো কৰিবলৈ বিচৰা নাই। ইয়াৰ ফলত শিক্ষাদানত অসুবিধা হৈ পৰিছে।

শিক্ষক নিয়োগৰ ক্ষেত্ৰত আমাৰ যথেষ্ট খুটি-নাতি আছে। প্ৰাইমাৰী স্কুলৰ শিক্ষকৰ ক্ষেত্ৰত বিশেষকৈ জনজাতীয় অঞ্চলত স্থানীয় ল'ৰা থকা স্বত্বেও দূৰৰ পৰা শিক্ষক আনি নিয়োগ কৰা হয়। ইয়াৰ ফলত শিক্ষাৰ মানদণ্ড হ্ৰাস হৈছে। কিয়নো সেই শিক্ষকসকল শনিবাৰে ঘৰলৈ যায় আৰু সোমবাৰে আহি Class কৰিব নোৱাৰে। ইয়াৰ ফলত শিক্ষাৰ মানদণ্ড কমি গৈছে। গতিকে স্থানীয় শিক্ষক নিয়োগ কৰাটো মই উচিত বুলি ভাবো। ইয়াৰোপৰি প্ৰাইমাৰী স্কুলৰ শিক্ষক সকল থাকিবৰ বাবে বাসঘৰ নিৰ্ম্মান কৰি দিয়া অত্যন্ত দৰকাৰ। প্ৰাইমেৰী স্কুলৰ সাজসজুলিৰ অভাৱ প্ৰায়ে দেখা যায়। মেপ, বৰ্ড, গ্লোৱ আদিৰ অভাৱত প্ৰকৃত শিক্ষা দিয়া হৈছে বুলি কব নোৱাৰি। গতিকে যিবিলাক স্কুলত সা-সজুলিৰ অভাৱ তাত সোনকালে এইবিলাক যোগান ধৰিব লাগে। শুনিবলৈ পাইছো অলপতে D. P. I. অফিচৰ পৰা quotation দিছে যে যিবিলাক স্কুলত বৰ্ড নাই সেই-বিলাকত বৰ্ড দিব লাগে। এতিয়া দেখা গৈছে যিবিলাক বৰ্ড দিছে সেইবিলাকত লিখিব নোৱাৰি আৰু অনাহকতে চৰকাৰৰ টকা খৰচ হৈছে। গতিকে ইয়াৰ এটা সু-ব্যৱস্থা কৰিব লাগে। মই মাত্ৰ আৰু দুটামান কথা কৈয়ে সামৰণি মাৰিম।

১। বিভাগীয় স্বীকৃতি প্ৰাপ্ত হাইস্কুল সমূহত কাম কৰি থকা যি সকল শিক্ষক আৰু কাৰ্য্যালয়-সহকাৰীৰ কাৰ্য্যকাল দুই বছৰ পূৰ্ণ হৈছে সেই সকলক নিজ নিজ পদত স্থায়ীকৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে।

২। স্থায়ীকৰণ কৰাৰ লগে লগে শিক্ষক আৰু কাৰ্য্যালয়-সহকাৰী সকলক ভবিষ্যৎ পুজিৰ সুবিধা দান কৰিব লাগে।

৩। স্কুলে বিভাগীয় স্বীকৃতি লাভ কৰা তাৰিখৰে পৰাই সকলো শিক্ষক আৰু কাৰ্য্যালয় সহকাৰীক "দাস আয়োগৰ" বানচ আৰু মৰগীয়া বানচ দিব লাগে।

৪। বিভাগীয় স্বীকৃতি দান কৰা তাৰিখৰে পৰা চৰকাৰৰ প্ৰচলিত ঘাটি মঞ্জুৰী নিৰিখত সকলো স্কুলকে মঞ্জুৰী দিব লাগে।

৫। অসম মাধ্যমিক শিক্ষা বৰ্ডৰ স্বীকৃতি বাতিল নীতি বিনাস্বৰ্তে অবিলম্বে প্ৰত্যাহাৰ কৰিব লাগে।

৬। নৱম মান শ্ৰেণী খোলাৰ অনুমতি দিয়াৰ পিচৰ বছৰতে দশম মান শ্ৰেণী খোলাৰ অনুমতি দি লগে লগেই মাধ্যমিক শিক্ষা বৰ্ডৰ স্বীকৃতি দান কৰিব লাগে।

গতিকে এইখিনিকে কৈ যাতে শিক্ষাৰ উন্নতি কৰি আমাৰ দেশৰ উঠি অহা ল'ৰা-ছোৱালীক প্ৰকৃত জ্ঞান দি দেশৰ নাগৰিক হিচাবে গঢ়ি তোলে তাৰ বাবে অনু-ৰোধ কৰি এই প্ৰস্তাৱটো সমৰ্থন কৰিছো।

শ্ৰী ভূবনেশ্বৰ বৰ্মন :— মাননীয় অধ্যক্ষ মহোদয়, এই শিক্ষাৰ শিতানত যিটো কৰ্ত্তন প্ৰস্তাৱ আহিছে সেইটো সমৰ্থন কৰি কব বিচাৰো যে আমাৰ যিটো শিক্ষা পদ্ধতি চলি আছে, সেই পদ্ধিতিয়ে আমাৰ দেশৰ চাহিদাপূৰণ কৰিব পৰা নাই। এজন শিক্ষাবিদে এই প্ৰসঙ্গত কৈছিল যে বৰ্ত্তমানৰ শিক্ষা পদ্ধতিয়ে আমাৰ ডেকা সকলক অকামিলা কৰিছে। কাৰণ B. A. বা M. A. পাছ কৰিয়ো তেওঁলোকে চাকৰি নাপালে শিক্ষা এনেয়ে যায়। গতিকে যদি এই শিক্ষিত ডেকা সকলক চাকৰি দিব পৰা নাযায় তেনেহলে শিক্ষা লৈয়েই বা লাভ কি হব ? সেই কাৰণে যিটো নিবনুৱা সমস্যা হৈছে সেইটো বৰ্ত্তমান শিক্ষা পদ্ধতিৰে কেতিয়াও দূৰ কৰিব পৰা নাযাব। সেই কাৰণে বৰ্ত্তমান শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তন আনিব লাগিব। থুল-মুলকৈ এই খিনিকে কৈছো—আনফালেদি স্বাধীনতা পোৱাৰ আগতে চৰকাৰে শিক্ষাত যিমান টকা খৰচ কৰিছিল বৰ্ত্তমান তাতকৈ বহুগুণে বেছি খৰচ কৰিছে। কিন্তু কিয় কৰিব লগা হৈছে সেইটো চাব লাগিব। আগতে শিক্ষা কেৱল মুষ্টিমেয় লোকৰ মাজত আবদ্ধ আছিল কিন্তু দেশ স্বাধীন হোৱাৰ পিচত যি Mass Education ৰ ব্যৱস্থা হৈছে — সেই মতে টকা বেছি খৰচ কৰিবই লাগিব। কিন্তু টকা বেছি খৰচ কৰিলেই শিক্ষা ক্ষেত্ৰত আগ বাঢ়িছো বুলি আত্মসন্তুষ্টি লাভ কৰিলে নহব। উপযুক্ত শিক্ষাইহে শিক্ষাৰ উন্নতিক বুজায়, কিন্তু আমি যি দেখিছো সাধাৰণতে আজি শিক্ষাৰ নিম্নস্তৰৰ প্ৰতি কোনো গুৰুত্বই দিয়া নাই। উপযুক্ত ভেটি নহলে যেনেকৈ তাৰ ওপৰত অট্টালিকা সাজিব নোৱাৰি, তেনেকৈ প্ৰাথমিক স্তৰত উপযুক্ত শিক্ষা দিব নোৱাৰিলে ওপৰৰ স্তৰৰ শিক্ষাত বিশেষ উন্নতি হব বুলি আশা কৰা নাযায়। মই বাৰে বাৰে কৈ আহিছো যে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত শিক্ষকৰ সংখ্যা বঢ়াব লাগে। কিন্তু গাঁৱৰ স্কুলৰ অৱস্থা দেখিলে অত্যন্ত দুখ লাগে। শিক্ষকৰ সংখ্যাটো বঢ়া নাইয়েই তদুপৰি গাঁৱৰ স্কুল বিলাকৰ ঘৰ ভঙা, চাল বেৰ ফুটা। Map ইত্যাদি নাই তদুপৰি এজন শিক্ষকে স্কুল চলাব লাগে। শিক্ষকসকল কিবা কাৰণত স্কুললৈ আহিব নোৱাৰিলে স্কুল ছুটি। এই অৱস্থাৰ ওপৰত গুৰুত্ব দিব লাগিব। সেই কাৰণে প্ৰথমতেই প্ৰাথমিক স্কুলত — অন্ততঃ দুজনকৈ শিক্ষক দিয়াৰ ব্যৱস্থা কৰিব লাগে।

মুখ্যমন্ত্ৰীয়ে venture স্কুল লব বুলি কোৱাত ভাল পাইছো কিন্তু শিক্ষকৰ সংখ্যা বৃদ্ধিত গুৰুত্ব নিদি কেৱল স্কুল বঢ়ালেই সমস্যা সমাধান নহব। আমাৰ Secondary Education Board ত যিবিলাক নিয়ম দিয়া হৈছে তাৰ মাজত সামঞ্জস্য নাই। আকৌ চৰকাৰে যিটো শিক্ষক বাচনি পৰীক্ষা কৰিছিল তাত উত্তীৰ্ণ হৈ থকা সকলক নিগাজী চাকৰী নিদি ১৯৬৩ চনত Matric পাচ কৰা শিক্ষক সকলক দিলে। Board আৰু বিধানসভাত প্ৰশ্ন কৰিছিলো যে Basic Training দি অনা সকলক চাকৰি নিদিয়াৰ কাৰণে D. I. ৰ পিছে পিছে ঘুৰি ফুৰিব লগা অৱস্থা কিয় হৈছে ? আনফালেদি Matric Normal fail হোৱা সকলক চাকৰি দিবৰ ব্যৱস্থা হৈছে আৰু founder শিক্ষক জনক পোনপটীয়াভাবে নিযুক্তি দিয়াৰ ব্যৱস্থা আছে founder শিক্ষক জনৰ কিমান শিক্ষা থাকিব লাগিব তাৰ কোনো উল্লেখ নাই seniority, Basic Qualification অনুযায়ী fix কৰাৰো ব্যৱস্থা থাকিব লাগে।

Mother Teacher কিছুমান আছে — তেওঁলোকক দৰ্মহা হিচাবত মাত্ৰ ২০/৩০ টকা দিয়া হৈছে অথচ তাৰ লগত কোনো Increment — নাই, scale নাই, একোৱেই নাই। যদি Mother Teacher লয় সকলোতে লওক নহলে এটা unifrom scale দিয়ক, এই বৈষম্যটো দূৰ কৰিব লাগে। প্ৰাথমিক স্কুলৰ ক্ষেত্ৰত কেৱল চহৰতে বেচি টকা পইচা খৰচ কৰা দেখা যায়। কিন্তু গাঁৱত সেই অনুযায়ী টকা খৰচ কৰাৰ ব্যৱস্থা নাই। সেই কাৰণে গাঁৱৰ স্কুলত যাতে বেচি টকা পইচা খৰচ কৰিব পৰা যায় তাৰ বাবে বেচি গুৰুত্ব দিব লাগে। শিক্ষা মন্ত্ৰীয়ে গাৱঁৰ বিষয়ে নিজে বুজে গতিকে তেখেতে গাৱঁৰ স্কুলবিলাকৰ অৱস্থাটো পৰিবৰ্তন কৰিবলৈ চেষ্টা কৰিব লাগে।

( সময়ৰ সংকেত )

মই হিন্দী Teacherৰ বিষয়ে কব খুজিছো, হিন্দী শিক্ষা আমি ৰাষ্ট্ৰ ভাষা হিচাবে গ্ৰহণ কৰিছো কিন্তু কেতিয়াৰ পৰা ৰাষ্ট্ৰভাষা ৰূপে প্ৰয়োগ হব তাৰ এটা Plan লাগে। কিন্তু আমি ইয়াৰ কোনো পৰিকল্পনা দেখা নাই। এই বিষয়ে মই বাৰে বাৰে বিধানসভাত জনাই আহিছো, ৰাষ্ট্ৰভাষাক জনাইছো আৰু বিভিন্ন ধৰণৰ অনুষ্ঠানতো কৈ আহিছো, কিন্তু টকা হিন্দীৰ নামত খৰচ হলেও কোনো সুযোগ পোৱা নাই।

এই পৰিকল্পনা লোৱাৰ কাৰণে আমি বাৰম্বাৰ বিভিন্ন ক্ষেত্ৰত চৰকাৰৰ ওচৰত বিধানসভাৰ যোগেদি অসম ৰাষ্ট্ৰভাষা সেৱক সংঘৰ যোগেদি আৰু অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ যোগেদি নানান পৰামৰ্শ দিয়া সত্বেও আজিলৈকে চৰকাৰে এটা স্পষ্ট নীতি গ্ৰহণ কৰা নাই ; অথচ আনফালে হিন্দীৰ নামত যথেষ্ট টকা-পয়চা খৰচ কৰিছে ; এই বিলাক অযথা খৰচ কৰা হৈছে ; ইয়ায় প্ৰকৃত উদ্দেশ্য সফল হোৱা নাই। বৰঞ্চ অৱহেলা কৰাহে আমি দেখিবলৈ পাইছোঁ।

আনফালে চৰকাৰে M. E. আৰু M. V. আৰু High Schoolত Hindi বাধ্যতামূলক কৰিছে ; বাধ্যতামূলক কৰাৰ পাছতো আজি Hindi প্ৰচাৰৰ বাবে চৰকাৰে স্পষ্ট নীতি গ্ৰহণ নকৰাত আমি যথেষ্ট দুখ পাইছোঁ। আনকি হিন্দী শিক্ষকেই যদি নিয়োগ নকৰে, তেন্তে বাধ্যতামূলক কৰাৰ কি অৰ্থ থাকিল।

আজি কালি সকলো ৰাজ্যতে হিন্দী কলেজ হৈছে, ৱাৰ্দ্ধা প্ৰচাৰ সমিতি আছে, আৰু অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি আছে। এই অনুষ্ঠান বিলাকৰ যোগেদি হিন্দী শিক্ষক তৈয়াৰ কৰা হয়, কিন্তু এতিয়া তেওঁলোকে শিক্ষকৰ চাকৰি বিচাৰি হাবাথুৰি খাইছে। স্কুলবিলাকে হিন্দী শিক্ষক সকলক মাত্ৰ Lumpsum হিচাবে ৫০/৬০ টকা দিয়ে ; অন্যান্য Allowance নাই। এই কম টকা দিয়াৰ কাৰণে হিন্দীত কাম কৰিবলৈ কোনো মানুহৰে ইচ্ছা নহয়। চৰকাৰী স্কুলত কাম কৰা সকলেও মাত্ৰ ১৪০ টকাহে পায় ; সেই কাৰণে এই কম টকাৰে চলিব নোৱাৰাত হিন্দী বিভাগ এৰি অন্য বিভাগলৈ গুচি যায়। ফলত স্কুলত হিন্দী পঢ়াবলৈ কাৰো ইচ্ছা নহয়।

ডিফুত এটা হিন্দী ট্ৰেইনিং চেণ্টাৰ আছে ; তাত মাহে ১২৫ জন লʼৰাক ট্ৰেইনিং লবলৈ দিয়া হয়। এইদৰে কিমান ছাত্ৰক ট্ৰেইনিং দি কিমান টকা খৰচ কৰিলে তাৰ কোনো হিচাব নাই অথচ তেওঁলোকক পাছ কৰাৰ পাছত কোনো

স্কুলতেই নিয়োগ কৰা নহয়। কিমানে ৰাষ্ট্ৰভাষাত বিশাৰদ পাছ কৰিলে আৰু কিমানে প্ৰবীণ পাছ কৰিলে তাৰ কোনো হিচাব নাই আৰু চৰকাৰে তাৰ হিচাব ৰাখিবৰ কাৰণেও কোনো চেষ্টা কৰা নাই। আনফালে কেন্দ্ৰীয় চৰকাৰে এই হিন্দী ভাষা প্ৰত্যেক ৰাজ্যতে বহুল ভাবে প্ৰচাৰ কৰিবৰ বাবে যথেষ্ট টকা Planঅত ধৰিছে আৰু সেইমতে খৰছো কৰিছে। কিন্তু সেইমতে অন্যান্য ৰাজ্যৰ দৰে অসম চৰকাৰে হিন্দী শিক্ষা প্ৰচাৰত অকণো চেষ্টা কৰা নাই। সেই কাৰণে অধ্যক্ষ মহোদয়, এই ব্যৱস্থাটো কাৰ্য্যকৰী কৰিবৰ কাৰণে মই মূখ্য মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। আৰু এইক্ষেত্ৰত অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ পৰামৰ্শমতে সকলো ব্যৱস্থা হাতত লব লাগে; লগতে এই হিন্দী প্ৰচাৰৰ আমূল পৰিবৰ্ত্তন আনিব লাগে।

আৰু এটা কথা যে আজি ১০ বছৰে M. E. Schoolঅত হিন্দীত শিক্ষকতা কৰি অহা শিক্ষক সকলে D.A. পাই আছিল কিন্তু হঠাতে তেওঁলোকৰ increment আৰু D. A. বন্ধ কৰি দিছে, বহুতে ১৭২ টকা increment পাইছিলগৈ। তাৰ ঠাইত এতিয়া তেওঁলোকক এটা Lumpsum দিছে মাত্ৰ ১৪০, টকা।

তাৰ পাছত হিন্দী Grant ৰ কথাওঁ মই প্ৰত্যেক সদনতে কৈ আহিছোঁ, এই বিষয়ে এটা প্ৰস্তাৱো লোৱা হৈছিল; কিন্তু আজিলৈকে কাৰ্য্যকৰী কৰা হোৱা নাই। কিন্তু এইটো হব নোৱাৰিব; মই কিয় হব নোৱাৰে বুলি কৈছোঁ কাৰণ ইয়াৰ কেকুণ মই জানো; কিন্তু মই নকওঁ। এই ব্যৱস্থাটো পৰিবৰ্ত্তন কৰিবৰ কাৰণে যদি মাননীয় মুখ্যমন্ত্ৰী নিজে আগবাঢ়ি নাহে, তেতিয়াহলে সকলো কথা মই বুজাই দিম।

আৰু এটা কথা যে হিন্দীৰ দুটা দৰমহা নিৰিখ আছে। এটা হল Senior সকল (প্ৰাৰঙ্গত) আৰু আনটো junior সমিতিৰ বিশাৰদ পৰ্য্যায়ৰ। পাৰঙ্গত পাছ কৰিলে ২০০ টকাৰ পৰা ৫০০ টকালৈকে দৰ্মহা পায়। ১৯৫২ চনতে স্বৰ্গীয় গোপীনাথ বৰদলৈ দেৱ মুখ্যমন্ত্ৰী হৈ থাকোঁতে তিনিজন পুৰণি অভিজ্ঞ শিক্ষক ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ পৰা আনে আৰু কোৱা হৈছিল যে তেওঁলোকক বিশেষ সুবিধা দিয়া হব। এতিয়া তেওঁলোকে Senior Scale নোপোৱাটো দুখৰ বিষয়।

এই বিষয়ে আমাৰ আগৰ শিক্ষামন্ত্ৰী Shri J. B. Hagjer শিক্ষামন্ত্ৰী হৈ থাকোঁতে তেওঁলোকক Senior Scale দিয়া হব বুলি কৈছিল। কিন্তু এতিয়াও নতুন বেতন দিয়া নহল। আৰু তিনিবাৰকৈ হিন্দী উপদেষ্টা কমিটীয়ে অনুমোদন জনোৱা সত্বেও Senior Scale দিয়া নাই। সেই কাৰণে অধ্যক্ষ মহোদয়, মই কব বিচাৰিছোঁ যে অসম চৰকাৰে নিপুন পৰীক্ষাক স্বীকৃতি দি ২০০-৫০০ টকাৰ বেতন দিব লাগে। গতিকে ৰাজ্য চৰকাৰে কৰো বুলিলে নিজে কৰিব পাৰে।

১৯৬৪ চনৰ পৰা বেতন কমিটিয়ে দৰ্মহা নিৰ্দ্ধাৰণ কৰিছিল, কিন্তু আজিলৈকে হিন্দী শিক্ষকৰ বাকী থকা বেতন দিয়া হোৱা নাই।

গতিকে অধ্যক্ষ মহোদয়, এই বিলাক যাতে পৰিস্কাৰ ভাবে কৰিব বুলি আশা কৰি মোৰ বক্তব্য সামৰিলোঁ।

শ্ৰীজালালুদ্দিন আহমেদঃ অধ্যক্ষ মহোদয় Cut motionত মোৰ নামটো ৩ নং তে আছিল; কিন্তু মোৰ প্ৰতি injnstice কৰা হৈছে। মই এটা

সমস্যাবহুল অঞ্চলৰ পৰা নিৰ্ব্বাচিত হৈ আহিছোঁ। আমাৰ সাধাৰণ শিক্ষাৰ ক্ষেত্ৰত ২৫ কৌটি ৯৪ লাখ ২২ শ টকা খৰচ কৰিছে যদিও শিক্ষাৰ ক্ষেত্ৰত বিশেষ অগ্ৰগতি লাভ কৰিব পৰা নাই।

মোৰ সমষ্টিত কিছুমান স্কুল আছে যে তাত শিক্ষক সকলে ৩০/৪০ টকাত কাম কৰি আছে। আমাৰ ১২ মাহতহে এবছৰ হয়, কিন্তু শিক্ষক সকলৰ কাৰণে ৫ মাহেই এবছৰ। তেওঁলোঁকে ১৫ দিন ঘৰত থাকে ৬ মাহ স্কুলত থাকে আৰু বাকী কেইমাহ কি কৰে জনা নাযায়।

প্ৰাথমিক স্কুলত ছাত্ৰ নোহোৱা বাবেই M. E. স্কুল নতুবা M. E. Madrassa, হাইস্কুল আৰু কলেজতো ছাত্ৰ নাথাকে। কিন্তু কি কাৰণত এইদৰে ছাত্ৰৰ সংখ্যা কমিল ? ইয়াৰ কাৰণ হিচাবে কব পাৰোঁ যে Inspector সকলেও স্কুল সমূহ পৰিদৰ্শন নকৰে। আৰু শিক্ষকসকলো উপস্থিত নাথাকে। Leave Vacancy বা Deputation Vacancyত দিয়া শিক্ষক সকলে ল'ৰাৰ লগত চিনাকী হৈ সহজ হওঁতেই কেইবাদিনো যায়। আকৌ ঘৰত গৈ ১৫ দিন থাকে। এইবিলাক কাৰণতো ছাত্ৰসংখ্যা কমি গৈছে। গতিকে শিক্ষা মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যাতে শিক্ষা বিভাগৰ এইবিলাক খেলি-মেলি আঁতৰাবলৈ ভাল পৰিকল্পনা কৰে। নিয়োগৰ ক্ষেত্ৰত দেখা গৈছে যে এইবিলাক স্কুলত নৰ্মাল পাচ, নৰ্মাল ফেইল নতুবা বি-টি পাচ মানুহক নিয়োগ কৰিবলৈ Regional Board কৰিছে। অথচ Basic পাচ নোহোৱা স্বত্বেও Simple Matriculale ক নিয়োগ কৰিছে। গতিকে এইবিলাক দূৰ্নীতি আঁতৰাবলৈ মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালোঁ।

মোৰ সমষ্টিটো বান-পীড়িত অঞ্চল। ব্ৰহ্মপুত্ৰৰ পানীয়ে গোটেই অঞ্চল প্লাবিত কৰিছে। প্ৰায় ৬০ খন মান স্কুলৰ ঘৰ-দুৱাৰ ভাঙি বিধ্বস্ত হৈ গৈছে। আকৌ ১২/১৪ খনমান গাওঁৰ স্কুল ধ্বংসপ্ৰাপ্ত হোৱা হেতুকে ল'ৰা-ছোৱালীৰ অসুবিধা হৈছে। ১৮ খনমান স্কুল ব্ৰহ্মপুত্ৰই উটাই নিছে। কিন্তু ইয়াৰ বাবে কোনো Building Grant আদিৰ ব্যৱস্থা কৰা নাই। অতি সোনকালে ইয়াৰ ব্যৱস্থা কৰিব লাগে।

আকৌ Grant নিবলৈ শিক্ষকসকল আহে যদিও হোটেলৰ ভাড়া আৰু খোৱা খৰছ দিবলগীয়া হয় অথচ অফিচতো কেৰাণীয়ে ভেটি খোজে ফলত হোটেলত থাকি টকা বেচি খৰছ কৰাতকৈ কেৰাণীক টকা-পইচা আদি দি হলেও কাম আদায় কৰি লৈ যাবলগীয়া হয়। এইবিলাক দুৰ্নীতিলৈ চকু দিব লাগে আৰু School ৰ Grant পোৱাত যাতে পলম নহয় সেইটো নজৰ কৰিব লাগে। D. P. I. ৰ অফিচৰ কাম সোনকালে হলে তলৰ অফিচ বিলাকৰ কাম তাৰাতাৰি হব।

আকৌ মোৰ সমষ্টিৰে এখন স্কুললৈ এজন পৰিদৰ্শক গৈ শিক্ষকৰ যথোচিত উপস্থিতি নথকা বাবে ছাত্ৰ উপস্থিত থকা নাপালে Deserted Banqeut Hall যেনহে পালে। ফলত সেই স্কুলখনৰ Grant কাটি দিছে। এতিয়া তাৰ ফলত ৫ খন গাওঁৰ ল'ৰা-ছোৱালীয়ে অসুবিধা ভোগ কৰিবলগীয়া হৈছে। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক সেই স্কুলখনক পুনৰ Grant দিবলৈ অনুৰোধ জনালো। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker :— আপোনাৰ Injustice word টো withdraw কৰক

শ্ৰী জালালুদ্দিন আহমেদ — withdraw কৰিছোঁ।

শ্ৰীঅবলা কান্ত গোস্বামী — অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি আমাৰ মাননীয় সদস্য সকলে বিভিন্ন দৃষ্টিভঙ্গীৰে কোৱা প্ৰায় আ-টাইবিলাক কথাই মই সমৰ্থন কৰিছো। লগতে মই আৰু দুটামান কথা যোগ কৰিব খুজিছোঁ। খবৰ কাগজত ওলোৱা census ৰ কথা যদি সচাঁ বুলি ভাবি লওঁ তেনেহলে দেখা যায় আমাৰ ৰাজ্যৰ নিৰক্ষৰতা বেছি দূৰ কৰিব পৰা নাই। স্বাক্ষৰতা যোৱা দশকত যি আছিল এতিয়াও সেইটোৱেই আছে। শিক্ষা বিভাগৰ শিতানত চৰকাৰে বহুত টকাই খৰছ কৰিছে যদিও সেই খৰছ অনুপাতে আমি কিবা ফলাফল পাইছো নে নাই সেইটো চিন্তা কৰাৰ সময় হ'ল। বৰ্দ্ধিত জনসংখ্যা অনুপাতে শিক্ষাৰ সুবিধা যোগাব পৰা নাই। আকৌ পিচপৰা অঞ্চল সমুহত বা অনুন্নত অঞ্চলবোৰত অধিক পৰিমানে স্কুল গঢ়ি তুলিব পৰা নাই। আনহাতে জনজাতীয় অঞ্চলত বা অনুন্নত অঞ্চলৰ লোকসকলে তেওঁলোকৰ ল'ৰা-ছোৱালীক দূৰলৈ পঠিয়াবলৈ মান্তি নহয়। গতিকে সেই ফালৰ পৰাও সেই অঞ্চল বিলাকত উপযুক্ত পৰিমানে স্কুল গঢ়ি তুলিব লাগে। তেতিয়াহে স্বাক্ষৰতা বৃদ্ধি পাব। জনজাতীয় অঞ্চলবিলাকত ল'ৰা-ছোৱালীৰ শিক্ষাৰ প্ৰতি ধাউতি এনেই কম তাতে যদি স্কুলৰ দূৰত্ব বেছি হয় তেনেহলে স্বাক্ষৰতা অহাত নিশ্চয় পলম হব। সেইকাৰণে সেই অঞ্চল বিলাকলৈ স্বাক্ষৰতা আনিবলৈ হলে স্কুলৰ grant আদি বা স্কুল স্থাপনৰ ক্ষেত্ৰত তৰান্বিত হোৱাটো আশা কৰিলোঁ।

এই সম্পৰ্কে আৰু এটা কথা চৰকাৰৰ দৃষ্টিগোচৰ কৰিব খুজিছো যে প্ৰত্যেক উন্নয়ন খণ্ডতে সামাজিক শিক্ষা বিষয়া আছে। এওঁলোকক ৰখাৰ উদেশ্য এয়ে যে গাৱলীয়া নিৰক্ষৰ ৰাইজক শিক্ষা দিয়া আৰু গাৱলীয়া লাইব্ৰেৰী পৰিচালনা কৰা আৰু শিক্ষা প্ৰচাৰ কৰা। আৰু Visual Education যেনেকৈ চবি আৰু চিনেমা আদিৰ দ্বাৰাই ৰাইজৰ ভিতৰত যি বেয়া ৰীতি-নীতি আছে সেইবিলাক দূৰ কৰি আমাৰ সমাজ খনৰ উন্নতি কৰা। কিন্তু বৰ্ত্তমান আমি দেখিছো যে বয়সীয়াল সকলৰ শিক্ষা ব্যৱস্থা এই সামাজিক শিক্ষাৰ বিষয়া সকলে কৰা নাই আৰু গাৱলীয়া লাইব্ৰেৰী বিলাকো মুঠেই চলা নাই। চবি আদি দেখুৱাই যি শিক্ষা দিব লাগিছিল সেই বিলাকৰ কাম হোৱা নাই। গতিকে মই ভাবো এই সামাজিক শিক্ষা বিষয়া বিলাকক এতিয়া যি কামৰ কাৰণে ৰখা হৈছে সেই কাম যাতে ভালকৈ চলোৱা হয় তাৰ কাৰণে চৰকাৰে চোকা দৃষ্টি দিয়ক আৰু লগতে যদি তেখেত সকলক প্ৰয়োজনীয় আৰ্থিক সাহাৰ্য্য দিয়ক নাইবা আন কিবা কামত লগোৱা হওক। যাতে তেওঁলোকক যি কামৰ কাৰণে দৰ্ম্মহা দিয়া হৈছে তাৰ কাৰণে ৰাইজে প্ৰতিদান পায়।

তাৰ পাচত আমাৰ মাননীয় সদস্য শ্ৰী নকুল দাস ডাঙৰীয়াই কোৱাৰ দৰেই জনজাতি আৰু অনুসুচিত জাতিৰ ল'ৰা-ছোৱালী বিলাকৰ কাৰণে মাচুল অনুদান মঞ্জুৰীৰ স্কুলবিলাকক মাহে মাহে দিব লাগে। আৰু ইয়াৰ লগতে যিবিলাক ল'ৰা-ছোৱালীক Class (VI) লৈকে মাচুল নিদিয়াকৈ পঢ়িবলৈ দিয়া হৈছে আৰু ছোৱালীৰ ক্ষেত্ৰত Class VIII লৈকে নিদিয়াকৈ পঢ়িবলৈ দিয়া হৈছে। তাৰ বাবত যি টকা হয় সেই টকা চৰকাৰে মাহে মাহে স্কুলবিলাকক দিব লাগে। নহলে স্কুল বিলাকৰ শিক্ষক সকলক দৰ্ম্মহা দিয়াত অসুবিধা হয়। ইয়াৰ উপৰিও Additional Sectonৰ কাৰণে প্ৰত্যেক স্কুলতে যি খৰচ হয় সেই বিলাকৰ মঞ্জুৰী নিদিলে দুটা কথা হয় —। প্ৰথম কথাটো হৈছে উপযুক্ত শিক্ষক দৰমহা দি ৰাখিব

নোৱাৰাৰ ফলত শিক্ষা বেয়া হয়। দ্বিতীয়তে যদি Class বিলাকত Section নুখোলে তেতিয়া হলে প্ৰত্যেক Classতে ইমান ল'ৰা হয় যে তেওঁলোকক পাঠ দিয়াত অসুবিধা হয়। অলপ মান টকাৰ কাৰণে শিক্ষা বেয়া কৰাটো উচিত নহয়। যিহেতু ৰাইজক শিক্ষা দান কৰাটোৱেই চৰকাৰৰ প্ৰধান কৰ্ত্তব্য আৰু টকা নাই বুলি এই দায়িত্বৰ পৰা হাত সাৰিবলৈ যত্ন কৰাটো সমীচিন নহব।

শেষত Aided High School ৰ শিক্ষক সকলৰ সম্পৰ্কত কও যে Aided High School ৰ শিক্ষক সন্থাৰ লগত আলোচনা ক্ৰমে চৰকাৰে কথা দিছিল যে ১৯৬৭ চনৰ চেপ্তেম্বৰৰ পৰা ১৯৬৮ চনৰ ৩১ মাৰ্চলৈকে এই সাত মাহৰ দাস কমিশ্যণে দিয়া বানচ দিয়া হব ১৯৬৮-৬৯চনত। কিন্তু এতিয়ালৈকে দিয়া হোৱা নাই। ফেব্ৰুৱাৰী মাহৰ আগতে সজাতি দল এটাই মুখ্য মন্ত্ৰীক দেখা কৰিছিল — আৰু তেখেতে তেতিয়া কৈছিল যে ৩১ মাৰ্চৰ আগতে কিয় তাৰো বহু আগতে দিব পৰা হব পাৰে। কিন্তু এতিয়ালৈকে এই টকা শিক্ষক সকলে পোৱা নাই। চৰকাৰে কথা দি কথা ৰাখিব নোৱাৰিলে ৰাইজৰ চৰকাৰৰ প্ৰতি থকা আস্থা কমি যায়। এই কথা চৰকাৰে মনত ৰখা উচিত বুলি মই ভাবো। ইয়াকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ— অধ্যক্ষ মহোদয় শিক্ষা শিতানত উত্থাপন কৰা কৰ্ত্তন প্ৰস্তাব বিলাকৰ সম্পৰ্কত যি আলোচনা কৰিছে তাত যথেষ্ট কথাই আলোচনা কৰা হৈছে। আজি এটা কথা আমাৰ ইয়াত সাধাৰণতে চৰকাৰৰ পক্ষৰ পৰা কোৱা হয় যে আমাৰ প্ৰদেশ খনত স্কুল কলেজৰ সংখ্যা যথেষ্ট বাঢ়িছে। আৰু আগতকৈ শিক্ষাৰ শিতানত খৰচ বাঢ়ি গৈছে। আমাৰ প্ৰদেশ খনত শিক্ষাৰ শিতানত খৰচ বঢ়াতো আৰু স্কুল কলেজৰ সংখ্যা আগতকৈ বৃদ্ধি হোৱাতো অস্বীকাৰ কৰিব নোৱাৰো। কিন্তু ইয়াৰ দ্বাৰা আমাৰ প্ৰদেশ খনৰ যি ধৰনেৰে শিক্ষাৰ সম্প্ৰসাৰণ হব লাগিছিল; পৃথিৱীৰ অনান্য দেশৰ কথাই নকও ভাৰতবৰ্ষৰ অনান্য প্ৰদেশৰ তুলনাত আমাৰ প্ৰদেশখনত যি ধৰণেৰে হব লাগিছিল সেই অনুপাতে এতিয়াও হোৱা নাই, যথেষ্ট কম।

প্ৰাইমাৰী শিক্ষাৰ সম্পৰ্কত দেখা যায় যে আমাৰ প্ৰদেশখনত বৰ্ত্তমান ৩০ হেজাৰখন প্ৰাইমাৰী স্কুল আছে। আৰু এতিয়াও আমাৰ প্ৰদেশ খনত এনেকুৱা বহুত গাওঁ আছে যি বিলাকত এখনো প্ৰাইমাৰী স্কুল হৈ উঠা নাই। বা এনেকুৱা কিছুমান অংশ আছে যত প্ৰয়োজনৰ তুলনাত স্কুলৰ সংখ্যা যথেষ্ট নহয়। আমাৰ প্ৰদেশ খনত বা ভাৰতবৰ্ষৰ সংবিধানত ১০ বছৰৰ ভিতৰত বাধ্যতামূলকভাবে প্ৰাইমাৰী শিক্ষা প্ৰবৰ্ত্তণ কৰাৰ কথা আছিল। কিন্তু এই ১০ বছৰৰ ভিতৰত আমাৰ প্ৰদেশত বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ প্ৰবৰ্ত্তন হৈছে বুলি আমি কব নোৱাৰো। এতিয়ালৈকে প্ৰাথমিক স্তৰত যি শিক্ষা দিয়া হয় তাৰ ওপৰতে উচ্চ শিক্ষা বহুখিনি নিৰ্ভৰ কৰে! এই প্ৰাথমিক শিক্ষাকেই সকলো শিক্ষা ব্যৱস্থাৰ মেৰুদণ্ড বুলি কব পাৰো। এই ক্ষেত্ৰত চৰকাৰৰ মনোযোগ সন্তোষজনক নহয়। এতিয়ালৈকে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে শিক্ষক সকলক কেৱল দৰ্ম্মহা দিয়াৰ দায়িত্ব গ্ৰহণ কৰি আহিছে। কিন্তু প্ৰাথমিক স্কুল বিলাকৰ যি বিলাক ঘৰ সেই বিলাক নিৰ্ম্মানৰ দায়িত্ব সম্পূৰ্ণ ৰূপে চৰকাৰে লোৱা দৰকাৰ।

বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰবৰ্ত্তনৰ কথা যেতিয়া সংবিধানত কৈছে তাৰ কাৰণে শিক্ষক সকলক দৰ্মহা দিয়াৰ দায়িত্বৰ উপৰিও এই স্কুল বিলাকৰ ঘৰ নিৰ্ম্মানৰ দায়িত্বও লব লাগিব আৰু যিবিলাক প্ৰাথমিক স্কুলৰ লৰা-ছোৱালী আৰ্থিক দুৰবস্থাৰ কাৰণে পাঠ্য পুথি আদি কিনিব নোৱাৰে তেওঁলোকক পাঠ্য পুথি যোগান ধৰা আৰু দুপৰীয়াৰ আহাৰৰ যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে। সেই দৰে প্ৰদেশ খনত শিক্ষা ব্যৱস্থা সম্প্ৰসাৰিত কৰাৰ কাৰণে আৰু শিক্ষা ব্যৱস্থাৰ বুনিয়াদ দৃঢ় কৰাৰ কাৰণে চৰকাৰৰ পক্ষৰ পৰা এনেকুৱা নীতি গ্ৰহণ কৰা দৰ্কাৰ ।

আমাৰ দেশত যিবিলাক এজনীয়া শিক্ষকৰ স্কুল আছে সেই ব্যৱস্থাটো ৰোধ কৰিব লাগে। কাৰণ এখন স্কুলত থকা আটাই বিলাক লৰা-ছোৱালীক পঢ়োৱা বা সকলোকে সমানে চকু ৰখাটো সম্ভৱপৰ নহয়। সেই কাৰণে অন্ততঃ পৰা পক্ষত যি বিলাক স্কুলত এজন শিক্ষক আছে তাত তিনিজন বা ততোধিক কৰিব নোৱাৰিলেও দুজন ৰখাৰ ব্যৱস্থা কৰিব লাগে। এই কথা চৰকাৰে বিবেচনা কৰিব লাগে।

এই ক্ষেত্ৰত চৰকাৰৰ পক্ষৰপৰা যথেষ্ট পৰিমানৰ মনোযোগ দিব লাগে। ইয়াৰ পিচত উপযুক্ত শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত এটা কথা কব পাৰি আমাৰ মাননীয় সদস্য শ্ৰীগোস্বামী ডাঙৰীয়াইও কৈ গৈছে যে আমাৰ প্ৰদেশত শিক্ষক সংস্থাৰ লগত চৰকাৰৰ যি চুক্তি হৈছিল সেইচুক্তি কাৰ্য্যকৰী নকৰাৰ কিবা কাৰণ থাকিব পাৰে নে? এই চুক্তি কাৰ্য্যকৰী নকৰাটো নিতান্ত পৰিতাপৰ বিষয়। যিটো চুক্তি চৰকাৰে কৰিছিল। সেই চুক্তি কাৰ্য্যকৰী নকৰাৰ ফলত অসমৰ সাহাৰ্য্য প্ৰাপ্ত স্কুল সমূহে আন্দোলনৰ পথলব লগীয়া হৈছে। সেই আন্দোলনৰ পথ-লোৱাৰ কাৰণে শিক্ষক সন্থা দায়ী নহয় এই অৱস্থাত সম্পূৰ্ণ দায়িত্ব চৰকাৰে বহন কৰিব লাগিব। যিবিলাক চুক্তি চৰকাৰৰ লগত কৰা হৈছিল সেই চুক্তি কাৰ্য্যকৰী কৰা হলে এনেকুৱা পৰিস্থিতিৰ সৃষ্টি নহয়। সেই কাৰণে মই চৰকাৰক অনুৰোধ কৰো যে যি চুক্তি চৰকাৰৰ পক্ষৰ পৰা কৰা হৈছিল, যিখিনি আশ্বাস দিয় হৈছিল সেইখিনি ততা-তৈয়াকৈ কাৰ্য্যকাৰী কৰিব লাগে যাতে তেওঁলোকে আন্দোলনৰ পথ বন্ধ কৰে। হাইস্কুলৰ মঞ্জুৰী বিতৰণৰ ক্ষেত্ৰত আমি বহুতো আসোৱাহ দেখিবলৈ পাইছো। মঞ্জুৰী বিতৰণৰ ক্ষেত্ৰত নানা ভাৱে নানা কথা কোৱা হৈছিল কিন্তু চৰকাৰৰ পক্ষৰ পৰা কোৱা হৈছিল যে তদৰ্থ মঞ্জুৰীৰ এটা নিৰিখ বান্ধি দিব-এতিয়ালৈকে এই ব্যৱস্থাৰ কাৰ্য্যকৰী হোৱা নাই। আৰু যি ব্যৱস্থাৰে টকা পইছা বিতৰণ কৰিছে তাতো যথেষ্ঠ আসোৱাহ আছে। কিছুমানে কেইবাহেজাৰ পাইছে কিছুমানে ৫০০ আৰু ১৫৫০ টকালৈ পাইছে। গতিকে এই ক্ষেত্ৰতো প্ৰতিপত্তিয়ে বিস্তাৰ কৰিছে বুলি অনুমান কৰিব পাৰি। আনহাতে বছৰেকৰ মূৰত তদৰ্থ মঞ্জুৰী দিয়াৰ যিটো ব্যৱস্থা কৰিছে ইয়াৰ পৰিমান যদি বৃদ্ধি নহয় তেনেহলে আমাৰ প্ৰদেশৰ সাহায্যপ্ৰাপ্ত স্কুলবিলাক বন্ধ হৈ যাবলৈ বাধ্য। হয়তো চৰকাৰে সিদ্ধান্ত কৰি স্কুলবিলাক বন্ধ কৰা নাই কিন্তু অৱস্থাই তেওঁলোকক বাধ্য কৰাইছে। কিয়নো কোনো এখন হাইস্কুলে বছৰেকৰ মূৰত মাত্ৰ ৩০০ টকা মঞ্জুৰী বা ৫০০ টকা মঞ্জুৰী পালে এখন হাইস্কুল চলি থাকিব নোৱাৰে। গতিকে

হাইস্কুল বিলাকৰ তদৰ্থ মঞ্জুৰীটো বেছি কৰাদৰ্কাৰ আৰু স্কুল পৰিচালনাৰ ক্ষেত্ৰত বিশেষকৈ শিক্ষক সকলক বেতন দিয়াৰ ক্ষেত্ৰত অকল feesৰ ওপৰতে নিৰ্ভৰ কৰি কোনো শিক্ষক চলিব নোৱাৰে। গতিকে আমাৰ প্ৰদেশত শিক্ষাৰ সম্প্ৰসাৰন কৰাৰ কাৰণে শিক্ষকক উপযুক্ত বেতন দিয়াৰ ব্যৱস্থা কৰিব লাগিব। আনহাতে হাইস্কুলৰ চতুৰ্থ কৰ্ম্মচাৰী সকলৰ সমস্যাৰ বিষয়ে আজিলৈকে চৰকাৰে কোনো বিবেচনা কৰা নাই। যোৱাবাৰ বিধান সভাত শিক্ষামন্ত্ৰীয়ে আশ্বাস দিছিল যে চতুৰ্থ কৰ্ম্মচাৰী সকলৰ বেতনৰ নিৰিখ ঠিক কৰা হব কিন্তু আমি জনাত আজিলৈকে তেনেকোনো নিৰিখ স্থিৰ হোৱা নাই আৰু নতুন নিৰিখত বেতনো পোৱা নাই। হাইস্কুলত চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী সকলে এতিয়াও ৩০/৪০/৫০টকাত কাম কৰি আছে। গতিকে এই কৰ্ম্মচাৰী সকলৰ উপযুক্ত হাৰত বেতন দিবলৈ আৰু অন্যান্য সুবিধা দিবলৈ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

ইয়াত আৰু এটা কথা বহুতো মাননীয় সদস্যই কৈছে যে শিক্ষা বিভাগটোৰ গুণগত পৰিবৰ্ত্তন কৰিব লাগে। যিবিলাক শিক্ষা বিভাগত গুৰিয়াল তেওঁলোকৰ ওপৰত চৰকাৰে চোকা নজৰ ৰখা দৰ্কাৰ। এইবিধান সভাতে নগাওঁৰ স্কুলপৰিদৰ্শক জনৰ বিৰুদ্ধে বহুতো অভিযোগ কৰা হৈছিল। এতিয়ালৈকে এই অফিচাৰ জনৰ বিৰুদ্ধে কি তদন্ত কৰিছে সেই বিষয়ে আমি একো নাজানো। আমি জনাত তেনে কোনো ব্যৱস্থা হোৱা নাই। গোটেই নগাওঁ প্ৰতিনিধিয়ে এইজনৰ বিৰুদ্ধে কৈছিল। কিন্তু শাস্তি হিচাৱে তেওঁক নগাওঁৰ পৰা যোৰহাটলৈ বদলি কৰা হল। মই মুখ্য মন্ত্ৰীক অনুৰোধ কৰিছো যে তেওঁৰ প্ৰতি সদয় হৈ তেওঁক কামৰূপত ৰাখিব লাগে তেতিয়া তেখেতে নিজে কেনে কাম কৰে অভি জ্ঞতা আহৰণ কৰিব পাৰিব। এই ইনস্পেক্টৰ জনৰ ওপৰত যদি চৰকাৰে বিহীত ব্যৱস্থা নলয় তেনেহলে শিক্ষা ব্যৱস্থাৰ আমুল পৰিবৰ্ত্তন নহয়। কিছুমান ক্ষমতা অবশ্যে এতিয়া তেওঁলোকৰ পৰা সঙ্কুচিত কৰা হৈছে কি হয় নাজানো। প্ৰাইমাৰী স্কুলৰ শিক্ষক নিয়োগৰ ক্ষেত্ৰত তেওঁলোকে ১৫০/২০০ টকা দিব নোৱাৰিলে চাকৰি নাপায়। আনহাতে নিজ খুচিমতে য'তে ত'তে শিক্ষক সকলক বদলি কৰি দিয়ে আৰু যদি হুকুম বাতিল কৰিব লগীয়া হয় তেনেহলে ৪০০/৩০০ৰ কমত হুকুম বাতিল নহয়। এনেকুৱা বোৰ দূৰ্নীতিৰ কথা চৰকাৰক নজনোৱা নহয়। কিন্তু যিসকল দূৰ্নীতি পৰায়ন অফিচাৰ তেওঁলোকক উপযুক্ত শাস্তি দিয়াৰ পৰিবৰ্ত্তে চৰকাৰৰ পক্ষৰ পৰা তেওঁলোকক ৰক্ষনাবেক্ষন দিয়া হয়। তদন্ত কমিটি পতা হয় কিন্তু মন্ত্ৰী সকল বা এনে ধৰণৰ কৰ্ম্মচাৰী সকলৰ প্ৰভাৱত তাৰ ৰিপোৰ্ট ওলোটা হয়। দূৰ্নীতি নিবাৰণৰ কথা সকলোৱে কয় কিন্তু তেনে দূৰ্নীতি প্ৰমান দিয়া স্বত্বেও তাৰ কাৰণে উপযুক্ত ব্যৱস্থা মন্ত্ৰী সভাই লব পৰা নাই। এই ক্ষেত্ৰত চৰকাৰৰ চোকা দৃষ্টি আকৰ্ষণ কৰিলো। ১৯৭০ চনৰ Audit Report ত শিক্ষা সম্পৰ্কে চোকা মন্তব্য কৰিছে। ইয়াত কৈছে ঃ

Overpayment of grants: In April, 1968, Government decided to cover by grants the deficits (between income and approved expenditure) of aided colleges. For obtaining grant the principals of the colleges were required to submit to the Director of Public Instruction particulars showing inc-

ome from fees, expenditure on teachers and staff etc. Audit noticed (November, 1968) that the statements from colleges were not being kept properly by the department. A test check of the statements for fifteen colleges showed that, due to error in calculation during November 1967 to March, 1968, Rs.o. 24 lakhs were overpaid as grants to three colleges. The statements of other colleges being not availble, the correctness of the grants paid to those colleges could not be verified.

গতিকে শিক্ষা বিভাগৰ যিটো Directorate অফিচ তাত মঞ্জুৰী বিতৰণৰ ক্ষেত্ৰত হিচাব পত্ৰ ঠিক নাথাকে, কোন কলেজে (সময়ৰ সংকেত) কিমান টকা পালে সেইবিষয়ে কোনো তথ্য-পাতি পোৱা নাযায়। এইবিষয়ে চৰকাৰে কিয় বিশেষ ব্যৱস্থা লোৱা নাই নাজানো। তাত হজাৰ হাজাৰ টকাৰ অপচয় বা কোনো কোনো ক্ষেত্ৰত লক্ষ লক্ষ টকাৰ হিচাব নাই। গতিকে, উপাধ্যক্ষ মহোদয় শিক্ষা বিভাগটোৰ উন্নতিৰ কাৰণে যিবিলাক বিষয়ৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ আহিছে সেই বিলাকৰ বিষয়ে উপযুক্ত তদন্ত কৰি কাৰ্য্যকৰী ব্যৱস্থা লোৱাৰ কাৰণে অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীলক্ষ্যধৰ চৌধুৰী :— উপাধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱ কেইটাৰ সমৰ্থনত মই এই কেইটা কথা চমুকৈ কব খুজিছো। ইয়াৰ আগৰ বাৰৰ শিক্ষা শিতানত এটা মঞ্জুৰী কৰ্ত্তন প্ৰস্তাৱত মোৰ এটা কথা কোৱা মনত আছে যে শিক্ষা বিভাগটো নথকা হলে সমাজত শিক্ষাৰ সম্প্ৰসাৰণ আৰু উন্নত হলহেতেন। কিন্তু এইবাৰ, আজি কিছুমান দিনৰ পৰা মোৰ ধাৰণা হৈছে যে শিক্ষা মন্ত্ৰী মহোদয় নহলেই আমাৰ শিক্ষাৰ বেমেজালি বহুত আতৰিলহেতেন। আৰু এই খিনিতে এটা কথা উল্লেখ কৰিব খুজিছো — আজি ৪ বছৰৰ পাছত সেই দিনা শিক্ষাৰ আলোচনাত চাহ মেলৰ পাচত শিক্ষাবিদ এজনে মোক সুধিছিল যে 'আপুনি আজি চাৰি বছৰে শিক্ষাৰ কি উন্নতি দেখিলে। এনে উন্নতি কিয় হৈছে কব নোৱাৰো। মই এটা কথা দেখিলো, আমাৰ শিক্ষাৰ এটা কাম কৰিলে যোৱাবাৰ শিক্ষা মন্ত্ৰীৰ লগত তেওঁৰ মাতবোল কৰি দিয়া হৈছে। ইয়াৰ বাহিৰেও বিশ্ববিদ্যালয় পৰ্য্যায়ৰ এটা অনুসন্ধান কৰিছে আমাৰ শিক্ষা মন্ত্ৰীয়ে কৈছে। এইটোত মই আনন্দ পাইছো। কাৰণ তদন্তত কি উলিয়ালে কি নুলিয়ালে আমি অৱশ্যে নেজানো। কিন্তু এটা কথা ঠিক হৈছে যে কমিচনৰ মুখিয়াল জন হব university ৰ ভাইচেনচেলাৰ জন। কাৰণ আগৰ বাৰ আমাৰ গোস্বামী কমিচনৰ সময়ত যি কেইটা Recommendation আগবঢ়াইছিল, তেতিয়া আগৰ যিজন ভাইচেনচেলাৰ পদচ্যুত কৰা হৈছিল। সেই কেইটা Recommendation ৰ ৰিজালটত কোৱা হৈছিল যে অনতিপলমে এজন treasurer লাগে। ইয়াৰ পাচত High secondaryৰ কথা কওঁ আমাৰ মাধ্যমিক শিক্ষা ৭২ চনৰ পৰা ১০ বছৰীয়া হবনে? আগৰ দৰেই থাকিব। ফেব্ৰুৱাৰী মাহৰ ৩০ তাৰিখৰ কাগজৰ বিজ্ঞাপনত দেখিলো যে পঞ্চম আৰু অষ্টম মানৰ কাৰণে

পাঠ্য ক্ৰমৰ কিতাপ লিখি দিব লাগিব। কিন্তু ৭২ চনৰ পৰা ১০ বছৰীয়া পৰিকল্পনাৰে শিক্ষা দান ব্যৱস্থা হবনে নহয়, তাৰ এটা পৰিষ্কাৰ ধাৰণা আমাৰ নাই। মই ভাবো পাঠ্যপুঠিৰ ক্ষেত্ৰত ব্যৱসায়ৰ যোগেদি পাঠ্যপুঠিৰ ব্যৱস্থা নকৰি প্ৰসাশনৰ যোগেদিহে কৰিব বুলি ভাবো।

Managing committee সম্পৰ্কে বন্ধুবৰ শ্ৰী দুলাল চন্দ্ৰ বৰুৱাই কৈছে যে আমাক managing committeeত ৰাখিব নালাগে মই কও যিবিলাক Deficit System ৰ স্কুল এই বিলাকত managing committee ৰাখিবই নালাগে। এই কথাটো স্কুল পৰিদৰ্শকৰ সভাত তথা শিক্ষক সন্থাৰ সভাত আলোচনা কৰা হৈছিল যে এই system উঠি গলে প্ৰশাসন ব্যৱস্থাটো ভাল হব। আৰু টকা পইচাৰ কিছু ৰাহি হব। স্কুলবিলাকৰ লগত অনিচ্ছা স্বত্বেও জৰিত হবলগীয়া হৈছে যিহেতু আমি দুৰ্ভগীয়া M. L. A. স্কুলবিলাকলৈ যিবিলাক অনুদান আহে তাৰ ৫০ ভাগ এতিয়াও ex-secretaryৰ হাতত আছে আৰু এইটো উলিওৱাৰ উপায় নাই। নতুন managing কমিটিয়ে নিজে উলিয়াব নোৱাৰে যদি বিভাগে মকৰ্দমা কৰি নুলিয়ায়। গতিকে স্কুলৰ মঞ্জুৰী আদি ক্ষেত্ৰত — সৰ্ব্বনাশ হে কৰিছে।

এতেকে মই কও এই ২টা system গুচাই দিব লাগে আৰু Managing Committee systemটো উঠাই দিব লাগে। আৰু পোনপতিয়া ভাৱে পৰিদৰ্শকে হিচাব ৰাখিব লাগে আৰু যদি কিবা Development কমিটি কৰে তাত মোৰ আপত্তি নাই আৰু Advisory Board বা Guidance Board কৰে তাতো মোৰ আপত্তি নাই।

Elementary Education ৰ পৰীক্ষাৰ কাকত বহু ধৰণৰ, মই অলপ বঙালী ভাষা জানো কাৰণেই কেইখনমান প্ৰশ্ন কাকত চাই অসমীয়া আৰু বঙালী পৰীক্ষা কাগজত নমুনাটো বুজিব পাৰিছিলো। অসমীয়া ভাষাৰ প্ৰশ্ন কাগজত একে শ্ৰেণীৰ এটা প্ৰশ্নত আছে তোমাৰ পাঠ্যপুথিৰ এটা গল্প কোৱা কিন্তু বঙালী প্ৰশ্ন কাগজত আছে তোমাৰ কিতাপৰ কোনো এটা কবিতাৰ ৮শাৰী মুখস্থ লিখা। আকৌ সেইদৰে অসমীয়া প্ৰশ্ন কাগজত আছে ৫টা দেওদি যোৱা আৰু মঙহ খোৱা চৰাইৰ নাম লিখা। বঙালীত আছে —কেৱল ৫টা চৰাইৰ নাম লিখা গতিকে দেখা যায় প্ৰশ্ন বিলাকৰ Moderation হোৱা নাই। ৮শাৰী কবিতাৰ মুখস্থ মইও এতিয়া লিখিব পাৰিম কিন্তু গল্প লিখিবলৈ দিলে টান হব এই বিলাক বিভাগীয় কৰ্মকৰ্তা জনে ১৪বিধ প্ৰশ্নৰ কাগজ —Moderation কেনেকৈ কৰিব পাৰে।

Managing Committeeৰ কেইখনমান Meeting যেনে ধৰণত attend কৰিছিলো কিন্তু তাত গৈ দেখিলো যে তেওঁলোক অভিভাবকৰ Electionৰ কামত ব্যস্ত হৈ আছিল। আনকি তেওঁলোকে car তাৰ লৈ Election খেলিছিল অথচ আমি চাইকেল লৈহে ঘূৰিছিলো।

কলেজৰ শিক্ষকসকলৰ এতিয়াও seniority ঠিক হোৱা নাই এইটো কোনেও ঠিক কৰিব নোৱাৰে, এনেকুৱা এটা আউল লাগিল যে কাৰো ইয়াক ঠিক কৰাৰ সাধ্য নাই। মই নিজেও Cotton collegeৰ এজন শিক্ষকৰ কথা জানো যি

আজি ১২বছৰেও কাম কৰি আজিলৈকে Unconfirmed হৈ আছে। তেখেতক এবাৰ জনোৱা হ'ল যে Date of appointmentৰ পৰা seniority count কৰা হব। আৰু পিচত জনালে সেইমতে নহয়। Minor school আৰু MV স্কুলৰ প্ৰধান শিক্ষকে ৩০ টকা পায় কিন্তু এইবাৰ দেখিলো M.E. schoolৰ শিক্ষকৰ দৰ্মহা কমিলহে তাকে আকৌ বৃত্তি পোৱা স্কুলৰে মাষ্টৰৰ দৰ্মহা কমিল, সেইকাৰণে মই এইবাৰ মাষ্টৰ এজনক কলো যে আপুনি ল'ৰাক বৃত্তি নোপোৱা কৰিব কাৰণ লৰাই বৃত্তি পালেই আপোনাৰ দৰ্মহাৰ পৰা কাটি নি ল'ৰাৰ বৃত্তি দিব। Board নথকা হলে বাহিৰৰ পৰাই তেওঁলোকে ললে হেতেন মাটিমাহ, চাউল লাও ইত্যাদি কৰিয়েই পৰৰ পৰা লব পাৰিলেহেঁতেন।

বিশ্ববিদ্যালয়ৰ Court Meetingৰ বিষয়ে জনাওঁ যে এখন Meetingৰ Reportত লিখা আছে যে Rs. 300 spent for light Refrcshment কিন্তু Audit Reportত লিখা আছে —যে On that day there was no mceting গতিকে মুঠতে Cancerয়ে – ধৰিছে। এতেকে ৰক্ষা ক'ত?

খেল ধেমালিৰ কাৰণে মাত্ৰ ৩৭ হাজাৰ টকা দিয়া হৈছে আৰু Musicৰ কাৰণে দিয়া হৈছে মাত্ৰ ৫হাজাৰ টকা এইটো কিমান অন্যায় হৈছে চাওকচোন। সৈনিক স্কুলৰ Dining table বিলাক খুবেই ভাল কিন্তু সেই Dining tableত খোৱা খাদ্যৰহে deteriorate কৰিছে সৈনিক স্কুলত পঢ়ুৱাবলৈ পঠোৱা ল'ৰাক guardian য়ে খাবলৈ টকাদি হায়ৰান হবলগীয়া হৈছে। সৈনিক স্কুলৰ ল'ৰাক ৰাতিপুৱাই এটা বিস্কুট খুৱাই কেইবা ঘণ্টাও পেৰেড কৰায়। এতেকে সেই ল'ৰা কেইটাৰ চাঙি বান্ধিবৰ ব্যৱস্থা কৰা হৈছে। সৈনিক স্কুলৰ ল'ৰাই আপত্তি কৰিছে যে তেওঁলোকক ভাল table নালাগে ভাল খাদ্যহে লাগে।

কিন্তু চাওক টকা খৰচ কৰিও আমি শিক্ষা বিষয়ত কিমান আগ বাঢ়িছো শতকৰা মাত্ৰ ৩·৪ হে কিন্তু আমাৰ ওচৰৰে শত্ৰু দেশেই বোলক বা যিয়েই বোলক চীনত কি হৈছে? তাত শিক্ষাৰ হাৰ আছিল যোৱাবাৰ 60p.c. বৰ্তমান হলগৈ 72p.c. সেই চৰকাৰকে অথচ আমি কাণি খোৱা চৰকাৰ কৈছিলো এতেকে আমাৰ এই শিক্ষা বিভাগটোৰ আমূল পৰিবৰ্তন সাধিব লাগে।

আমাৰ যিমানে D.P.I.A.D.P.I. নকৰক তেওঁলোকে পিক্ষা সম্প্ৰসাৰণ বিষয়ৰ একো কাম কৰিব নোৱাৰে কাৰণ তেওঁলোক একোজন ডাঙৰ কেৰাণী হৈ পৰে। কোন স্কুলত কি দিব লাগিব, ক'ত স্কুল দিব লাগিব সেই বিলাক চাওতেই তেওঁলোকৰ সময় যায়। শিক্ষাৰ উন্নতিৰ কাৰণে এইবোৰ কামৰ পৰা তেওঁলোকক অলপ ৰেহাই দিব লাগিব। আৰু এটা কথা মই জনাও যে এইবাৰৰ session তে আমাক জনাব লাগিব যে লৰাৰ অভিভাৱকে লৰাক স্কুলত ২০বছৰ পঢ়াব লাগিব নে ১৫বছৰ পঢ়াব লাগিব। এইটো এইবাৰেই ঠিক হব লাগিব। গাওঁ অঞ্চলত যিবিলাক Higher Secondary স্কুল আছে তাত scienceৰ কোনো ব্যৱস্থাই নাই। তাত Electricity নথকাৰ কাৰণে Experiment হব নোৱাৰে —এই খিনিকে কৈ ই কৰ্তন প্ৰস্তাব সমৰ্থন কৰিলো।

Presentation of a petition on behalf of Mangaldai Krishak Sabha

Shri Dulal Chandra Barua:— Mr. Deputy Speaker, Sir, under rule 113, I beg to preseut a petition signed by Shri N. Sarma regarding prayer for implementation of the assurance made by the Government to the Mangaldai zila Krishak Sabha.

Mr. Deputy Speaker :— The petition stands referred to the Committee on Petition.

Calling Attention To A matter of Urgent Public Importance : Demarcation of Assam - Nagaland border by Central Survey Team.

শ্ৰী সোনেশ্বৰ বৰা :— কেন্দ্ৰীয় চৰকাৰৰ ওচৰত নগা চৰকাৰে হেচাঁ দি আহিছে। আৰু ১৯২৫ চনৰ চিহ্নিত সীমা নগাই নেমানে বুলি কৈ আহিছে।

আজিৰ নে কালিৰ Assam Tribuneত এটা বাতৰি ওলাইছে যে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা গঠিত এটা উচ্ছ পৰ্য্যায়ৰ কমিটিত নগা চৰকাৰ আৰু অসম চৰকাৰ দুয়ো সন্মতি হব — য'ত অসম চৰকাৰে সীমা নিৰ্দ্ধাৰনৰ ক্ষেত্ৰত এৰা-ধৰা কৰি সীমা মানি লব। এই দুৰ্ব্বলতা প্ৰকাশ কৰিছে। এই সকলো কথা লৈ কেন্দ্ৰীয় চৰকাৰে যিটো জৰীপৰ বাবে দ'ল পঠোৱা বুলি ওলাইছে, সেইটো কি ভাবে আৰু কি ভিত্তিত কৰিব এই বিষয়ে এটা পৰিস্কাৰ সমিধান বিচাৰি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী (মুখ্যমন্ত্ৰী) :—অধ্যক্ষ মহোদয়, এই বিষয়ে আমাৰ সদনত বহুবাৰ আলোচনা হৈছে আৰু অসম চৰকাৰৰ কি মতামত সেই কথাও বিবৃতি হিচাবে দিয়া হৈছে। আমাৰ — দাবী হৈছে যে Nagaland Constitution ৰ যি খিনি আইন সেইটো ১৯২৫ চনৰ — Notification অনুসৰি অসম আৰু নগাৰাজ্যৰ ভেটি নিৰ্দ্ধাৰণ কৰা হৈছে। এই দাবীত আমাৰ অসম চৰকাৰক আৰু নগা চৰকাৰক মাটিৰ সীমা চম্জাই দিব লাগে। আমাৰ এই সীমা প্ৰকৃততে খৃষ্টান সকলৰ দ্বাৰা প্ৰনয়ণ কৰা হৈছিল। ৭০ মাইললৈকে নগাৰ সীমা বুলি তেনেকোনো প্ৰনয়ণ কৰা কথা নাই। এতিয়া তাত নগাৰ কিছুমান মাটি আছে যদিও কিছু লবচৰ কৰিছে। সেই কাৰণে আমি দাবী কৰিছোঁ যে ১৯২৫ চনৰ যিটো বিবৃতি সেই বিবৃতি অনুসৰি অসম আৰু নগা ৰাজ্যৰ সীমা নিৰ্দ্ধাৰণ কৰি দিব লাগে।

এই বিষয়ে Nagaland ৰ মূখ্যমন্ত্ৰী শ্ৰী চিলো আও আৰু আমাৰ মূখ্যমন্ত্ৰী স্বৰ্গীয় চলিহা দেৱৰ মাজত আলোচনা হৈ গৈছে। সেই হিচাবে কেন্দ্ৰীয় চৰকাৰক জৰীপৰ বাবে যি খৰচ দিব লাগে — সেই টকা অসম চৰকাৰে জমা দিছে আৰু তেনেকৈ জমা দিয়াৰ পাছত তালৈ Survey কৰিবৰ বাবে এটা Team আহে আৰু যেতিয়া এই Team টোৱে কাম আৰম্ভ কৰে তেতিয়া Nagaland ৰ ফালৰ পৰা বাধা দিয়াত তেওঁলোক তাৰ পৰা গুচি যায়।

তেতিয়া মই ৰাজহ মন্ত্ৰী হিচাবে আছিলোঁ আৰু আমাৰ বিত্তমন্ত্ৰী শ্ৰী ত্ৰিপাঠী আৰু স্বৰ্গীয় চলিহা দেৱৰ লগত যোৰহাটলৈ যাওঁ। নগালেণ্ডৰ মূখ্যমন্ত্ৰীয়ে আহি যোৰহাটত এই বিষয়ে আকৌ আলোচনা চলায়।

তেতিয়াও এই কথাত আমি বিশেষভাবেই জোৰ দি কৈছিলোঁ — যে সীমা লৈ গণ্ডগোল হোৱাটো উচিত নহয়। কাৰণ সীমা নিৰ্দ্ধাৰণ কৰিবলগীয়া হৈছে যেতিয়া আইনমতে কৰিব লাগে। কিন্তু তাত নগালেণ্ডৰ মুখ্যমন্ত্ৰী জনে অসন্তুষ্টি প্ৰকাশ কৰিছিল, সেই কাৰণে সিমানতে আলোচনা সীমাবদ্ধ হ'ল।

তাৰ পাচত কেন্দ্ৰীয় চৰকাৰৰ লগত এই নিৰ্দ্ধাৰণৰ সম্পৰ্কে বাৰে বাৰে আলোচনা কৰি আহিছোঁ। সিদিনাও মই সদনত কৈছিলোঁ যে সিদ্ধান্ত কি হৈছে সেইটো কব নোৱাৰো ; তথাপি এটা সিদ্ধান্ত হোৱা বুলি মই গম পাইছোঁ সেইটো নিশ্চয় আমাৰ দাবী অনুসৰি হোৱা বুলি আশা কৰো আৰু যেতিয়ালৈকে খাটাং, সিদ্ধান্ত নহয়, তেতিয়ালৈকে এইদাবী লৰচৰ কৰিব নোৱাৰিব। তাৰ পাচত ইমানখিনি আলোচনা হোৱা স্বত্বেও আমাৰ শ্ৰী সোনেশ্বৰ বৰা ডাঙৰীয়াই সন্দেহ কৰিছে যে এই ক্ষেত্ৰত অসম চৰকাৰৰ সোলোক-ঢুলোক অৱস্থা প্ৰকাশ পাইছে।

তথাপিও মই কৈছোঁ যে আমাৰ দাবী মতেই হব বুলি আশা কৰো আৰু সীমা নিৰ্দ্ধাৰণ কৰাৰ পাছত কিবা অগা-পিচা কৰিব লগীয়া হলে Exchange of Territory হে কৰি সীমা পোন কৰা হব। দৰ্কাৰহলে মাটি অদল-বদল কৰিবৰ কাৰণে চেষ্টা কৰিম যদি উভয় পক্ষই মান্তি হয়। গতিকে ইয়াতকৈ বেছি কৰি এই বিষয়ে মই কব খোজা নাই।

শ্ৰী সোনেশ্বৰ বৰা :— মোৰ প্ৰশ্নটো হল যে কেন্দ্ৰীয় চৰকাৰে যিটো জৰীপৰ টিম পঠাব সেইটো কি ভিত্তিত পঠাব ?

শ্ৰী মহেন্দ্ৰ মোহন চৌধুৰী :— জৰীপৰ কাৰণে যদি পুনৰ দল পঠায়, তেন্তে সেইটো ১৯২৫ চনৰ বিবৃতি অনুসৰি পঠাব।

শ্ৰী দুলাল চন্দ্ৰ বৰুৱা :— কালি Tribune ত প্ৰকাশ কৰিছে যে কেন্দ্ৰীয় চৰকাৰে জৰীপৰ ভিত্তিতেই পঠাব। লগতে এইটোও কোৱা হৈছে যে দুয়োটা চৰকাৰকে মান্তি কৰাবৰ কাৰণে চেষ্টা কৰা হব। কিন্তু কথা হল যে Exchange of Territory কি ভিত্তিত কৰা হব। তেওঁলোকে প্ৰয়োজনীয় মাটি খিনি Adjust কৰি লব নেকি ? কাৰণ ১৯২৫ চনত আমাৰ যিটো সীমা আছিল — সেইটো ১৯৫৬ চনত Nagaland Separation হোৱাৰ পাচত Naga বিলাকে আমাৰ মাটি দখল কৰি আছে।

শ্ৰী মহেন্দ্ৰ মোহন চৌধুৰী :— মই কৈছোঁ যে তাত পাহাৰীয়া অঞ্চল হোৱাৰ কাৰণে সীমা নিৰ্দ্ধাৰণত কিছু বেমেজালি হব পাৰে বা সীমাৰেখা বেকা-বেকি হব পাৰে। গতিকে সেই সীমা পোন কৰি লবলৈ হলে Exchange of Territory কৰি হে সীমা পোন কৰা হব। তাত Adjust কৰাৰ কোনো কথা নাহে। আমাৰ কোনোবা অঞ্চল বা এডোখৰ মাটিত Nagalandৰ ভিতৰত সোমালে তেওঁলোকৰো সিমানখিনি মাটি আমাৰ ভিতৰত সোমাব।

শ্ৰী দুলাল চন্দ্ৰ বৰুৱা :— ১৯২৫ চনৰ যিটো Notification সেইমতে আমাৰ কৰিব লগীয়া বহুতো আছে ; তাত তেওঁলোকৰ আপত্তি কি ?

শ্ৰী মহেন্দ্ৰ মোহন চৌধুৰী :— আপত্তি একো নাই। কিন্তু উভয় পক্ষৰ ভিতৰত যাতে কাজিয়া পেচাল নহয়, তাৰ বাবে সীমা নিৰ্দ্ধাৰণ কৰি প্ৰয়োজনীয় ঠাইত ভেটা দিয়াৰ ব্যৱস্থা কৰা হব।

শ্ৰী সোনেশ্বৰ বৰা ঃ— মুখ্যমন্ত্ৰীৰ বিবৃতিত মই পতিয়ন যাব পৰা নাই। কাৰণ ১৯২৫ চনৰ পাচতো ডিমাপুৰ অসমৰ শিবসাগৰ জিলাৰ ভিতৰত আছিল। এতিয়া সেইটোৰ ব্যৱস্থা কি কৰা হব ?

শ্ৰী মহেন্দ্ৰ মোহন চৌধুৰী ঃ— ডিমাপুৰ অসমৰ পৰা বাহিৰ হৈছে। ১৯২৫ চনৰ আগৰ পৰা।

উপাধ্যক্ষ ঃ— তেখেতে প্ৰত্যেক প্ৰশ্নৰ উত্তৰ দিলেই ; গতিকে ইয়াতকৈ কি স্পষ্ট উত্তৰ লাগে ?

## Adjournment

The Assembly then adjourned till 10 A.M. on Tuesday, the 4 th May, 1971.

U. Tahbildar.
Secretary
Legislative Assembly, Assam.
Shillong.

3rd May, Shillong,
1971